সু-প্ৰভাত
জীৱাই থকাৰ বাবে পৃথিৱীখন অতি ভয়াৱহ ঠাই। এয়া অসত মানুহৰ বাবে হোৱা নাই, হৈছে নিবনুৱা সকলৰ বাবেহে।
-আইনষ্টাইন।

Epaper-www.ganasangbad
জনগণৰ অপ্ৰতিৰোধ্য কণ্ঠ
# গণ সংবাদ
গুৱাহাটী, কোকৰাঝাৰ আৰু যোৰহাটৰ পৰা প্ৰকাশিত
RNI : ASSASS/2008/27501
দ্বাদশ বছৰ, সংখ্যা ৩১১ JULY 26, 2026, দেওবাৰ, ৯ শাওন ১৯৪৮ শকাব্দ গুৱাহাটী মূল্য ঃ ১০ টকা



## ‘ককৰোছ জনতা পাৰ্টি’ৰ ৩৬ দিনীয়া প্ৰতিবাদ অৱশেষত সাৰ্থক

# কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ পদত্যাগ

### বিশেষ স্তম্ভ



### ধমেন্দ্ৰ প্ৰধানৰ পদত্যাগৰ দেশৰ ৰাজনীতিত প্ৰভাৱ!

▮ হেমন্ত শৰ্মা

কেন্দ্ৰীয় শিক্ষা মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ পদত্যাগে দেশৰ ৰাজনীতিত গভীৰ প্ৰভাৱ পেলাব। (৭ পৃষ্ঠালৈ)



## চৰকাৰে মানি ল'লে সকলো দাবী
### চিজেপি প্ৰতিবাদ বন্ধ

**ষ্টাফ ৰিপ'ৰ্টাৰ, গণসংবাদ ,২৫ জুলাই ঃ**ককৰোচ জনতা পাৰ্টিৰ প্ৰতিবাদৰ অন্ত পৰাৰ কথা ঘোষণা কৰি যন্তৰ মন্তৰৰ পৰা ঘৰলৈ উভতি যাবলৈ আহ্বান জনাইছে ককৰোচ জনতা পাৰ্টিয়ে। চিজেপিৰ মুখপাত্ৰ সৌৰভ দাস আৰু আশুতোষ ৰাংকাই কেন্দ্ৰীয় মন্ত্ৰী জে পি নড্ডা আৰু জিতেন্দ্ৰ সিঙৰ সৈতে যৌথ সংবাদমেল অনুষ্ঠিত কৰে। চৰকাৰে তেওঁলোকৰ সকলো দাবী মানি লোৱাৰ (৬ পৃষ্ঠালৈ)

**ষ্টাফ ৰিপ'ৰ্টাৰ, গণসংবাদ ,২৫ জুলাই ঃ**দেশজুৰি যুৱক-যুৱতীসকলৰ প্ৰতিবাদৰ মাজতে কেন্দ্ৰীয় শিক্ষামন্ত্ৰীৰ পদৰ পৰা পদত্যাগ কৰিছে ধৰ্মেন্দ্ৰ প্ৰধানে। এক্সৰ ওপৰত লিখি তেওঁ উল্লেখ কৰে যে ছাত্ৰ-ছাত্ৰীসকলে পড়া-শুনাত সময় উছৰ্গা কৰি নিজৰ কেৰিয়াৰ গঢ়ি তোলাত মনোনিৱেশ কৰিব লাগে বুলি মতামত লৈ তেওঁ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীক পদত্যাগ দাখিল কৰে। তেওঁ উল্লেখ কৰে যে তেওঁ চাৰি দশকৰো অধিক সময় ধৰি ছাত্ৰ-ছাত্ৰী, শিক্ষক, আৰু শৈক্ষিক সংস্কাৰৰ কামত উৎসৰ্গিত হৈ আহিছে। ধৰ্মেন্দ্ৰ প্ৰধানেও নিজৰ এক্স প্ৰফাইলৰ পৰা "শিক্ষা মন্ত্ৰী" উপাধি আঁতৰাইছে। পদত্যাগ কৰাৰ সময়তে(৭ পৃষ্ঠালৈ)



## চলিত বানত এতিয়ালৈকে ৫০ জনৰ মৃত্যু

**ষ্টাফ ৰিপ'ৰ্টাৰ, গণসংবাদ ,২৫ জুলাই ঃ** ৰাজ্যত বান পৰিস্থিতি দিনক দিনে ভয়ংকৰ ৰূপ ধাৰণ কৰিছে। বানৰ শেহতীয়া পৰিস্থিতিৰ তথ্য প্ৰকাশ কৰি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি দিছপুৰ লোকসেৱা ভৱনত এখন গুৰুত্বপূৰ্ণ সংবাদমেল সম্বোধন কৰে। সংবাদমেলত মুখ্যমন্ত্ৰীয়ে (৬ পৃষ্ঠালৈ)

## কৃষি আন্তঃগাঁথনি পুঁজিৰ কৰ্মশালাত অংশগ্ৰহণ মুখ্যমন্ত্ৰীৰ

**দিছপুৰ, ২৫ জুলাই ঃ** কৃষি আন্তঃগাঁথনিৰ উন্নয়নেৰে এখন সমৃদ্ধিশালী অসম গঢ়াৰ প্ৰয়াস হিচাপে আজি গুৱাহাটীৰ জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত আয়োজিত কৃষি আন্তঃগাঁথনি পুঁজিৰ ৰাজ্যিক পৰ্যায়ৰ কৰ্মশালাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা অহা কৃষক, কৃষক(৭ পৃষ্ঠালৈ)

## উজনিৰ বানৰ খবৰ ল'লে প্ৰধানমন্ত্ৰীয়ে
### মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মালৈ ফোন নৰেন্দ্ৰ মোদীৰ

## এতিয়া সন্ধানহীন হৈ আছে শতাধিক লোক




**ষ্টাফ ৰিপ'ৰ্টাৰ, গণসংবাদ ,২৫ জুলাই ঃ**অৱশেষত প্ৰধানমন্ত্ৰী মোডীয়ে খবৰ ললে অসমৰ বান পৰিস্থিতিৰ। সংহাৰমুখী শিৱসাগৰ, যোৰহাট, চৰাইদেউ জিলাকে মূলতঃ কৰি অসমৰ ১২খন জিলাত ভয়াৱহ বানে জনজীৱন অচল কৰি পেলাইছে। আটাইতকৈ বেছি ক্ষতি হৈছিল উজনি অসমৰ তিনিজিলা ক্ৰমে- শিৱসাগৰ, যোৰহাট আৰু চৰাইদেউ। হঠাৎ নামি অহা পানীৰ ঢলে তচনচ কৰি পেলাইছিল সকলো। ৬২জন লোকৰ মৃতদেহ উদ্ধাৰ হৈছে যদিও সন্দানহীন হৈ আছে শতাধিক। সেই ভয়াৱহ বানৰ খবৰ ২৫ জুলাই, ২০২৬ত(৬ পৃষ্ঠালৈ)

## বাণত ক্ষতিগ্ৰস্ত ছাত্ৰ-ছাত্ৰী, মন্ত্ৰী বিমল বড়াৰ পৰামৰ্শ

**ষ্টাফ ৰিপ'ৰ্টাৰ, গণসংবাদ ,২৫ জুলাই ঃ** শিৱসাগৰ আৰু চৰাইদেউ জিলাত সংঘটিত প্ৰলয়ংকৰী বানত আক্ৰান্ত সকলৰ সা-সম্পত্তিৰ লগতে বহু ছাত্ৰ-ছাত্ৰী আৰু যুৱক- যুৱতীৰ শিক্ষাগত, পৰিচয় আৰু অন্যান্য গুৰুত্বপূৰ্ণ নথিপত্ৰও ক্ষতিগ্ৰস্ত হৈছে। ৰাজ্যৰ উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ (৬ পৃষ্ঠালৈ)

### শিৱসাগৰত কিছু সকাহ

## নামিবলৈ ধৰিছে দিখৌ, দিহিং আৰু দিচাং নদীৰ পানী



**গণ সংবাদ, শিৱসাগৰ,২৫ জুলাইঃ**শিৱসাগৰ জিলাত উদ্বেগজনক হৈ থকা বান পৰিস্থিতিত আজি কিছু উন্নতি পৰিলক্ষিত হৈছে। জলসম্পদ বিভাগৰ 'শিৱসাগৰ ডব্লিউ. আৰ. কণ্ট্ৰোল ৰুম'ৰ পৰা আজি বিয়লি ৬: ০০ বজাত প্ৰাপ্ত শেহতীয়া তথ্য অনুসৰি, জিলাখনৰ অধিকাংশ প্ৰধান নদীৰ পানীৰ স্তৰ ক্ৰমাৎ হ্ৰাস পাবলৈ ধৰিছে। অৱশ্যে হ্ৰাস পালেও অধিকাংশ নদীৰ পানী এতিয়াও বিপদসীমাৰ ওপৰেৰে বৈ থকাত উদ্বেগ সম্পূৰ্ণৰূপে আতৰা নাই। বিশেষকৈ কালি পৰ্যন্ত উৰ্ধমুখী হৈ থকা দিখৌ নদীৰ পানী আজি হ্ৰাস পাবলৈ ধৰিছে। তথ্য অনুসৰি, নাজিৰাত দিখৌ নদীৰ পানীৰ স্তৰ ৯৭.৫২ মিটাৰলৈ (বিপদসীমা ৯৬.৪৬ মিটাৰ), এ. টি. ৰোড সংযোগী দলঙৰ ওচৰত ৯৪, মিটাৰলৈ (বিপদসীমা ৯৩.৩০ মিটাৰ) আৰু গোৱালগাঁৱত ৮৯.৫৫ মিটাৰলৈ (বিপদসীমা ৮৯.৬৬ মিটাৰ) নামিছে। ইফালে, দিহিং, দিচাং, ব্ৰহ্মপুত্ৰ আৰু মিটং নদীৰ পানীও হ্ৰাসমুখী হৈছে। জোনগাঁৱত দিহিং নদীৰ পানী(৬ পৃষ্ঠালৈ)









**List of important numbers for every person, all numbers are toll free...**

CM Complaint Portal-181
Electricity Service-1912
Animal Service-1962
Police Service-112,100
Fire Service-101
Ambulance Service-102
Traffic Police-103
Disaster Management-108
Child Line-1098
Railway Inquiry-139
Anti-Corruption-1031
Rail Accident-1072
Road Accident-1073
CM Helpline-1076
Crime Satire-1090
Women Helpline-1091
Earthquake-1092
Child Abuse Help-1098
Farmer Call Center-1551
Citizen Call Center-155300
Blood Bank-9480044444
Cyber Crime-1930

# গোৱালপাৰা চহৰৰ ১৫টা স্থানত ১৯টা চিচিটিভি কেমেৰা স্থাপন

**গণ সংবাদ, গোৱালপাৰা,২৫ জুলাই ঃ**গোৱালপাৰা জিলাৰ মৰনৈস্থিত এভাৰেডী কোম্পানীয়ে সামাজিক দায়বদ্ধতাৰ অংশ হিচাপে গোৱালপাৰা চহৰৰ ১৫টা গুৰুত্বপূৰ্ণ স্থানত মুঠ ১৯টা চিচিটিভি কেমেৰা স্থাপন কৰি গোৱালপাৰাবাসীলৈ এক বিশেষ উপহাৰ আগবঢ়াইছে। আজি বৃহস্পতিবাৰে গোৱালপাৰা নগৰ আৰক্ষী চকীত আয়োজিত এক অনুষ্ঠানত এই চিচিটিভি কেমেৰাসমূহ আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে এভাৰেডী কোম্পানীৰ কৰ্তৃপক্ষই গোৱালপাৰা জিলা আয়ুক্ত প্ৰদীপ টিমুং আৰু জিলা জ্যেষ্ঠ আৰক্ষী অধীক্ষক নৱনীত মহন্তক অসমীয়া ফুলাম গামোচাৰে সম্বৰ্ধনা জনায়। ইয়াৰ পিছতে জিলা আয়ুক্ত আৰু জিলা জ্যেষ্ঠ আৰক্ষী অধীক্ষকে ৰঙা ফিতা খুলি চিচিটিভি কেমেৰাসমূহৰ শুভ উদ্বোধন কৰে। এই উপলক্ষে জিলা আয়ুক্ত প্ৰদীপ টিমুং আৰু জিলা জ্যেষ্ঠ আৰক্ষী অধীক্ষক নৱনীত মহন্তই এভাৰেডী কোম্পানীৰ এই জনহিতঁকৰ পদক্ষেপক আঁদৰণি জনাই গোৱালপাৰাবাসীৰ হৈ ধন্যবাদ জ্ঞাপন কৰে। তেওঁলোকে কয় যে, কোম্পানীটোৰ এই উদ্যোগে চহৰত আইন-শৃংখলা ৰক্ষা, অপৰাধ নিয়ন্ত্ৰণ আৰু পথ দুৰ্ঘটনাৰ তদন্তত আৰক্ষীক যথেষ্ট সহায় কৰিব। ইয়াৰ ফলত সাধাৰণ জনসাধাৰণেও অধিক সুৰক্ষিত পৰিৱেশ লাভ কৰিব। উল্লেখ্য যে, স্থাপন কৰা চিচিটিভি কেমেৰাসমূহৰ নিয়ন্ত্ৰণ কক্ষ গোৱালপাৰা নগৰ আৰক্ষী চকীত স্থাপন কৰা হৈছে। এই ব্যৱস্থাৰ জৰিয়তে চহৰৰ বিভিন্ন গুৰুত্বপূৰ্ণ স্থানৰ ওপৰত ২৪ ঘণ্টাই আৰক্ষীয়ে নজৰদাৰী চলাব পাৰিব। উদ্বোধনী অনুষ্ঠানত জিলা আয়ুক্ত



প্ৰদীপ টিমুং, জিলা জ্যেষ্ঠ আৰক্ষী অধীক্ষক নৱনীত মহন্ত, অতিৰিক্ত আৰক্ষী অধীক্ষক (অপৰাধ শাখা), মৰনৈস্থিত এভাৰেডী কোম্পানীৰ কৰ্তৃপক্ষৰ এটি সঁজাতি দল, গোৱালপাৰা সদৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া পাৰ্থ প্ৰতিম সিংকন, নগৰ আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া ব্ৰজেন মেধী আৰু সাংবাদিকসকল উপস্থিত আছিল।

# আদিংগিৰী পাহাৰ, মাধৱদেৱ নগৰ আৰু ভূতনাথত চুলাই মদৰ বিৰুদ্ধে অভিযান

**গণ সংবাদ, আজাৰা, ২৫ জুলাই ঃ** গুৱাহাটী মহানগৰীক দেশী - বিদেশী অবৈধ সুৰাৰ পৰা মুক্ত কৰাৰ লক্ষ্যৰে কামৰূপ মহানগৰ জিলাৰ আৰকাৰী অধীক্ষক দেৱজিৎ নাথৰ নিৰ্দেশনাত কামৰূপ মহানগৰ জিলাৰ অন্তৰ্গত গুৱাহাটী সদৰকে ধৰি আটাইকেইটা আৰকাৰী চক্ৰ পৰিদৰ্শকৰ কাৰ্যালয়ে দেশী - বিদেশী অবৈধ সুৰাৰ বিৰুদ্ধে অভিযান চলাই আহিছে। ইয়াৰ অংশ হিচাপে আজি পুৱাৰে পৰা দুপৰীয়ালৈ জালুকবাৰী সম জিলাৰ অন্তৰ্গত জালুকবাৰী আবকাৰী চক্ৰ পৰিদৰ্শকৰ কাৰ্যালয়ে জালুকবাৰী সম জিলাৰ উপ আৰকাৰী অধীক্ষক নৈৰিতা বৰুৱাৰ নিৰ্দেশত মালিগাঁৱৰ কাষৰীয়া পাহাৰীয়া অঞ্চল ক্ৰমে আদিংগিৰী আৰু মাধৱদেৱ নগৰত চুলাই মদ প্ৰস্তুত কৰা ভাটীত এক বৃহৎ অভিযান চলায়। জালুকবাৰী আবকাৰী চক্ৰৰ চক্ৰ পৰিদৰ্শক চি কে বৰুৱা আৰু সহকাৰী আবকাৰী পৰিদৰ্শক চাইফুদ্দিন আহমেদৰ নেতৃত্বত মালিগাওঁ আৰক্ষী চকীৰ সহযোগত আৰকাৰী দলটোৱে ৭টা চুলাই মদ প্ৰস্তুত কৰা ভাটী ধ্বংস কৰে। ইয়াৰ উপৰিও একেটা দলে ভূতনাথত চুলাই মদ বিক্ৰেতাৰ বিৰুদ্ধে এক অভিযান চলায়। আনহাতে অভিযানত চুলাই মদ প্ৰস্তুত কাৰ্যত ব্যৱহৃত প্ৰায় প্ৰায় ৬ হাজাৰ কেজি পাছ, ১১০ লিটাৰ চুলাই মদ, মদ প্ৰস্তুত কাৰ্যত ব্যৱহৃত ১৮টা বিভিন্ন ধৰণৰ বাচন - বৰ্তন, সঁজুলি জব্দ কৰা হয়। অভিযানটোত চুলাই মদ প্ৰস্তুত আৰু বিক্ৰীৰ লগত জড়িত চজন লোকক হাতে লোটে আটক কৰা হয়। আটক কৰা লোক চ জনৰ বিৰুদ্ধে অসম আবকাৰী আইন ৫৩(১) ক'ৰ অধীনত বিভাগীয় গোচৰ ৰজু কৰি আদালতলৈ তেওঁলোকক প্ৰেৰণ কৰা হয়। আনহাতে জব্দ কৰা চুলাই মদ আৰু পাছখিনী পাছত বিভাগীয় নিয়মানুসাৰে নষ্ট কৰি পেলোৱা হয়।

# শিৱসাগৰত শেহতীয়া বান পৰিস্থিতিৰ বাবে 'এনকাউণ্টাৰ' নাটকৰ প্ৰদৰ্শন স্থগিত

**গণ সংবাদ, শিৱসাগৰ,২৫ জুলাই ঃ**শিৱসাগৰ জিলাত সৃষ্টি হোৱা ভয়াৱহ বান পৰিস্থিতিৰ বাবে অহা চ আগষ্টত প্ৰদৰ্শন হ'বলগীয়া 'এনকাউণ্টাৰ' নাটখনিৰ মঞ্চস্থ বৰ্তমানৰ বাবে স্থগিত ৰখা হৈছে। সদৌ শিৱসাগৰ জিলা অনুসূচিত জাতি ছাত্ৰ সংস্থাৰ উদ্যোগত আৰু নগৰ সমিতিৰ সহযোগত শিৱসাগৰ যুৱদল প্ৰেক্ষাগৃহত সমাজ ব্যধি ড্ৰাগছৰ বিৰুদ্ধে সজাগতা সৃষ্টিৰ উদ্দেশ্যৰে আজাদ হুছেইনৰ ৰচিত এই নাটখনি প্ৰদৰ্শনৰ ব্যাপক প্ৰস্তুতি চলোৱা হৈছিল। কিন্তু শিৱসাগৰৰ বৰ্তমানৰ শোচনীয় বান পৰিস্থিতি আৰু সৰ্বসাধাৰণ ৰাইজৰ দুৰ্দশাক লক্ষ্য ৰাখি আয়োজক সমিতিয়ে নাটকখনৰ প্ৰদৰ্শনৰ লগতে ইয়াৰ কৰ্মশালাৰ কাৰ্যসূচীও স্থগিত ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। এই সন্দৰ্ভত ছাত্ৰ সংস্থাৰ বিষয়ববীয়াসকলে জানিবলৈ দিয়ে যে জিলাখনৰ পৰিস্থিতি স্বাভাৱিক হোৱাৰ পিছত সমিতিৰ বিষয়ববীয়া আৰু কলা-কুশলীসকলৰ সৈতে আলোচনা কৰি নাটকখন মঞ্চস্থ কৰাৰ নতুন তাৰিখ ঘোষণা কৰা হ'ব। লগতে, এই কঠিন সময়ছোৱাত বিভীষিকাময় পৰিস্থিতিৰ মুখামুখি হোৱা নদীপৰীয়া তথা বানপীড়িত ৰাইজক সজাগ আৰু সচেতন হৈ থাকিবলৈ অনুৰোধ জনোৱাৰ উপৰি সকলোকে ইজনে সিজনক সহায়-সহযোগিতা আগবঢ়াবলৈ আহ্বান জনোৱা হৈছে।

# দৰঙত আৰম্ভ হ'ব জন-গণনাৰ কাম-কাজ

**গণ সংবাদ ষ্টাফ ৰিপৰ্টাৰ পশ্চিম দৰং, ২৫ জুলাই ঃ**সমগ্ৰ ৰাজ্যৰ লগতে দৰং জিলাতো অহা চ আগষ্টৰ পৰা লোকপিয়লৰ অৰ্থৎ জনগণনাৰ কাম-কাজ আৰম্ভ হ'ব। এইবাৰৰ লোকপিয়ল দুটা পৰ্যায়ত অনুষ্ঠিত হ'ব। প্ৰথমবাৰৰ বাবে সম্পূৰ্ণ ডিজিটেল পদ্ধতিৰে পৰিচালিত হ'ব। লোকপিয়ল সফলভাৱে সম্পন্ন কৰাৰ উদ্দেশ্যে দৰং জিলাত ২, ০১৮ গৰাকী গণনাকাৰী বিষয়াৰ লগতে ৩৪১ গৰাকী পৰ্যবেক্ষক নিযুক্তি দিয়া হৈছে। এই বিষয়াসকলৰ প্ৰশিক্ষণ ইতিমধ্যে আৰম্ভ হৈছে আৰু পৰ্যায়ক্ৰমে তিনিদিনীয়াকৈ প্ৰশিক্ষণ প্ৰদানৰ ব্যৱস্থা গ্ৰহণ কৰিছে জিলা প্ৰশাসনে। অহা ২ আগষ্টৰ পৰা লোকপিয়লৰ প্ৰথম পৰ্যায় আৰম্ভ হ'ব আৰু উক্ত দিনাই মোবাইল প'ৰ্টেল httpsÊ. // se.census.gov.in মুকলি হোৱাৰ পাছত জনসাধাৰণে এই প'ৰ্টেলত লগ ইন কৰি নিজৰ পৰিয়ালৰ সদস্য, বাসগৃহ, শিক্ষা, জীৱিকা আদি তথ্য স্ব-ঘোষণাৰ জৰিয়তে নিজেই দাখিল কৰিব পাৰিব। এই স্ব-নথিভুক্তিকৰণ প্ৰক্ৰিয়া ১৫ দিন পৰ্য্যন্ত অব্যাহত থাকিব। ইয়াৰ পাছত ১৭ আগষ্টৰ পৰা গণনাকাৰী বিষয়াসকলে ঘৰে ঘৰে গৈ সংগৃহীত তথ্যসমূহ পৰীক্ষা আৰু সত্যতা নিৰূপণৰ লগতে গৃহ গণনাৰ কাম সম্পন্ন কৰিব। এই পৰ্যায়ৰ কাম ১৫ ছেপ্টেম্বৰৰ ভিতৰত সম্পূৰ্ণ কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। উল্লেখ্য যে এইবাৰৰ লোকপিয়লত মুঠ৲টা প্ৰশ্ন সন্নিবিষ্ট কৰা হৈছেÃ aru ai প্ৰশ্নসমূহৰ উত্তৰ প্ৰতিজন ব্যক্তিয়ে প্ৰদান কৰিব লাগিব। এইবাৰ প্ৰথমবাৰৰ বাবে প্ৰতিটো বাসগৃহৰ জিঅ' টেগিং কৰা হ'ব আৰু প্ৰতিটো ঘৰক এক বিশেষ পৰিচয়সূচক নম্বৰ প্ৰদান কৰা হ'ব। উল্লেখ্য যে ক'ভিড-১৯ মহামাৰীৰ পৰিস্থিতিৰ বাবে ২০২১ চনত দেশত লোকপিয়ল অনুষ্ঠিত কৰিব পৰা হোৱা নাছিল। সেয়ে নিৰ্ধাৰিত সময়তকৈ পাঁচ বছৰৰ ব্যৱধানৰ অন্তত অনুষ্ঠিত হ'বলগীয়া এই লোকপিয়লক বিশেষ গুৰুত্বপূৰ্ণ হিচাপে বিবেচনা কৰা হৈছে। এই লোকপিয়লৰ জৰিয়তে ৰাজ্যখনৰ ভাষা, ধৰ্ম, শিক্ষা, জীৱিকা, বাসস্থান, জনসংখ্যাৰ গাঁথনি, দৰিদ্ৰতা আদি বিভিন্ন সামাজিক-অৰ্থনৈতিক দিশৰ হালনাগাদ তথ্য আহৰণ কৰা সম্ভৱ হ'ব। দৰং জিলা প্ৰশাসনৰ তৰফৰ পৰা দৰং জিলাৰ সকলো নাগৰিককে লোকপিয়লৰ সময়ত গণনাকাৰী বিষয়াসকলক পূৰ্ণ সহযোগিতা আগবড়োৱাৰ লগতে সঠিক আৰু সম্পূৰ্ণ তথ্য প্ৰদান কৰি নিৰ্ভুল তথ্য সংগ্ৰহ নিশ্চিত কৰাত সহযোগিতা আগবঢ়াবলৈ আন্তৰিকতাৰে আহ্বান জনাই। উল্লেখযোগ্য যে, ১৯৪৮ চনৰ লোকপিয়ল আইন আৰু ১৯৯০ চনৰ লোকপিয়ল নিয়ম অনুসৰি এইবাৰৰ লোকপিয়লৰ সমগ্ৰ প্ৰক্ৰিয়াটো পৰিচালিত হ'ব। লগতে লোকপিয়ল সম্পৰ্কীয় ৰাজহুৱা ওজৰ-আপত্তি নিষ্পত্তিৰ বাবে দৰং জিলা প্ৰশাসনে ইতিমধ্যে এক বিশেষ কোষ। গঠন কৰিছে। উল্লেখ্য যে, ২০১১ চনৰ পাছত এয়াই হৈছে দেশৰ সৰ্ববৃহৎ জনসংখ্যা গণনা অভিযান।

# আছাম বিশ্ববিদ্যালয়ত এমাহজোৰা থ্ৰীডি প্ৰিণ্টিং প্ৰশিক্ষণ কাৰ্যসূচীৰ সামৰণি

**শিলচৰ, পিএনচি, ২৫ জুলাই ঃ** স্নাতক ছাত্ৰ-ছাত্ৰীক এডিটিভ মেনুফেকচাৰিং টেকন'লজিৰ ব্যৱহাৰিক দক্ষতাৰে সজ্জিত কৰাৰ লক্ষ্যৰে এমাহজোৰা থ্ৰীডি প্ৰিণ্টিং প্ৰশিক্ষণ কাৰ্যসূচী সফলতাৰে সমাপ্ত কৰিছে আছাম বিশ্ববিদ্যালয়ৰ থ্ৰীডি প্ৰিণ্টিং লেবে। অনুষ্ঠানত গুৰু চৰণ বিশ্ববিদ্যালয় আৰু ৰামানুজ গুপ্ত ডিগ্ৰী মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ (এন ই পি) নিৰ্দেশনা অনুসৰি আয়োজিত এই প্ৰশিক্ষণে স্নাতক পাঠ্যক্ৰমৰ বাধ্যতামূলক ১২০ ঘণ্টীয়া ইণ্টাৰশ্বিপ উপাদানৰ অংশ হিচাপে গঠন কৰিছিল। শ্ৰেণীকোঠাৰ শিক্ষণ আৰু উদ্যোগমুখী ব্যৱহাৰিক প্ৰশিক্ষণৰ মাজৰ ব্যৱধান দূৰ কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলক আধুনিক যোগকৰণ উৎপাদন প্ৰযুক্তিৰ সৈতে পৰিচয় কৰাই দিয়াৰ বাবে এই পদক্ষেপ গ্ৰহণ কৰা হৈছিল। কাৰ্যসূচীৰ সময়ত অংশগ্ৰহণকাৰীসকলে কম্পিউটাৰ-এইডেড ডিজাইন, স্লাইচিং চফটৱেৰ, থ্ৰীডি প্ৰিণ্টিং প্ৰযুক্তি, আৰু ৰিভাৰ্চ ইঞ্জিনিয়াৰিঙৰ হাতে কামে প্ৰশিক্ষণ লাভ কৰে। তেওঁলোকে থ্ৰীডি মডেল ডিজাইন কৰা, স্লাইচিং চফটৱেৰ ব্যৱহাৰ কৰি প্ৰিণ্টিঙৰ বাবে প্ৰস্তুত কৰা, থ্ৰীডি প্ৰিণ্টাৰ চলোৱা, আৰু ৰিভাৰ্চ ইঞ্জিনিয়াৰিঙৰ মৌলিক দিশসমূহকে ধৰি সম্পূৰ্ণ উৎপাদন কাৰ্য্যপ্ৰবাহ বুজি পোৱাৰ ব্যৱহাৰিক অভিজ্ঞতা লাভ কৰে। এই প্ৰশিক্ষণে ছাত্ৰ-ছাত্ৰীসকলৰ কাৰিকৰী জ্ঞান আৰু ব্যৱহাৰিক দক্ষতা যথেষ্ট বৃদ্ধি কৰাৰ লগতে উচ্চ শিক্ষা, গৱেষণা, উদ্ভাৱন, উদ্যোগীকৰণ, আৰু ভৱিষ্যতৰ কেৰিয়াৰৰ সুযোগৰ সৈতে প্ৰাসংগিক উদীয়মান প্ৰযুক্তিৰ সৈতে মূল্যৱান পৰিচয় (৬ পৃষ্ঠালৈ)

Industrial Training Institute
NICE
Skill India
कौशल भारत - कुशल भारत
NICE Group of Institutions
ITI | Polytechnic | Academy
Aff. To SCVT, Govt of Assam
Aicte & UGC Approved Courses
SGSU / SSK / BOSSE
Stenography
Electrician
Fitter
Mmv
Dmc
Surveyor
Copa
MD
Civil
Electrical
Mechanical
Automobile
Computer Sc.
Electronic & Telecom
D. Voc
B. Voc
BA
B Sc
B Com
B. Lib Sc
Admissions Open - 2026
7670008266 | 8723012624 | 7099633745
www.itinice.in
RG Baruah Road, Maniknagar, Guwahati - 781005

Epaper-www.ganasangbad
জনগণৰ অপ্ৰতিৰোধ্য কণ্ঠ
গণ সংবাদ
গুৱাহাটী, কোকৰাঝাৰ আৰু যোৰহাটৰ পৰা প্ৰকাশিত
RNI : ASSASS/2008/27501
SUNDAY, JULY 26, 2026 | দেওবাৰ, ৯ শাওন ১৯৪৭ শকাব্দ


# পাঠশালাত সৰ্বভাৰতীয় পঞ্চায়ত পৰিষদৰ ৰাজ্যিক সমিতিৰ কাৰ্যনিৰ্বাহক সভা সম্পন্ন




**পাঠশালা,২৫ জুলাই ঃ** বজালী পাঠশালাত জিলাৰ আজি সৰ্বভাৰতীয় পঞ্চায়ত পৰিষদৰ অসম ৰাজ্যিক সমিতিৰ কাৰ্যনিৰ্বাহক সভাখন অনুষ্ঠিত হয়। পাঠশালা সাহিত্য সভা ভৱনত অনুষ্ঠিত সভাত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা অহা পৰিষদৰ বিষয়বীয়া আৰু সদস্যসকলে অংশগ্ৰহণ কৰে। সভাত পঞ্চায়তীৰাজ ব্যৱস্থাক অধিক শক্তিশালী কৰা, গ্ৰাম্যসভাৰ ভূমিকা সুদৃঢ় কৰা, স্থানীয় স্ব-শাসন ব্যৱস্থাৰ উন্নয়ন, গ্ৰাম্য উন্নয়নমূলক আঁচনিৰ ফলপ্ৰসূ ৰূপায়ণ আৰু পঞ্চায়তসমূহক অধিক আত্মনিৰ্ভৰশীল কৰি তোলাৰ বিভিন্ন দিশত বিস্তৃত আলোচনা কৰা হয়। সভাত পঞ্চায়তীৰাজ ব্যৱস্থাৰ মূল উদ্দেশ্য সফল কৰাৰ ক্ষেত্ৰত জনসাধাৰণৰ অংশগ্ৰহণ বৃদ্ধি কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ লগতে পঞ্চায়ত প্ৰতিনিধিসকলক অধিক দায়িত্বশীলভাৱে কাম কৰাৰ আহ্বান জনোৱা হয়। উল্লেখ্য যে সৰ্বভাৰতীয় পঞ্চায়ত পৰিষদ ১৯৫৮ চনত প্ৰতিষ্ঠা লাভ কৰা এটা ৰাষ্ট্ৰীয় সংগঠন। মহাত্মা গান্ধী আৰু বলৱণত ৰায় মেহতাৰ আদৰ্শেৰে অনুপ্ৰাণিত এই সংগঠনে 'স্বাভিমানী গ্ৰাম্যসভা, আত্মনিৰ্ভৰ পঞ্চায়ত' শ্ল'গানক সন্মুখত ৰাখি দেশজুৰি পঞ্চায়ত ব্যৱস্থাক শক্তিশালীকৰণৰ বাবে কাম কৰি আহিছে। আজিৰ সভাত ৰাষ্ট্ৰীয় সভাপতি বাল্মীকি প্ৰসাদ সিং, ৰাষ্ট্ৰীয় সম্পাদক আৰিফ আলী, অসম ৰাজ্যিকৰ সভাপতি অৰূপ বৰ্মণ, সম্পাদক কুশল ৰয়, চেক্ৰেটাৰী: গীতু কলিতা, উপ-সভাপতি: কে. উজিৰ, চন্দন ৰয়, সাধাৰণ সম্পাদক: ভাস্কৰ বৰ্মন, ধ্ৰুৱ শৰ্মা, কুশল ৰয় আদিকৰি ৰাজ্যিক সমিতিৰ বিষয়ববীয়াসকল উপস্থিত থাকিব। উপস্থিত থাকে।

# জাগীৰোড মহাবিদ্যালয় (স্বতন্ত্ৰ) ত পাণ্ডুলিপি আৰু সাঁচিপাতৰ ইণ্টাৰ্ণশ্বিপৰ সামৰণি

**গণ সংবাদ, জাগীৰোড ২৫ জুলাই ঃ** জাগীৰোড মহাবিদ্যালয় (স্বতন্ত্ৰ)ৰ 'শংকৰদেৱ অধ্যয়ন কেন্দ্ৰ' আৰু 'ছ'চাইটি ফৰ শ্ৰীমন্ত শংকৰদেৱ', 'আন্তৰ্জাতিক কীৰ্তিচিহ্ন আৰু স্থান পৰিষদ' [International Council on Monuments and Sites, India, North-East Zone] চমুকৈ ICOMOS আৰু আন্তঃৰাষ্ট্ৰীয় শংকৰদেৱ সমাজৰ উদ্যোগত জাগীৰোড মহাবিদ্যালয়ত যোৱা ইং. ৩ জুলাইৰপৰা ২০ জুলাই, ২০২৬ লৈ অসমৰ পৰম্পৰাগত পাণ্ডুলিপি চিত্ৰকলা আৰু সংৰক্ষণৰ জ্ঞানক নতুন প্ৰজন্মৰ মাজলৈ আগবঢ়াই নিবলৈ জাগীৰোড মহাবিদ্যালয়ত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলৰ উপযোগী হোৱাকৈ নতুন শিক্ষানীতিৰ আধাৰত 'Manuscript and Manuscriptology' বিষয়ত এক বিশেষ ইণ্টাৰ্ণশ্বিপ কাৰ্যসূচীৰ আয়োজন কৰা হৈছিল। উক্ত অনুষ্ঠানত পৰম্পৰাগত সাঁচিপাত প্ৰস্তুতকৰণ, প্ৰাকৃতিক ৰং যেনে - হেঙুল, হাইতাল আদিৰ ব্যৱহাৰ, পৰম্পৰাগত চিত্ৰকলা, পাণ্ডুলিপিৰ নথিকৰণ, সংৰক্ষণ আৰু ডিজিটাইজেচনৰ প্ৰাথমিক জ্ঞান প্ৰদান কৰা হৈছিল। এই প্ৰশিক্ষণ কাৰ্য্যসূচীৰ জৰিয়তে বিশ্ব ঐতিহ্যৰ অমূল্য সম্পদ অসমৰ সাঁচিপতীয়া পুথি আৰু শংকৰী চিত্ৰশৈলীক ICOMOS ৰ দৰে আন্তৰ্জাতিক সংস্থাৰ সহযোগত ছাত্ৰ-ছাত্ৰী সকলক হাতে-কামে প্ৰশিক্ষণ দি ভৱিষ্যতৰ ঐতিহ্য সংৰক্ষক হিচাপে গঢ়ি তুলিব বুলি ছ'চাইটি ফৰ শ্ৰীমন্ত শংকৰদেৱে আশা ব্যক্তি কৰি, সফল প্ৰশিক্ষাৰ্থীক ছ'চাইটি ফৰ শ্ৰীমন্ত শঙ্কৰদেৱ, ICOMOS আৰু জাগীৰোড মহাবিদ্যালয় (স্বতন্ত্ৰ)ৰ শংকৰদেৱ অধ্যয়ন কেন্দ্ৰৰ যুটীয়া সহযোগত ৫৫ গৰাকী ছাত্ৰ-ছাত্ৰীক সফলতাৰে পাঠ্যক্ৰমটো সম্পূৰ্ণ কৰাৰ বাবে ২২ জুলাই, ২০২৬ তাৰিখে প্ৰমাণপত্ৰ প্ৰদান কৰা হয়। জাগীৰোড মহাবিদ্যালয়ৰ শংকৰদেৱ অধ্যয়ন কেন্দ্ৰৰ যুটীয়া সমন্বয়ক ডঃ কণিমা পাঠকৰ তত্বাৱধানত সম্পন্ন হোৱা এই পাঠ্যক্ৰমটোৰে অংশগ্ৰহণকাৰী ছাত্ৰ-ছাত্ৰী তথা ভৱিষ্যত প্ৰজন্মৰ বাবে শংকৰদেৱ গুৰুজনাৰ সৃষ্টি আপুৰুগীয়া সম্পদ পাণ্ডুলিপি আৰু সাঁচিপাতৰ সংৰক্ষণ আদি বিভিন্ন দিশৰ মহৎ কাৰ্য সাধন কৰিব। ডঃ পাঠকে জাগীৰোড মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ ভবেন চন্দ্ৰ নেওগ সক্ৰিয় সহযোগিতা তথা তেখেতৰ উত্তৰ প্ৰজন্মৰ বাবে দূৰদৰ্শী মহৎ চিন্তা আৰু প্ৰচেষ্টাৰ বাবে এনেধৰণৰ কাম সাধিত হৈছে বুলি মত প্ৰকাশ কৰে। পাঠ্যক্ৰমটোৰ শেষৰ দিনা অংশগ্ৰহণকাৰী ছাত্ৰ -ছাত্ৰীসকলেও নিজৰ নিজৰ মত ব্যক্ত কৰি ভৱিষ্যতৰ তেওঁলোকৰ পাণ্ডুলিপি অধ্যয়ন আৰু সাঁচিপাতৰ সংৰক্ষণৰ ক্ষেত্ৰত নিজৰ নিজৰ দায়িত্ব, কৰ্তব্যবোধৰ কথা ব্যক্ত কৰে। জাগীৰোড মহাবিদ্যালয় (স্বতন্ত্ৰ) ত শংকৰদেৱৰ বিদ্যায়তনিক ক্ষেত্ৰত শুদ্ধভাৱে অধ্যয়ন আৰু গৱেষণাৰ উদ্দেশ্যেৰে স্থাপন হোৱা 'শংকৰদেৱ অধ্যয়ন কেন্দ্ৰ ' আৰু জাগীৰোড মহাবিদ্যালয়ৰ অসমীয়া বিভাগে ছ'চাইটি ফৰ শ্ৰীমন্ত শঙ্কৰদেৱ আৰু ঢট্ৰখত্তখত্ৰ ৰ সৈতে বুজাবুজি চুক্তি পত্ৰ [ MoU]ত স্বাক্ষৰ কৰে। পাণ্ডুলিপি আৰু পাণ্ডুলিপি বিজ্ঞান বিষয়টো সকলোৱে অধ্যয়ন কৰিব পৰাকৈ Add-on course হিচাপে আগন্তুক দিনত যুটীয়াভাৱে মহাবিদ্যালয়খনত অন্তৰ্ভুক্ত কৰা হ'ব বুলিও তেওঁলোকে ব্যক্ত কৰে। সেই অনুষ্ঠানত পাঠ্যক্ৰমটোত অংশগ্ৰহণ কৰা প্ৰমাণ -পত্ৰ প্ৰাপ্ত ৫৫ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ কাৰ্য আৰু বিভিন্ন সত্ৰীয়া শৈলীৰ পৰম্পৰাগত চিত্ৰ, সাঁচিপাতত চিত্ৰ অংকন, সাঁচিপাত প্ৰস্তুত, প্ৰাকৃতিক ৰং হেঙুল-হাইতাল-শিলিখা-আমলখি আদি ব্যৱহাৰ কৰি বিভিন্ন পৰম্পৰাগত শংকৰী শৈলীৰ চিত্ৰকলা প্ৰদৰ্শনেৰে প্ৰায় ৪৫০খন চিত্ৰৰ এক সুন্দৰ প্ৰদৰ্শনী কৰে। শংকৰদেৱ অধ্যয়ন কেন্দ্ৰৰ যুটীয়া সমন্বয়ক ডঃ কণিমা পাঠকে আঁত ধৰা এই অনুষ্ঠানটোত জাগীৰোড মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ ভবেন চন্দ্ৰ নেওগ দেৱে ছাত্ৰ-ছাত্ৰী আৰু সমাজক উদ্দেশ্যি পাঠ্যক্ৰমটোৰ গুৰুত্ব সম্পৰ্কে বক্তৃতা দিয়াৰ লগতে ছাত্ৰ-ছাত্ৰীসকলক শুভাশীষ প্ৰদান কৰে। আন্তঃৰাষ্ট্ৰীয় শঙ্কৰদেৱ সমাজৰ সভাপতি ডঃ সঞ্জীৱ কুমাৰ বৰকাকতিদেৱ আৰু পাঠ্যক্ৰমটোৰ মূল প্ৰশিক্ষক তথা সাঁচিপাতৰ শিল্পী মৃদু মৌচম বৰাদেৱেও ছাত্ৰ-ছাত্ৰীসকলক পাঠ্যক্ৰমটোৰ ভৱিষ্যতৰ সম্ভাৱনাৰ সম্পৰ্কে সুস্পষ্ট সুন্দৰ বক্তব্য প্ৰদান কৰে। জাগীৰোড মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাক্তন মুৰব্বী তথা জাগীৰোড মহাবিদ্যালয় (স্বতন্ত্ৰ)ৰ পৰীক্ষা নিয়ন্ত্ৰক ডঃ হাবীবুৰ ৰহমানদেৱে সভাখন পৰিচালনা কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যে ভাষণ প্ৰদান কৰে। উক্ত অনুষ্ঠানটোত জাগীৰোড মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি ডাঃ পুনিৰাম পাতৰ দেৱে এই অনুষ্ঠানটো অনুষ্ঠিত কৰাৰ বাব উদ্যোক্তা সকলৰ শলাগ লয়। অনুষ্ঠানত ভূগোল বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক ডঃ খগেন শৰ্মা, শংকৰদেৱ অধ্যয়ন কেন্দ্ৰৰ যুটীয়া সমন্বয়ক ডঃ গাৰ্গী ফুকন আৰু অসমীয়া বিভাগৰ ডঃ শেষাদ্ৰী গোস্বামী উপস্থিত থাকি অনুষ্ঠানটোৰ প্ৰতি শুভাশীষ দিয়াৰ লগতে ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যে ভাষণ প্ৰদান কৰে। অনুষ্ঠানটো আৰম্ভণিতে স্নাতক প্ৰথম ষাণ্মাসিকৰ ছাত্ৰী ময়ূৰী বৰাই শ্ৰী শ্ৰীশংকৰদেৱ বিৰচিত এটা বৰগীত পৰিৱেশন কৰে আৰু তেওঁক ৪ৰ্থ ষাণ্মাসিকৰ ছাত্ৰ মিলন জ্যোতি ডেকাই সহযোগ কৰে। অনুষ্ঠানত ৪ৰ্থ ষাণ্মাসিকৰ ছাত্ৰী পূজা ডেকাই এটা সুন্দৰ সত্ৰীয়া নৃত্য প্ৰদৰ্শনেৰে সকলোকে আপ্লুত কৰে। সভাৰ শেষত ডঃ পাঠকে সকলোকে শলাগ লয়।

# যুক্তৰাজ্য অসম সাহিত্য সভাৰ সাহিত্য দিৱসত অধ্যাপিকা নীলিমা ভাগৱত

**গুৱাহাটী,২৫ জুলাই ঃ** গুৱাহাটী বিশ্ববিদ্যালয়ৰ শিক্ষা বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা নীলিমা ভাগৱতীয়ে যুক্তৰাজ্যৰ নিউ কাচেল চহৰত নৰ্থ চিল্ডত অলপতে অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ এখন সম্মিলনৰ লগতে যুক্তৰাজ্য অসম সাহিত্য সভাৰ ২৮ সংখ্যক সাহিত্য দিৱসতো অতিথি বক্তা হিচাপে অংশগ্ৰহণ কৰে। যুক্তৰাজ্য অসম সাহিত্য সভা চমুকৈ এএছএছইউকেৰ সভানেত্ৰী গীতা বৰুৱাই পতকা উত্তোলন কৰি কাৰ্যসূচীৰ শুভাৰম্ভ কৰা সাহিত্য দিৱসৰ অনুষ্ঠানৰ আঁতধৰে সম্পাদিকা জাহ্নৱী গগৈয়ে। এই অনুষ্ঠানত প্ৰৱাসী অসমীয়াসকলে শিক্ষা আৰু গৱেষণাৰ ক্ষেত্ৰখনলৈ অৱদান আগবঢ়াই ৰাষ্ট্ৰীয় বঁটা লাভ কৰি অসমলৈ গৌৰৱ কঢ়িয়াই অনা অধ্যাপিকা নীলিমা ভাগৱতীক সম্বৰ্ধনা জনায়। অনুষ্ঠানত ভাষণ দি অধ্যাপিকাগৰাকীয়ে অসমৰ বিকাশৰ বাবে ৰূপৰেখা প্ৰস্তুতত গুৰুত্ব দিয়ে। অসমীয়া ভাষা-সংস্কৃতি-পৰম্পৰা যাতে বিদেশতো অক্ষুণ্ণ থাকে তাৰ বাবে যুক্তৰাজ্যত থকা অসমীয়াসকলে কৰি অহা কাম-কাজৰো তেওঁ শলাগ লয়। বিদেশৰ বুকুত সন্তানক মাতৃভাষাৰ গুৰুত্ব উপলব্ধি কৰাবলৈ, অসমীয়া ভাষা-সংস্কৃতিৰ ৰক্ষাৰ বাবে কাম কৰিবলৈ **(৬ পৃষ্ঠালৈ)**

# লংকেশ্বৰত অচিনাক্ত মৃতদেহ উদ্ধাৰ

**গণ সংবাদ, আজাৰা, ২৫ জুলাই ঃ** গুৱাহাটী মহানগৰীৰ জালুকবাৰী আৰক্ষী চকীৰ অন্তৰ্গত লংকেশ্বৰৰ সমীপৰ মিছনেৰী অৱ চেৰিটিৰ শান্তিদানৰ সন্মুখত ২১ জুলাইত দিনৰ ভাগত এজন অচিনাক্ত লোকৰ মৃতদেহ উদ্ধাৰ কৰে আৰক্ষীয়ে। প্ৰায় ৫০ বছৰ বয়সৰ পাঁচ ফুট চাৰি ইঞ্চি উচ্চতাৰ সেউজীয়া ৰঙৰ চোলা আৰু কলা হাফপেণ্ট পৰিহিত মিঠা বৰণৰ লোকজনক এই পৰ্যন্ত চিনাক্ত কৰিব পৰা হোৱা নাই। জানিব পৰা মতে কোনোৱে লোকজনক তাত মৃত অৱস্থাত প্ৰত্যক্ষ কৰি জালুকবাৰী আৰক্ষী চকীত খবৰ দিয়াত কিছু সময় পাছতে এটা আৰক্ষীৰ দল আহি মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে জি এম চি এইচলৈ প্ৰেৰণ কৰে। আনহাতে আজি মৰণোত্তৰ পৰীক্ষাৰ অন্তত মৃতদেহটো ৭২ ঘণ্টাৰ চিনাক্তকৰণৰ বাবে মৰ্গত ৰখা হৈছে বুলি আৰক্ষীয়ে জানিবলৈ দিছে। এই সন্দৰ্ভত ভাৰতীয় ন্যায় সংহিতাৰ আধাৰত এটা অস্বাভাৱিক মৃত্যুৰ গোচৰ ৰজু কৰি তদন্ত আৰম্ভ কৰিছে আৰক্ষীয়ে।

# পিয়াৰলেছ হাস্পতাল গুৱাহাটীৰ প্ৰথম প্ৰতিষ্ঠা দিৱস, এটা বছৰৰ মানৱীয় চিকিৎসাসেৱাৰ যাত্ৰা উদযাপন

**গুৱাহাটী; ২৫ জুলাই ঃ** উন্নত চিকিৎসাসেৱা আৰু ৰোগীৰ নিৰাপত্তাৰ প্ৰতি থকা প্ৰতিশ্ৰুতি অধিক দৃঢ় কৰি প্ৰথম প্ৰতিষ্ঠা দিৱস পালন কৰিলে পিয়াৰলেছ হাস্পতাল গুৱাহাটীয়ে। ২০২৫ চনৰ ২১ জুলাইত উদ্বোধন হোৱাৰ পিছত এটা বছৰ পূৰ্তি উপলক্ষে হাস্পতাল খনে একাধিক আভ্যন্তৰীণ উদযাপন, কৰ্মীসকলৰ অংশগ্ৰহণমূলক কাৰ্যসূচী আৰু সমাজমুখী নানা উদ্যোগৰ আয়োজন কৰে। মানৱীয় চিকিৎসাসেৱা, চিকিৎসাৰ উৎকৰ্ষ আৰু ৰোগীকেন্দ্ৰিক সেৱাৰ প্ৰতি প্ৰতিষ্ঠানটোৰ থকা প্ৰতিশ্ৰুতিও এই আয়োজনৰ জৰিয়তে প্ৰতিফলিত হয়। উল্লেখ্য যে, প্ৰতিষ্ঠা দিৱসৰ এই আয়োজনে চিকিৎসক, নাৰ্ছ, প্ৰশাসনিক কৰ্মী আৰু সহায়ক কৰ্মীসকলক একত্ৰিত কৰি পাৰস্পৰিক সহযোগিতা, ঐক্য আৰু দলগত কাৰ্যৰ এক প্ৰাণৱন্ত পৰিৱেশ গঢ়ি তোলে। কৰ্মীসকলৰ মাজত দলগত মনোভাৱ অধিক শক্তিশালী কৰিবলৈ ক্ৰিকেট আৰু আৰ্ম ৰেছলিং আদিকে ধৰি একাধিক ক্ৰীড়া প্ৰতিযোগিতাৰ আয়োজন কৰে হাস্পতালখনে। ৰোগীৰ নিৰাপত্তাক কেন্দ্ৰ কৰি অনুষ্ঠিত চিত্ৰাঙ্কন প্ৰতিযোগিতায়ো নিৰাপদ, মানসম্পন্ন আৰু দায়িত্বশীল চিকিৎসাসেৱা প্ৰদানৰ প্ৰতি হাস্পতালখনৰ অব্যাহত প্ৰতিশ্ৰুতিক আগুৱাই আনে। প্ৰতিষ্ঠা দিৱস উপলক্ষে স্থানীয় ৰাইজৰ বাবে কেইবাটাও বিশেষ চিকিৎসাসেৱা সুবিধাৰ ঘোষণাও কৰে পিয়াৰলেছ হাস্পতাল গুৱাহাটীয়ে। উন্নত চিকিৎসাসেৱা অধিক লোকৰ বাবে সহজলভ্য কৰি তোলাৰ প্ৰতিশ্ৰুতি পুনৰ ব্যক্ত কৰিয়েই এই উদ্যোগ গ্ৰহণ কৰে হাস্পতাল খনে। ঘোষিত সুবিধাসমূহৰ ভিতৰত আছে জেনেৰেল মেডিচিন, অৰ্থ'পেডিক্স, জেনেৰেল চাৰ্জাৰী আৰু নিউৰ'কেয়াৰ বিভাগত মাত্ৰ ১০০ টকাৰে ছুপাৰ-স্পেচিয়েলিটি পৰামৰ্শ, সকলো ধৰণৰ স্বাস্থ্য পৰীক্ষা পেকেজত ৰপ্ত শতাংশ ৰেহাই, বিলৰ পৰিমাণ অনুসৰি ইচিজি, ৰেডিঅ'লজী আৰু হাস্পতাল খনৰ নিজা তেজ পৰীক্ষাত সৰ্বোচ্চ ২৫ শতাংশ পৰ্যন্ত বিশেষ ৰেহাই, আৰু ৩৫ হাজাৰ টকাৰ পৰা লেপাৰ'স্কপিক গল ব্লাডাৰ অস্ত্ৰোপচাৰৰ সুবিধা (চৰ্তসাপেক্ষে প্ৰযোজ্য)। হাস্পতালখনে জানিবলৈ দিয়া মতে, চলিত বৰ্ষৰ চৰ জুলাইৰ পৰা ৩১ জুলাই পৰ্যন্ত এই বিশেষ সুবিধাসমূহ কাৰ্যকৰী হৈ থাকিব। ইফালে, প্ৰতিষ্ঠা দিৱসৰ এই উদযাপন পাৰ হৈ যোৱা এটা বছৰৰ যাত্ৰালৈ ঘূৰি চোৱাৰো এক বিশেষ উপলক্ষ হৈ পৰে। ৰাজ্যৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ হাতত উদ্বোধন হোৱাৰ পিছৰে পৰা পিয়াৰলেছ হাস্পতাল গুৱাহাটীয়ে ধীৰে ধীৰে অসম আৰু উত্তৰ-পূৰ্বাঞ্চলত মানসম্পন্ন চিকিৎসাসেৱাৰ এক নিৰ্ভৰযোগ্য প্ৰতিষ্ঠান হিচাপে নিজৰ অৱস্থান আৰু অধিক সুদৃঢ় কৰিছে। অভিজ্ঞ চিকিৎসক, আধুনিক আন্তঃগাঁথনি আৰু মানৱীয় ৰোগীসেৱাৰ সমন্বয়ত হাস্পতাল খনে উন্নত চিকিৎসাসেৱা প্ৰদান কৰি আহিছে। এই উপলক্ষে পিয়াৰলেছ হাস্পতাল গুৱাহাটীৰ মুখ্য কাৰ্যনিৰ্বাহক বিষয়া ডাঃ গৌতম কে দাসে কয়, "পিয়াৰলেছ হাস্পতাল গুৱাহাটীৰ যাত্ৰাত প্ৰথম প্ৰতিষ্ঠা দিৱস এক অত্যন্ত গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি। এবছৰ আগতে হাস্পতালখনৰ যাত্ৰা আৰম্ভ কৰাৰ সময়ত আমাৰ এটাই লক্ষ্য আছিল- অসম আৰু উত্তৰ-পূৰ্বাঞ্চলৰ ৰাইজৰ বাবে মানসম্পন্ন চিকিৎসাসেৱা অধিক সহজলভ্য কৰি তোলা। আজি সেই লক্ষ্যই লাহে লাহে বাস্তৱৰ ৰূপ লৈছে। নানা প্ৰত্যাহ্বান আৰু সাফল্যৰ প্ৰতিটো অধ্যায়ত আমাৰ উৎসৰ্গিত কৰ্মীদলে মানৱীয়, নৈতিক আৰু ৰোগীকেন্দ্ৰিক চিকিৎসাসেৱা প্ৰদানৰ প্ৰতিশ্ৰুতি অটুট ৰাখিছে। আমাৰ প্ৰতিগৰাকী সহকৰ্মী, ৰোগী আৰু শুভাকাংক্ষীৰ প্ৰতি আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। তেওঁলোকৰ আস্থা আৰু অবিচল সমৰ্থনেই আমাক আগুৱাই যোৱাৰ শক্তি যোগাইছে। এই গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি উদযাপনৰ মুহূৰ্তত চিকিৎসাসেৱাৰ মান আৰু অধিক উন্নত কৰা আৰু উৎকৰ্ষৰ সৈতে সমাজৰ মানুহৰ সেৱা কৰি যোৱাৰ প্ৰতিশ্ৰুতি লৈয়েই আমি আগন্তুক দিনবোৰৰ দিশে আগবাঢ়িছোঁ।"পাৰ হৈ যোৱা এটা বছৰত পিয়াৰলেছ হাস্পতাল গুৱাহাটীয়ে একাধিক বিশেষায়িত বিভাগত চিকিৎসাসেৱাৰ পৰিসৰ আৰু অধিক বিস্তৃত কৰিছে। একে সময়তে ৰোগীকেন্দ্ৰিক চিকিৎসা ব্যৱস্থাকো অধিক শক্তিশালী কৰি তুলিছে হাস্পতালখনে। বৈজ্ঞানিক প্ৰমাণভিত্তিক চিকিৎসা, আধুনিক ৰোগ নিৰ্ণয় ব্যৱস্থা আৰু ব্যক্তিকেন্দ্ৰিক চিকিৎসাসেৱাৰ ওপৰত গুৰুত্ব প্ৰদান কৰিয়েই কাম কৰি গৈছে হাস্পতালখনে। ইয়াৰ ফলত উন্নতমানৰ চিকিৎসাসেৱা এতিয়া ঘৰৰ কাষতেই পোৱাৰ সুবিধা লাভ কৰিছে ৰোগীসকলে। দ্বিতীয় বৰ্ষত পদাৰ্পণ কৰাৰ লগে লগে পিয়াৰলেছ হাস্পতাল গুৱাহাটীয়ে ক্লিনিকেল উৎকৰ্ষ, উদ্ভাৱন, ৰোগীৰ নিৰাপত্তা আৰু সমাজৰ সামগ্ৰিক সুস্থতাৰ প্ৰতি নিজৰ প্ৰতিশ্ৰুতি পুনৰ ব্যক্ত কৰে। অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ ৰাইজৰ বাবে আধুনিক আৰু উন্নত চিকিৎসাসেৱা অধিক সহজলভ্য কৰি তোলাৰ লক্ষ্য লৈয়েই হাস্পতাল খনে নিজৰ যাত্ৰা অব্যাহত ৰাখিছে।

# ধমধমাত বানাক্ৰান্তক সাহায্যৰ বাবে অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদ তৎপৰ

**গণ সংবাদ, ঘগ্ৰাপাৰ, ২৫ জুলাই ঃ** উজনি অসমৰ ভয়াবহ বান পৰিস্থিতিত ক্ষতিগ্ৰস্ত হাজাৰ হাজাৰ পৰিয়ালৰ সহায়ৰ বাবে আগবাঢ়িছে অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদৰ ধমধমা শাখা। আজি নলবাৰীৰ ধমধমা অঞ্চলত বান সাহায্য সংগ্ৰহ অভিযান চলাই স্থানীয় ব্যৱসায়ী আৰু সাধাৰণ ৰাইজৰ পৰা আৰ্থিক সহায় সংগ্ৰহ কৰে সংগঠনটোৱে। উল্লেখ্য যে উজনি অসমৰ বান দুৰ্যোগত ক্ষতিগ্ৰস্ত পৰিয়ালসমূহৰ কাষত থিয় দিবলৈ অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদ (এবিভিপি) ধমধমা শাখাই আৰম্ভ কৰিছে এক বিশেষ বান সাহায্য সংগ্ৰহ অভিযান। হাতত দানপাত্ৰ লৈ ধমধমা বজাৰ, বিভিন্ন ব্যৱসায়িক প্ৰতিষ্ঠান আৰু শনিবৰীয়া অৰ্ধসাপ্তাহিক বজাৰত উপস্থিত হৈ ছাত্ৰ-ছাত্ৰী **(৬ পৃষ্ঠালৈ)**

## মুখ্য সম্পাদকৰ একলম...

২৬ জুলাই, দেওবাৰ, ২০২৬



# মানুহ আৰু প্ৰকৃতি ঋতুৰে ঋতুৰে ৰং

মানুহ আৰু প্ৰকৃতি, , , , প্ৰকৃতি আৰু মানুহ, , , , , ইটোৰ লগত আনটোৰ সম্পৰ্ক কৌটি কলীয়া। প্ৰকৃতিৰ কোলাত মানুহৰ জন্ম। মানুহৰ কোলাত প্ৰকৃতি নহয়। তথাপিও ইটো আনটোৰ পৰিপূৰক। মানুহক সুখী কৰিবলৈ প্ৰকৃতিৰ সৃষ্টি। কিন্তু যাৰ কোলাত জনমিলো, , তাকেই ধ্বংসৰ গৰাহলৈ ঠেলি দিয়া প্ৰাণী টোৱেই হ'ল, , মানুহ, , , ।

প্ৰকৃতিয়ে আমাক যি নান্দনিক পৰিৱেশ দিয়ে, সেয়া অইন কোনেও দিব নোৱাৰে। অথচ সেই প্ৰকৃতিকে আমি অৱহেলা কৰো। বুকুত হাত থৈ শতকৰা নৱৈ শতাংশ লোকেই আজি কালি কোনেও ক'ব নোৱাৰিব আমি প্ৰকৃত মানুহ হৈ আছোঁ নে নাই? মানুহৰ মানসিকতা মানুহৰ পৰা অমানুহলৈ ৰূপান্তৰিত হোৱা এই প্ৰক্ৰিয়াটোৰ অভিধা কি হ'ব সেইটোও চাগৈ ক'ব নোৱাৰিম। সঁচা ভালপোৱাৰ মাজত ঘৃণা থাকে জানো? কেৱল তাচ্ছিল্য সূচক কথাৰে আমি ইজনে সিজনক দিনে ৰাতিয়ে উপহাসেই কৰি থাকো কিয় বাৰু? মানুহৰ মনুষ্যত্বয বৈশিষ্ট্য্য ক'ত, , , , , । সৰলতা, পবিত্ৰতা দিব্যতা আৰু সূক্ষ্ম ব্যক্তিত্ববোধ আমাৰ নোহোৱা হৈ গ'ল নেকি? সেই বোৰ জনাৰ পিছতো কিয় এই তুচ্ছ তাচ্ছিল্য বাৰু?

এতিয়া মাঘ মাহ। পবিত্ৰ মাঘমাহ। ধৰ্ম কৰ্ম পুণ্য অৰ্জনৰ মাহ। গাৱে ভূপেন সবাহ উৎসৱৰ পৰা যজ্ঞ উদযাপনলৈ কৰে এই মাহটোত ভালেমান তিথি উদযাপিত হয়। মাঘী পূৰ্ণিমাৰ পৰা গ্ৰাম্যাঞ্চলত হোম সবাহ সকলোতে সুস্থ চিন্তা চৰ্চা ৰ এক আদৰ্শ অনুভূত হয়। এনে পৰিৱেশে মানুহক আনন্দ দিয়ে। এই সময়তেই প্ৰকৃতিয়ে ও আমালৈ কঢ়িয়াই আনে প্ৰকৃতিৰ অপৰূপ নান্দনিক শোভা। গছ লতিকাই নতুন পাত পৰিধান কৰি বাট চাই থাকে ফাগুনৰ ধূলিয়ৰি সময়ৰ মাজলৈ যেন এজাক পাতলীয়া বৰষুণ আগমণ ঘটে, , , । আৰু এপযেক পাছতেই বসন্ত ঋতুৰ বা বৈ আহিব প্ৰকৃতিক আৰু অধিক মোহনীয় কৰি তুলিবলৈ। ফাগুনৰ প্ৰথম পযেকতে প্ৰকৃতিৰ নান্দনিকতা আৰু মায়াময় হৈ পৰিব।

বিশ্বায়নৰ ধামখুমীয়াত চাগৈ আমি প্ৰকৃতিৰ সৌন্দৰ্য ম্লান কৰিবলৈ গৈ আছোঁ। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা ই আমাক বহুত দিছে। বিজ্ঞানে প্ৰকৃতি ধ্বংস কৰিবলৈ কেতিয়াও কোৱা নাই। প্ৰকৃতিৰ অনন্য ৰূপৰ পোহাৰ মেলি প্ৰকৃতি প্ৰেমীক হাত বাউল দি মাতি থকা উত্তৰ পূৰ্বাঞ্চলৰ পাহাৰী ৰাজ্য কেইখনমানৰ কথাকেই ভাবকচোন? অসমৰ বাহিৰে কোনো এখন ৰাজ্যতে ই প্ৰকৃতিৰ অপৰূপ সৌন্দৰ্য ধ্বংস স্তূপত পৰিণত হোৱা নাই। কাৰণ সেইবোৰ অঞ্চলৰ জাতি জনজাতিৰ সকলে নিজকে প্ৰকৃতিৰ সন্তান বুলি দাবী কৰে। প্ৰকৃতি ধ্বংস কৰিবলৈ লোৱা সকলক তেওঁলোকে শত্ৰু বুলি গণ্য কৰে। পিছে আমাৰ অসমত ইয়াৰ ব্যতিক্ৰমী কাণ্ড কাৰখানাই প্ৰকৃতি প্ৰেমীক নিৰুৎসাহ হে কৰিছে। আমাৰ ৰাজ্যখনত চলিথকা তুচ্ছ তাৎচিল্যসূচক কিছুমান সংঘটনে আমাৰ মানসিকতাক কিমান পিচুৱাই লৈ গৈ আছে সেই কথা কিন্তু উপলব্ধি কৰিবলৈ কাৰো সঁহাৰি নাই। তাৰ পিছতো দেশখনৰ নান্দনিকতা কিন্তু নিশ্চিহ্ন হৈ যোৱা নাই। মহানগৰীয় জীৱন যাপনৰ চিন্তা চৰ্চাত আমি নিমজ্জিত হৈ পৰিছো। কিন্তু এই কথা আমাৰ মনলৈ অহা নাই, , , প্ৰকৃতি ধ্বংস কৰি যে আমি নিজে নিজে ধ্বংস যজ্ঞ কৰিবলৈ গৈ আছোঁ। আমাৰ মনত এতিয়া প্ৰশ্নৰ উদয় হৈছে, , বিশ্বায়নৰ ধামখুমীয়াত নতুন প্ৰজন্ম ই অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ পৰম্পৰাগত ভাৱে চলি অহা লোক কৃষ্টি তথা পৰম্পৰা ৰ স্বকীয় বৈশিষ্ট্য বোৰ বৰ্তাই ৰাখিবলৈ কিবা যত্ন অথবা চেষ্টা কৰিছোঁ নে? প্ৰকৃতি ঈশ্বৰৰ দান যদিও ইচ্ছা কৰিলে মানুহে প্ৰকৃতি ৰূপ অক্ষুণ্ণ ৰাখিব পাৰে। প্ৰাকৃতিক পুনৰ্জীৱিত কৰিবলৈ হ'লে আমি প্ৰকৃতি প্ৰেমী হ'ব লাগিব। শাওণৰ বোকা পানী ৰ মাজতেই আমি প্ৰকৃতিৰ সান্নিধ্য পাবলৈ যত্ন পৰ হ'ব লাগিব। তেনে কৰিলে কিজানি প্ৰকৃতিৰ ৰং ৰূপৰ সৌন্দৰ্য উপভোগ কৰিবলৈ সক্ষম হ ওৱেই। পৰিৱেশ পৰিস্থিতি কেনেকৈ সলনি হৈছে এটা স্বাক্ষুক অভিজ্ঞতাৰ উল্লেখ কৰিলো, , , , , , , , , প্ৰতিটো ঋতুৰে দি যায় নতুন নতুন ৰং। ঋতুৰে ঋতুৰে প্ৰকৃতিৰ জীৱ জন্তু গছ গছনিৰো বৰণ সলায়। প্ৰকৃতিৰ এনে অনিন্দ সুন্দৰক মানুহে বাধা দি ৰাখিব নোৱাৰে। প্ৰকৃতিয়ে মানুহ জীৱ জন্তু আদিৰ একো ক্ষতি নকৰে। বৰং মানুহে প্ৰকৃতি ধ্বংস হে কৰে নিজৰ স্বাৰ্থৰ বাবে। মানুহৰ যেনেকৈ অনাবিল আনন্দ আছে ভালপোৱা থাকে, প্ৰকৃতিৰো আছে তেনে ভাপোৱা। ঋতুৰে ঋতুৰে প্ৰকৃতিৰ ৰূপ সলনি হোৱা কাৰ্যটো চাই কেনে বিমল আনন্দ অনুভূত হয়, , , সেয়া ভাষাৰে বুজাব নোৱাৰি। কেৱল অনুভৱ হে কৰিব পাৰি। প্ৰকৃতি হৈছে বিশ্ব নিয়ন্তাৰ শ্ৰেষ্ঠ চিত্ৰশিল্পী। যি চিত্ৰৰ ৰূপ আৰু ৰঙে আমাৰ মন ৰঙীন কৰি তোলে। লাহে লাহে প্ৰকৃতি সলনি হবলৈ বাধ্য হৈছে, , বাধ্য হ'বলৈ আমি প্ৰকৃতিক বাধ্য কৰাইছো। অকল প্ৰকৃতিৰ ৰঙেই নহয় মানুহৰ জীৱনৰ ! মনৰ ৰঙো সলনি হৈছে, আমাৰ মানসিকতা ও সলনি হৈছে। ইচছা কৰিলে মানুহে প্ৰকৃতিৰ ৰূপ অব্যাহত ৰাখিব পাৰে, , , , , । প্ৰকৃতিৰ এনে ৰূপ ৰং দেখা পাবলৈ চাগৈ কিছু বছৰ পিছত ভাগ্য লাগিব। আমাৰ শোৱনি কোঠাৰ পৰা পঞ্চাশ মিটাৰ আঁতৰত আছে এডাল শিমলু গছ। দক্ষিণ ফালে পঞ্চাশ মিটাৰ আঁতৰত আছে এজোপা এজাৰ গছ। নাতি দূৰৈৰ পাহাৰত থকা অসম চৰকাৰৰ ভূমি সংৰক্ষণ এলেকাৰ সেউজীয়া পৰিৱেশ যুক্ত এখন সৰু হাবি। ঋতুৰে ঋতুৰে এই দুয়োজোপা গছৰ ৰং সলনি হোৱা দৃশ্যটো দেখিলে আপ্লুত নোহোৱাকৈ কোনেও থাকিব নোৱাৰিব। আমাৰ ঘৰৰ একেবাৰে ওচৰতে আছে কেইবা জোপাও জেতুকা। জেতুকা ৰ কুঁহি পাত বোৰ যেতিয়া প্ৰথম ওলায় কেনে যে এক মোহনীয় পৰিৱেশৰ সৃষ্টি হয় সেয়া নেদেখা জনে অনুভৱ কৰিব নোৱাৰে। পাত বোৰৰ ৰং সময়ে সময়ে সলনি হৈ থাকে। পাতবোৰ নিচিঙিলে আৰু নতুন ৰূপৰ সৃষ্টি হয়। প্ৰকৃতিৰ এনেবোৰ ৰং আৰু ৰূপ সকলোৰে বাবে আকৰ্ষণীয় হৈ উঠে। সেয়াই হয়তো প্ৰকৃতিয়ে মানুহ লৈ যচা সঁচা উপহাৰ।

অকল জেতুকা জোপাই নহয় এই সময়ত শিমলু জোপা জক মকাই যেতিয়া ফুলিবলৈ ধৰে কেনে যে এক নান্দনিক দৃশ্যৰ এখনি চিত্ৰ ফুটি উঠে সেয়া অ কল্পনীয়। সন্ধিয়া জোনৰ পোহৰত শিমলু জোপা আৰু মোহনীয় হৈ উজলি উঠে। সেই দৃশ্যটো দেখি এনে হেন লাগে কোনোবা প্ৰখ্যাত শিল্পীয়ে যে এখন লেণ্ড স্কেপহে অংকন কৰিছে। ইতিমধ্যে শিমলু জোপাত ফুলি উঠিছে অজস্ৰ ৰঙীন সদৃশ ফাগুনৰ সপোন। সেই যে গীতিকাৰে কৈছিল, , , মোৰ ফাগুন আছেহি বৈ! তোমাৰ কথাকে কবলৈ। , , , , , ফুলি থকা অৱস্থাতেই ক'ৰবাৰ পৰা বগলীৰ জাক এটা আহি পৰিছেহি ফুলি থকা শিমলু জোপাৰ ডালে পাতে। মানুহৰ কথা বাদেই হাঢ়িগলা কেইটামান আহিও শিমলু ডালত পৰিছেহি। অকল মানুহেই নহয় জীৱ জন্তৰো প্ৰকৃতিৰ প্ৰতি আছে নিবিড় সম্পৰ্ক। তেওঁ লোকো সৌন্দৰ্য পিয়াসী। লাহে লাহে ফুলবোৰ আৰু জক মকাই ফুলি উঠিছে। সময়বোৰ অতিবাহিত হোৱাৰ লগে লগে ফুলবোৰ কৰিবলৈ ধৰিলে। শীতৰ আমেজ আঁতৰাই গছ ডালৰ ফুলবোৰ সৰি গুটি হ'বলৈ ল'লে। এনেতে ক'ৰবাৰ পৰা এজাক ভাটৌ আৰু কুলি চৰাই আহি জিৰাবলৈ ল'লে হি গছ ডালত। ফুলি উঠা শিমলু ডালত উন্মনা হৈ জাকে জাকে উৰি আহি পৰিছে হি দেশ বিদেশৰ কাজ অচিন পৰিভ্ৰমী চৰাই। এই চৰাই বোৰ দীপৰ বিললৈ অহা পৰিভ্ৰমী চৰাইৰেই কিয় দংশ শিমলু ডালৰ বিপৰীতে আমাৰ শুৱনি কোঠাৰ দক্ষিণ ফালে থকা শুকান এজাৰ গছ জোপাৰ ডালৰ কাষতেই হাউলি থকা শুকান বাহ জোপাৰ ডালত আহি শাৰী পাতি বহিছে হি অজস্ৰ কপৌ চৰাই। ওখ এডাল লঠঙা গছত বহি এটা হাঢ়িগলাই আপোন মনে দূৰৈত থকা পাহাৰৰ প্ৰাকৃতিক সৌন্দৰ্য্য উপভোগ কৰি আছে। লাহে লাহে গছবোৰত সৰু সৰু কোমল সেউজীয়া পাত ওলাবলৈ লৈছে। সেউজীয়া ৰংটো চাগৈ চৰাইবোৰৰো ভাল লাগে। বহাগ বিহুৰ আগে আগে শিমলু ডালত গুটি বোৰ পুৰঠ হৈ উঠিছে। ইয়াৰ পিছত শিমলুৰ গুটিবোৰ ফাটি তুলাবোৰ উৰিবলৈ ল'ব। এয়াই প্ৰকৃতিৰ নিয়ম। এনে ও বহাগৰ উৰণীয়া মন। শিমলু ডালৰ পৰা উৰি অহা তুলাবোৰ দেখি নিজৰো এনেহেন লাগিব, , , , , শিমলু তুলাবোৰ যেনেকৈ উৰিছে!( আমাৰো) তেনেকৈ উৰিবৰ মন। ।

প্ৰকৃতিৰ এনেহেন বিনন্দীয়া দৃশ্যৰ নান্দনিকতা কিমান যে মধুৰ, ভাষাৰে বৰ্ণনা কৰিব নোৱাৰি। প্ৰকৃতিয়ে আমাক সকলো দিছে আমি হে সেইবোৰ ৰক্ষা কৰিব পৰা নাই। উন্নয়ন আৰু এডভাণ্টেজ ৰ নামত অৰণ্য ধ্বংস কৰাটো ৰাষ্ট্ৰীয় ঘাইপথৰে সৰ্ব সাধাৰণ ৰাইজ ইটো পাৰৰ পৰা সিটো পাৰলৈ যাব নোৱাৰাটো, পথাৰবোৰৰ মাটি বোৰো উদ্যোগিকৰণে সামৰি লোৱা কাৰ্য আৰু পথ বহলোৱাৰ নামত লাখ লাখ গছ গছনি তহিলং কৰা কাৰ্য অব্যাহত থাকিলে ঋতুৰে ঋতুৰে অনুভৱ কৰা নান্দনিকতা নোহোৱা হৈ যাব। মানুহ জীৱ জন্তু আৰু উদ্ভিদৰো প্ৰাকৃতিক ৰঙৰ অৱসান ঘটিব। প্ৰকৃতিয়ে আমাক সকলো দিছে আমি হে সেইবোৰ ৰক্ষা কৰিব পৰা নাই। উন্নয়ন আৰু এডভাণ্টেজ ৰ নামত অৰণ্য ধ্বংস কৰাটো ৰাষ্ট্ৰীয় ঘাইপথৰে সৰ্ব সাধাৰণ ৰাইজ ইটো পাৰৰ পৰা সিটো পাৰলৈ যাব নোৱাৰাটো, পথাৰবোৰৰ মাটি বোৰো উদ্যোগিকৰণে সামৰি লোৱা কাৰ্য আৰু পথ বহলোৱাৰ নামত লাখ লাখ গছ গছনি তহিলং কৰা কাৰ্য অব্যাহত থাকিলে ঋতুৰে ঋতুৰে অনুভৱ কৰা নান্দনিকতা নোহোৱা হৈ যাব। মানুহ জীৱ জন্তু আৰু উদ্ভিদৰো প্ৰাকৃতিক ৰঙৰ অৱসান ঘটিব। মানুহক কেঁকোৰাৰ লগত তুলনা কৰিব পাৰি। কেঁকোৰাই জন্ম দিয়া পোৱালিয়েই হেনো এদিন মাকৰ মঙহ খাই জীয়াই থাকে। কিন্তু কেঁকোৰাৰ সেই উপলব্ধি নাই, , । আমি মানুহ বোৰো লাহে লাহে কেঁকোৰা হ'বলৈ গৈ আছোঁ নেকি বাৰু, , , ? মানুহৰ বাবেও সেই সময় সমাগত নেকি বাৰু, , , , , ?

## অৱশেষত স্তব্ধ হ'ল জাগীৰোড কাগজ কলৰ চাইৰেণ

# কিয় আৰু কেনেকৈ ধ্বংসৰ গৰাহলৈ গ'ল এছিয়াৰ অন্যতম বৃহৎ উদ্যোগটো ?

**ট্ৰেজিন বৰা**

এসময়ত যাৰ চাইৰেণৰ গম্ভীৰ শব্দত সাৰ পাই উঠিছিল সমগ্ৰ জাগীৰোডবাসী, যাৰ ধোঁৱাই সমগ্ৰ মধ্য অসমৰ অৰ্থনীতিক এক স্বকীয় গতিশীলতা প্ৰদান কৰি ৰাখিছিল- সেই হিন্দুস্তান পেপাৰ কৰ্প'ৰেচন লিমিটেডৰ অন্তৰ্গত জাগীৰোডৰ নগাঁও কাগজ কল এতিয়া কেৱল ইতিহাস। এছিয়াৰ ভিতৰতে অন্যতম সৰ্ববৃহৎ, প্ৰযুক্তিগতভাৱে উন্নত আৰু সৰ্বাধিক উৎপাদনক্ষম কাগজ কল হিচাপে পৰিচিত এই উদ্যোগটো কিয় আৰু কেনেকৈ বন্ধ হ'ল, তাক লৈ আজিও অঞ্চলটোৰ জনসাধাৰণৰ লগতে সমগ্ৰ অসমবাসীৰ মাজত ক্ষোভ, বেদনা আৰু এক গভীৰ হতাশা অব্যাহত আছে। ২০১৫ চনৰ ২০ মাৰ্চৰ পৰা সম্পূৰ্ণৰূপে উৎপাদন বন্ধ হৈ পৰা এই ঐতিহাসিক উদ্যোগটোৰ পতনৰ আঁৰত কোনো এটা একক কাৰণ নাছিল, বৰঞ্চ ই আছিল ধাৰাবাহিক ভুল নীতি, সম্পদৰ নাটনি আৰু চৰকাৰী উদাসীনতাৰ এক সন্মিলিত পৰিণতি। কেঁচামালৰ তীব্ৰ সংকট আৰু বাঁহৰ যোগান ব্যাহত: কাগজ উৎপাদনৰ বাবে আটাইতকৈ প্ৰাথমিক আৰু গুৰুত্বপূৰ্ণ কেঁচামাল আছিল বাঁহ। জাগীৰোড কাগজ কলৰ বাবে প্ৰতিবছৰে লাখ লাখ মেট্ৰিক টন বাঁহৰ প্ৰয়োজন হৈছিল। এই বাঁহ মূলতঃ যোগান ধৰা হৈছিল ডিমা হাচাও (উত্তৰ কাছাৰ পাৰ্বত্য জিলা), কাৰ্বি আংলং জিলা আৰু উগ্ৰপন্থী জৰ্জৰি ত পাহাৰীয়া অঞ্চলসমূহৰ পৰা। কিন্তু নৱৈৰ দশকৰ পৰা ২০০০ চনৰ সময়ছোৱাত এই অঞ্চলসমূহত উগ্ৰপন্থী সংগঠনসমূহৰ (যেনে NDFB, DHD আদি) উপদ্ৰৱ তীব্ৰতৰ হৈ পৰে। ফলস্বৰূপে বাঁহ কটা আৰু পৰিবহণ কৰা কাৰ্য একপ্ৰকাৰ স্তব্ধ হৈ পৰে। পৰৱৰ্তী সময়ত, পাৰ্বত্য জিলা পৰিষদসমূহৰ সৈতে হোৱা আইনী মেৰপাক আৰু বাঁহ কটাৰ ক্ষেত্ৰত থকা অনিয়মৰ বাবে ৰাষ্ট্ৰীয় হৰিৎ প্ৰাধীকৰণে নিষেধাজ্ঞা আৰোপ কৰে। ফলত মিলটোৱে চৰম কেঁচামালৰ সংকটত ভুগিবলগীয়া হয়। স্থানীয় সস্তীয়া বাঁহৰ পৰিৱৰ্তে বহিঃৰাজ্যৰ পৰা অত্যধিক মূল্য দি বাঁহ আমদানি কৰিবলগীয়া হোৱাত কাগজৰ উৎপাদন ব্যয় অস্বাভাৱিকভাৱে বৃদ্ধি পায়, যিয়ে মিলটোক লোকচানৰ দিশলৈ ঠেলি দিয়ে। শক্তি খণ্ডৰ বিপৰ্যয়: কয়লা আৰু বিদ্যুতৰ নাটনি: কাগজ কলটো ২৪ ঘণ্টাই সক্ৰিয় কৰি ৰাখিবলৈ দৈনিক প্ৰচুৰ পৰিমাণে কয়লা আৰু সুলভ মূল্যৰ বিদ্যুতৰ প্ৰয়োজন আছিল। মিলটোৰ নিজা কেপটিভ পাৱাৰ প্লাণ্ট আছিল যদিও ইয়াৰ বাবে প্ৰয়োজনীয় কয়লা মূলতঃ মেঘালয়ৰ পৰা সৰবৰাহ কৰা হৈছিল। ২০১৪ চনত মেঘালয়ত অবৈজ্ঞানিক কয়লা খননৰ ওপৰত এন জি টি এ সম্পূৰ্ণ নিষেধাজ্ঞা আৰোপ কৰাৰ লগে লগে কয়লাৰ যোগান প্ৰায় বন্ধ হৈ পৰে। আনহাতে, অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ পৰা ক্ৰয় কৰা বিদ্যুতৰ মাচুলো অতি বেছি আছিল। বিকল্প শক্তিৰ অভাৱত মেচিনসমূহ সঘনাই বন্ধ কৰিবলগীয়া হোৱাত উৎপাদন প্ৰক্ৰিয়া ভীষণভাৱে ব্যাহত হৈছিল। আধুনিকীকৰণৰ অভাৱ আৰু ব্যৱস্থাপনাৰ দুৰ্বলতা: কোনো এটা বৃহৎ উদ্যোগ দীৰ্ঘদিন জীয়াই ৰাখিবলৈ হ'লে সময়ৰ লগত খাপ খুৱাই প্ৰযুক্তিৰ আধুনিকীকৰণ কৰাটো জৰুৰী। কিন্তু হিন্দুস্তান পেপাৰ কৰ্প'ৰেচনে জাগীৰোড কলটোৰ মেচিনেৰী আপগ্ৰেড কৰাৰ ক্ষেত্ৰত কোনো দূৰদৰ্শী পদক্ষেপ গ্ৰহণ নকৰিলে। আশীৰ দশকৰ পুৰণি প্ৰযুক্তিৰেই উৎপাদন চলাই থকাৰ বাবে ইয়াৰ কাৰ্যক্ষমতা হ্ৰাস পাইছিল আৰু অপচয় বৃদ্ধি পাইছিল। ইয়াৰ উপৰি, কেন্দ্ৰীয় চৰকাৰৰ অধীনস্থ এই পি এছ ইউ টোৰ উচ্চপদস্থ বিষয়াসকলৰ মাজত থকা দুৰ্নীতি, পৰিচালনা সমিতিৰ দুৰ্বল নীতি আৰু অসমৰ উদ্যোগটোৰ প্ৰতি নতুন দিল্লীৰ বৈমাতৃসুলভ আচৰণৰ বাবে মিলটোৱে সময়মতে প্ৰয়োজনীয় বিত্তীয় সাহায্য বা পেকেজ লাভ নকৰিলে। বিত্তীয় দেউলিয়াত্ব আৰু এক মানৱীয় ট্ৰেজেডী: লাহে লাহে ঋণৰ বোজাত পোত খাই পৰা কলটোৱে ২০১৫ চনৰ ২০ মাৰ্চত কোনো পূৰ্ব জাননী নোলোৱাকৈয়ে উৎপাদন সম্পূৰ্ণৰূপে বন্ধ কৰি দিয়ে। উৎপাদন বন্ধ হোৱাৰ লগে লগে কলটোৰ প্ৰায় ৪, ০০০ ৰো অধিক স্থায়ী আৰু ঠিকাভিত্তিক কৰ্মচাৰীৰ জীৱনলৈ ঘোৰ অন্ধকাৰ নামি আহে। দীৰ্ঘদিন ধৰি (প্ৰায় ৫-৬ বছৰ) কৰ্মচাৰীসকলৰ মাহিলী দৰমহা আৰু ভৱিষ্যত নিধিৰ ধন বন্ধ হৈ থাকে। দৰমহা নোপোৱাৰ ফলত এক ভয়ংকৰ মানৱীয় সংকটৰ সৃষ্টি হয়। ল'ৰা-ছোৱালীৰ শিক্ষা, পৰিয়ালৰ পোহপাল আৰু আটাইতকৈ ভয়াৱহভাৱে জ্যেষ্ঠ কৰ্মচাৰীসকলৰ চিকিৎসা সম্পূৰ্ণ বন্ধ হৈ পৰে। প্ৰাপ্য বকেয়া ধন আৰু দৰমহাৰ বাবে হাহাকাৰ কৰি, তীব্ৰ মানসিক চাপ আৰু অৰ্থাভাবৰ বাবে বিনা চিকিৎসাত কলটোৰ এশৰো অধিক কৰ্মচাৰীয়ে হৃদযন্ত্ৰৰ ক্ৰিয়া বন্ধ হৈ বা আত্মহত্যা কৰি কৰুণ মৃত্যুক সাৱটি ল'বলগীয়া হয়। এই ঘটনা স্বাধীন ভাৰতৰ উদ্যোগ খণ্ডৰ ইতিহাসত অন্যতম এক ক'লা অধ্যায় হিচাপে চিহ্নিত হৈ ৰ'ব।

বৰ্তমান স্থিতি: উদ্যোগটোৰ নিলাম আৰু ৰাজ্য চৰকাৰৰ পদক্ষেপ দীৰ্ঘদিনীয়া ট্ৰেড ইউনিয়নৰ আন্দোলন, ৰাজপথৰ প্ৰতিবাদ আৰু ৰাষ্ট্ৰীয় কোম্পানী আইন ন্যায়াধীকৰণত চলা আইনী যুঁজৰ অন্তত, ২০২২ চনত অসম চৰকাৰে এক ঐতিহাসিক পদক্ষেপ গ্ৰহণ কৰে। কেন্দ্ৰীয় চৰকাৰৰ লিকুইডেশ্যন প্ৰক্ৰিয়াৰ মাজতেই অসম চৰকাৰে হস্তক্ষেপে কৰি হিন্দুস্তান পেপাৰ কৰ্প'ৰেচনৰ নগাঁও




(জাগীৰোড) আৰু কাছাৰ (পাঞ্চগ্ৰাম) কাগজ কলৰ সমস্ত সম্পত্তি প্ৰায় ৩৭৫ কোটি টকা খৰচ কৰি ক্ৰয় কৰে। ইয়াৰ লগে লগে চৰকাৰে মৃত আৰু জীৱিত কৰ্মচাৰীসকলৰ পৰিয়ালৰ বাবে এক বিশেষ বিত্তীয় সাহায্য পেকেজ ঘোষণা কৰি তেওঁলোকৰ ক্ষোভ কিছু পৰিমাণে প্ৰশমন কৰিবলৈ সক্ষম হয়। বৰ্তমান জাগীৰোড কাগজ কলৰ এই বিশাল ভূখণ্ড (প্ৰায় ৩, ০০০ বিঘা ভূমি) এতিয়া এক নতুন ঔদ্যোগিক বিপ্লৱৰ বাবে সাজু হৈ উঠিছে। এই স্থানতে দেশৰ ভিতৰতে অন্যতম অভিলাষী প্ৰকল্প টাটা ছেমিকণ্ডাক্টৰ প্লাণ্ট স্থাপনৰ কাম চৰকাৰ আৰু টাটা গ্ৰুপৰ যৌথ সহযোগত দ্ৰুতগতিত চলি আছে। এই প্ৰকল্পত প্ৰায় ২৭, ০০০ কোটি টকা বিনিয়োগ কৰা হ'ব, যিয়ে কেৱল জাগীৰোডেই নহয়, সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ নিবনুৱা যুৱক-যুৱতীসকলৰ বাবে হাজাৰ হাজাৰ নতুন কৰ্মসংস্থাপন আৰু উচ্চ প্ৰযুক্তিৰ দুৱাৰ মুকলি কৰিব। এটা সময়ৰ সোণোৱালী ইতিহাস, অসমৰ অৰ্থনীতিৰ লাইখুটা স্বৰূপ জাগীৰোড কাগজ কলৰ অধ্যায় এটা কৰুণ পৰিণতিৰে চিৰদিনৰ বাবে সমাপ্ত হ'ল। কাগজৰ বগা পাত জিলিকাই তোলা মেচিনৰ শব্দবোৰ এতিয়া চিৰদিনৰ বাবে মৌন। কিন্তু, সেইপুৰণি উদ্যোগটোৰ ধ্বংসস্তূপৰ বুকুতেই গঢ়ি উঠিবলগীয়া দেশৰ শীৰ্ষপৰ্যায়ৰ ছেমিকণ্ডাক্টৰ উদ্যোগে জাগীৰোড তথা সমগ্ৰ অসমক বিশ্বৰ মানচিত্ৰত এক নতুন মাত্ৰা প্ৰদান কৰিব- এতিয়া তাকেই বুকুত বান্ধি আশাৰ পল গণিছে অঞ্চলটোৰ ভুক্তভোগী জনসাধাৰণে।

# আত্মকেন্দ্ৰিকতা

**আত্মকেন্দ্ৰিকতাৰ চক্ৰবেহুৰ পৰা আঁতৰি, ক্ষুদ্ৰ স্বাৰ্থ ত্যাগ কৰি মংগলকামী নাৰীয়ে যদি পৰিয়ালৰ মংগলৰ অৰ্থে আধ্যাত্মিক চিন্তাধাৰাৰে শুদ্ধ, শান্ত পৰিৱেশ সৃষ্টি কৰিব পাৰে, পবিত্ৰ আৰু নিঃস্বাৰ্থ প্ৰেমেৰে সন্তানসকলক অনুপ্ৰাণিত কৰিব পাৰে, তেন্তে সমাজত নিশ্চয় সফলতা লাভ কৰিব। নাৰীয়ে সমাজত এনে কাম কৰিবলৈ যাওঁতে পুৰুষসকলৰ আন্তৰিক সহযোগ অপৰিহাৰ্য। যুগৰ প্ৰভাৱ, পৰিৱেশ প্ৰদূষণ, ভোগবাদী সমাজ আৰু বিভিন্ন পৰিস্থিতিৰ বাবে বহুতো নাৰী ভোগ-বিলাস, কামনা-বাসনাত ডুব গৈ প্ৰকৃত সত্য-শান্তি আৰু উপলব্ধিৰ পৰা সম্পূৰ্ণ আঁতৰত ...**



**অগ্নিবান বৰা**

সংস্কৃতি সাধাৰণতে দুভাগত বিভক্ত কৰিব পাৰি- বহিৰ্সংস্কৃতি আৰু অন্তৰ্সংস্কৃতি। কম্পিউটাৰ আৰু ইলেক্ট্ৰ'নিকৰ যুগত ধনতান্ত্ৰিক সমাজত ব্যক্তিগত তথা সামাজিক জীৱনত বাহ্যিক আৰু আড়ম্বৰপূৰ্ণ সংস্কৃতিয়ে মানুহৰ মন আচ্ছন্ন কৰি ৰখাৰ ফলত স্বতঃস্ফূৰ্তভাৱে মন বহিঃমুখী হৈ পৰিছে। আধ্যাত্মিক জ্ঞান তথা সত্য উপলব্ধি নোহোৱাৰ ফলত সাম্প্ৰতিক যুগৰ মানুহে সংস্কৃতিক ভুল পথেৰে পৰিচালিত কৰিছে। মানুহৰ চিন্তাধাৰা উন্নত কৰাৰ বিপৰীতে চিন্তাৰ মননত জীৱন বিন্যাসত কুৎচিতৰ প্ৰাধান্য বাঢ়ি গৈছে। সাজপাৰ, শিল্প-সংগীত, চিনেমা, টিভি, সাহিত্য আদি সকলো ক্ষেত্ৰতে যৌনতাৰ তাণ্ডৱলীলাই সুস্থ মন তথা সমাজ চূৰ্ণ-বিচূৰ্ণ কৰি পেলাইছে।

বহিৰ্সংস্কৃতিত অৰ্থনীতিয়ে সম্পূৰ্ণ প্ৰভাৱ পেলাইছে। ভোগবাদী নাৰী-পুৰুষ উভয়েই বহিৰ্সংস্কৃতিত ইন্ধন যোগোৱাত অন্তৰ্সংস্কৃতিৰ বিলোপ ঘটিছে। অসমীয়া সমাজত লোকাচাৰ আৰু সংস্কৃতিৰ অন্যতম বাহক জোৰোণ, বিবাহ, কৌতুক আদিত আড়ম্বৰপূৰ্ণতাৰ উপৰি ৰাজসিক ভোজন, সুৰাপান আদি বহিৰ্সংস্কৃতিয়ে সাত্ত্বিক পৰিৱেশ বিনষ্ট কৰি পেলাইছে। অন্তৰ্সংস্কৃতিৰ উত্থান ঘটাব নোৱাৰিলে সমাজৰ কোনো শক্তিয়ে পূৰ্ণস্থাপন কৰিবলৈ সমৰ্থ নহ'ব। এই অন্তৰ্সংস্কৃতিনো কি?

মানুহৰ মন আৰু হৃদয় সুন্দৰ কৰা সংস্কৃতিয়েই হ'ল— অন্তৰ্সংস্কৃতি। জ্যোতিপ্ৰসাদৰ মতে 'হিংসা, দ্বেষ-কপটতা, ক্ৰুৰতা এই পৈশাচিক আৰু পাশৱিক প্ৰকৃতিৰ নিয়ন্ত্ৰণলৈ আনি স্নেহ, ক্ষমতা, দয়া, সাম্য, লোককল্যাণ ইত্যাদি গুণসমূহ আগভাগ দি তাক বিকশাই তোলাটোও সংস্কৃতি।' একবিংশ শতিকাৰ সমাজ উচ্চ বাস্তৱিক সংস্কৃতিৰ স্তৰলৈ গৈছে, কিন্তু অন্তৰ্সংস্কৃতিৰ ফালৰ পৰা বিশেষ আগবাঢ়িব পৰা নাই। আজি পৃথিৱীৰ অশান্তিৰ মূল কাৰণ হৈছে— অন্তৰ্সংস্কৃতিৰ শোকলগা অৱস্থাৰ বাবে।

অন্তৰ্সংস্কৃতিৰ আধাৰ হ'ল আধ্যাত্মিকতা। আধ্যাত্মিকতা আৰু নৈতিকতা অবিহনে সংস্কৃতি পুনৰ্জীৱিত হ'ব নোৱাৰে। আজিৰ পৃথিৱীত দুখ-অশান্তিৰ অনেক কাৰণ থাকিলেও অন্তৰ্সংস্কৃতিৰ ভয়াৱহ অৱস্থাহ বাবেহে আমাৰ সমাজৰ অধঃপতন ঘটিছে।

সুস্থ মনেই কৰ্মসংস্কৃতিৰ আধাৰ। বৰ্তমান যুগত অসুস্থ মানসিকতাৰ গ্ৰাসত সংস্কৃতিয়ে বিকৃত ৰূপ লৈছে। অপসংস্কৃতিৰ জয়যাত্ৰাত সাত্ত্বিকতা লোপ পাইছে। অপসংস্কৃতি ৰোধ কৰি সুন্দৰ সংস্কৃতি পুনৰ বিকশাই তুলিবৰ বাবে একমাত্ৰ পথ হ'ল আধ্যাত্মিকতা, যাৰ আধাৰত নাৰীয়ে সংস্কৃতিক সুন্দৰ পথেদি পৰিচালিত কৰিব পাৰে।

অপসংস্কৃতিয়ে গ্ৰাস কৰা পতিত সমাজখন সংস্কাৰ কৰাৰ দায়িত্ব নাৰীসকলৰহে। কাৰণ নাৰীৰ হাততহে ইয়াৰ চাবিকাঠী আছে। নাৰীয়ে সমাজত, বিশ্বত নোৱাৰা কাম একোৱেই নাই। যিখন হাতেৰে নাৰীয়ে কেঁচুৱাক নিচুকনি গীত গাই গাই দোলনাত দোলাব পাৰে, সেইখন হাতেৰে বিশ্বকো দোলাব পাৰে।

সমাজত দুৰ্নীতি, অপসংস্কৃতি, আৰু উচ্ছৃংখলতাৰ মূল কাৰণ হ'ল — আধ্যাত্মিক তথা নৈতিক জ্ঞানৰ অভাৱ। মানুহৰ প্ৰকৃত সুখ-শান্তি আৰু চৰিত্ৰ গঠনৰ শিক্ষা কেৱল আধ্যাত্মিক জ্ঞানৰ দ্বাৰাহে সম্ভৱ। আধ্যাত্মিক জ্ঞানৰ অভাৱৰ হেতুকেই আজিৰ পুৰুষ-নাৰী, উঠি অহা যুৱক-যুৱতীসকল বস্তুবাদী, আত্মকেন্দ্ৰিক আৰু দেহাভিমানী হৈ পৰিছে। সৎ চিন্তা, সৎ সংগ আৰু সু-পৰিৱেশৰ অভাৱত চাৰিওফালে বিশৃংখলতাই দেখা দিছে। এনে পৰিৱেশৰ আধাৰত সংস্কৃতি ভ্ৰান্ত পথেদি পৰিচালিত হৈছে।

জ্যোতিপ্ৰসাদে 'আইদেউৰ জোনাকী বাট'ত কৈছে— 'নতুন পোহৰৰ চাকিটো মূৰত লৈ ওলোৱা নতুন দিনৰ ভাৰতীয় আইদেউজনীৰ আলোকযাত্ৰা প্ৰতিহত কৰি দুৰ্নীতিৰ মহিষাসুৰে আগভেটি ধৰিছে। দুৰ্নীতি জয় কৰিবলৈ আজি দেশৰ সকলোৱেই অপাৰগ। দেশৰ জাতীয় চৰকাৰ, নিয়ম-কানুন সকলোৱে নিয়ন্ত্ৰণ কৰিবলৈ অক্ষম হৈ পৰিছে। যুৱ শক্তি, ৰাজনৈতিক শক্তি সকলো বিফল।... দেশৰ জনসাধাৰণ দুৰ্নীতিৰ তাড়নাত বিক্ষুব্ধ হৈ পৰিছে। শিল্পীয়ে-সাহিত্যিকে, অধ্যাপকে সংস্কৃতি বুলি চিঞৰি দেশ তল-ওপৰ কৰিছে... কিন্তু দুৰ্নীতিৰ ৰাজত্বৰ শেষ নাই। শেষত বৈ্ছেগৈ মাতৃসকল। সেইকাৰণে মই মাতৃসকলক ক'ব খোজোঁ যদি মাতৃসকলে ভৱিষ্যতে ভাৰতীয় নতুন দিনৰ আইদেউজনীৰ জোনাকী বাটেদি আগবাঢ়ি যাবলৈ দিব খোজে— তেন্তে এই দুৰ্নীতি বিনাশৰ কাৰণে এবাৰ শক্তিস্বৰূপা হৈ আমাৰ জীৱনৰ কেন্দ্ৰত থিয় হওক।'

সমাজত উদ্ভৱ হোৱা এই বিশৃংখলতা, অপসংস্কৃতিসমূহ কোনো আইন-কানুন, সংগঠন, ৰীতি-নীতিৰ দ্বাৰা নিৰ্মূল কৰা সম্ভৱ নহয়। কাৰণ এই সকলোৰে আধাৰ হ'ল মন। মন শুদ্ধ হ'লেই বচন, কৰ্মসংস্কৃতি সকলো হয়। সৎ গুণ ধাৰণ কৰিবলৈ হ'লে মানুহে জীৱনত কিছুমান সদাচাৰ, ৰীতি-নীতি পালন কৰিব লাগে। সৎ সংগ, সৎ চিন্তা, সাত্ত্বিক আহাৰ আৰু আধ্যাত্মিক জ্ঞানচৰ্চাই মানুহৰ মনত অসীম শক্তি যোগায়। ইয়াৰ ফলত মানুহৰ জীৱন সৰল, শান্ত আৰু স্নেহপূৰ্ণ সহযোগী আৰু সন্তুষ্ট মনৰ হয়। এনেদৰেই ক্ৰমে চৰিত্ৰৱান লোকৰ সংখ্যা বাঢ়ে আৰু সংস্কৃতিপৰায়ণ হয়।

জ্যোতিপ্ৰসাদে কৈছিল— 'অন্তৰ ভাগৰ প্ৰকাশ পায় আধ্যাত্মিক উপলব্ধিত, মানসিক উৎকৰ্ষণত। মনৰ গুণবোৰৰ বিকাশ আৰু তাৰ পূৰ্ণতা হয় এই সকলোবোৰৰ মন্থনত পোৱা গুণত।.... নৈতিকতা অন্তৰ সংস্কৃতিৰ বস্তু— তাৰ সংস্কৃতিৰ ওপৰত প্ৰভাৱ আছে।' (ভাবীকালৰ সংস্কৃতি)

নৈতিকতা তথা আধ্যাত্মিকতা অবিহনে পতিত সমাজ উদ্ধাৰ কৰা সম্ভৱ নহয়। বৰ্তমান নৈতিকতাৰ মহাসংকটৰ সময়ত নাৰীৰ এক গভীৰ তথা মহান দায়িত্ব আহি পৰিছে। কাৰণ আমাৰ দেশত শতকৰা ৫০ ভাগেই নাৰী। এটা পৰিয়ালৰ মূল মাতৃগৰাকীক কেন্দ্ৰ কৰিয়েই ঘৰখন পৰিচালিত হয়। সেইদৰে প্ৰতি ঘৰে ঘৰে আধ্যাত্মিক আৰু নৈতিক জ্ঞানেৰে পুষ্ট নাৰী বলিষ্ঠ পদক্ষেপ ল'বলৈ আগবাঢ়ি আহে তেন্তে দুৰ্নীতি আৰু নৈতিক সংকটত ভাৰাক্ৰান্ত হোৱা সমাজখনে ক্ৰমান্বয়ে সংস্কৃতিৰ জখলাত উঠি সুন্দৰ পৰিৱেশ সৃষ্টি কৰিবলৈ সক্ষম হ'ব। নাৰীয়ে মাতৃৰূপে, পত্নীৰূপে, ভগ্নীৰূপে পৰিয়ালৰ প্ৰতি, সমাজৰ প্ৰতি গভীৰ দায়িত্ব ল'ব লাগিব। ইয়াৰ বাবে লাগিব নাৰীৰ ত্যাগ, সহনশীলতা আৰু ধৈৰ্য।


আত্মকেন্দ্ৰিকতাৰ চক্ৰবেহুৰ পৰা আঁতৰি, ক্ষুদ্ৰ স্বাৰ্থ ত্যাগ কৰি মংগলকামী নাৰীয়ে যদি পৰিয়ালৰ মংগলৰ অৰ্থে আধ্যাত্মিক চিন্তাধাৰাৰে শুদ্ধ, **(৬ পৃষ্ঠালৈ)**

***লভিতাক মিলিটাৰীয়ে হাতত ধৰা বা লঞ্চণা কৰা আৰু তাই মুছলমানৰ ঘৰত আশ্ৰয় লোৱাৰ কাৰণে গাঁৱে ভুঁএঞে তাইৰ বিষয়ে নানা কথা ওলাইছে আৰু সেইবাবে গোলাপে লভিতাক নিজৰ লগত লৈ যাবলৈ অপাৰগতা প্ৰদৰ্শন কৰিলে। নিজকে আজিৰ দিনৰ ডেকা বুলি গৌৰৱ কৰা গোলাপে যেতিয়া সমাজৰ দোহাই দি তাইক গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰিলে, তেতিয়া লভিতাই খঙত জ্বলি উঠি গোলাপক কয় -***

# অসমীয়া নাট্যসাহিত্য

অসমীয়া নাট্যসাহিত্যৰ ইতিহাসত ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা এগৰাকী যুগান্তকাৰী নাট্যকাৰ। গুণাভিৰাম বৰুৱাৰ 'ৰাম-নৱমী' নাটকৰ জৰিয়তে আধুনিক অসমীয়া নাট্যসাহিত্যৰ আৰম্ভনী হৈছিল যদিও জ্যোতিপ্ৰসাদ আগৰৱালাৰ সময়লৈকে ঐতিহাসিক, পৌৰাণিক, সামাজিক, ধেমেলীয়া আদি বিভিন্ন প্ৰকাৰৰ নাটক ৰচিত হৈছিল। ক'ব পাৰি, ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাই গতানুগতিক নাট্যধাৰাৰ পৰা আঁতৰি আহি প্ৰকৃত অৰ্থত আধুনিক অসমীয়া নাটকৰ জন্ম দিয়ে। তেখেতৰ প্ৰতিখন নাটকেই আধুনিক অসমীয়া নাট্য সাহিত্যৰ একো-একোটা মাইলৰ খুঁটিস্বৰূপ। জ্যোতিপ্ৰসাদ আগৰৱালাৰনাট্য সৃষ্টিৰ এক অক্ষয় কীৰ্তি হৈছে 'লভিতা'। এই নাটখনি ১৯৪৭ চনত জ্যোতিপ্ৰসাদে তামোলবাৰী চাহবাগিছাত থাকোতে ৰচনা কৰে। লভিতা এখনি সামাজিক তথা বাস্তৱধৰ্মী নাটক। বিয়াল্লিছৰ গণবিপ্লৱ আৰু দ্বিতীয় বিশ্বযুদ্ধই অসমৰ জনসাধাৰণৰ ওপৰত কেনেধৰণৰ প্ৰভাৱ পেলাইছিল তাৰ বাস্তৱ চিত্ৰ এই নাটখনিত প্ৰতিফলিত হৈছে। নাটখনিত যি বিলাক পৰিস্থিতি নাট্যকাৰে সংযোগ কৰিছে, তাৰ বেছিভাগেই সত্য ঘটনাৰ আলম লৈ ৰচনা কৰা। প্ৰকৃতপক্ষে ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাই দেশৰ স্বাধীনতা সংগ্ৰামত এগৰাকী অগ্ৰণী যুঁজাৰু হিচাপে অতি সক্ৰীয়ভাৱে অংশগ্ৰহণ কৰি যি অভিজ্ঞতা লাভ কৰিছিল, তাকেই নিটোল ৰূপত উপস্থাপন কৰিছিল 'লভিতা' নাটকখনিত।

জ্যোতিপ্ৰসাদৰ এই 'লভিতা' নাটখনিত প্ৰতিফলিত হৈছে এগৰাকী অসমীয়া গাঁৱলীয়া ছোৱালীয়ে কিদৰে অসীম ধৈৰ্য আৰু সাহসেৰে বিভিন্ন প্ৰতিকুল অৱস্থাৰ বিৰুদ্ধে থিয় দিছে আৰু শেষত স্বদেশৰ মুক্তিৰ হকে আত্মাহুতি দিছে। সাধাৰণ গাঁৱলীয়া ছোৱালী এজনীৰ সুপ্ত শক্তি আৰু সম্ভাৱনা কিমান থাকিব পাৰে, তাকেহে লভিতা চৰিত্ৰটোৰ মাজেৰে নাট্যকাৰে প্ৰতিফলিত কৰিছে। আনহাতে স্বাধীনতা যুদ্ধৰ শেষ পৰ্যায়ত নাৰীৰ ভূমিকা কিমান গভীৰ আছিল, সেই কথাও লভিতাৰ মাজেৰে প্ৰদৰ্শন কৰিছে। লভিতা ফুলগুৰি গাঁৱৰ বাণেশ্বৰ বৰুৱাৰ জীয়েক। লভিতা দেখাত ধুনীয়া। তাই একে গাঁৱৰে গোলাপক ভাল পায়। লভিতাই এই গাঁৱতেই সোণ, ৰূপ হীৰা আদি সমনীয়াৰ সৈতে হাঁহি-ধেমালিৰে দিন কটাইছিল। কিন্তু লাহে লাহে গাঁৱলৈ অশান্তি নামি আহিল। ফুলগুৰি গাঁৱৰ ওচৰতে লহৰজান এৰোড্ৰাম। এহাতে দ্বিতীয় মহাসমৰৰ জাপানী সৈন্যৰ যুদ্ধৰ কুচকাৱাজ আনহাতে, বৃটিছৰ বিৰুদ্ধে মহাত্মা গান্ধীৰ স্বাধীনতা আন্দোলন - এই দুই পৰিস্থিতিয়ে অসমীয়া মানুহক উৱাদিশ নোপোৱা কৰিছে। গাঁৱে গাঁৱে ভলন্টিয়াৰবোৰেবৃট্ৰিছৰ বিৰুদ্ধে স্বৰাজ আন্দোলন শক্তিশালী কৰিবলৈ প্ৰচাৰ চলাইছে। ইফালে পুলিচ দাৰোগাই আন্দোলনৰ সমৰ্থক সকলক নিৰ্বিবাদে অত্যাচাৰ চলাই গৈছে। এই অত্যাচাৰৰ বিৰুদ্ধে লভিতাই প্ৰতিবাদ কৰিছে। তাইক পিষ্টল দেখুৱাই ভয় দেখুওৱা দাৰোগাক তাই কৈছে - "আজিকালিৰ ছোৱালীয়ে পিষ্টল, বন্দুক, বৰতোপ, বোমা একোলৈকে ভয় নকৰে। পিষ্টল দেখুৱাই আজিৰ ছোৱালীক ভয় দেখুৱাবলৈ আহিছ?" তেনে সময়তে জাপানীসকলে উৰাজাহাজৰে নিক্ষেপ কৰা বোমা আহি লভিতাহঁতৰ চোতালত বিস্ফোৰণ ঘটাত দেউতাক বাণেশ্বৰ বৰুৱাৰ মৃত্যু হয়। দেউতাকৰ অকাল মৃত্যুত লভিতা কান্দি কাটি বাউলি হৈ পৰে। সকলোৱে বোমাৰ ভয়ত যেনি তেনি পলাই পত্ৰং দিলে। যিসকল যাব খোজা নাছিল, সেইসকলকো মিলিটাৰীয়ে খেদি পঠিয়ালে। কিন্তু কোনেও লভিতাক নিজৰ ভেঁটিৰ পৰা খেদিব নোৱাৰিলে। শেষত গোলাপে আহি লভিতাক তাৰ পৰা আঁতৰাই মৌজাদাৰৰ ঘৰত আশ্ৰয় দিলে। কিন্তু মৌজাদাৰৰ ঘৰৰ আশ্ৰয় লভিতাৰ বাবে সুখকৰ নাছিল। মৌজাদাৰণীৰ অত্যাচাৰত থাকিব নোৱাৰি লভিতা এদিন তাৰ পৰা গুছি যায়। সন্ধিয়া সময়ত গাঁৱলীয়া বাট এটাৰে গৈ থাকোতে লভিতা ভাৰতীয় মিলিটাৰীৰে মুখামুখি হয় আৰু সিহতৰ হাতত ধৰ্ষিতা হোৱাৰ উপক্ৰম হয়। শেষত কৰ্তব্যপৰায়ণ পুলিচ এগৰাকীৰ তৎপৰাতাত লভিতা ৰক্ষা পৰে আৰু তাৰ পৰা পলাই যাবলৈ সক্ষম হয়। সেইসময়তে তাত উপস্থিত হোৱা ইলাহী বকছ্ নামৰ মুছলমান বুঢ়া এজনে লভিতাক তাৰ পৰা লৈ গুছি আহে। এইদৰে অসমীয়া সমাজত ঠাই নেপাই ইলাহী বকছ্ নামৰ শাক পাছলিৰ বেপাৰী মুছলমান বুঢ়াজনৰ ঘৰতে লভিতাই আশ্ৰয় গ্ৰহণ কৰিবলগীয়া হয়। এদিন গোলাপ লভিতাক বিচাৰি আহি ইলাহী বকছ্ ৰ ঘৰ পালেহি। কিন্তু গোলাপে তাইক নিজৰ লগত লৈ যাবলৈ ইতঃস্তত বোধ কৰে। কাৰণ লভিতাক মিলিটাৰীয়ে হাতত ধৰা বা লঞ্চণা কৰা আৰু তাই মুছলমানৰ ঘৰত আশ্ৰয় লোৱাৰ কাৰণে গাঁৱে ভুঁএঞে তাইৰ বিষয়ে নানা কথা ওলাইছে আৰু সেইবাবে গোলাপে লভিতাক নিজৰ লগত লৈ যাবলৈ অপাৰগতা প্ৰদৰ্শন কৰিলে। নিজকে আজিৰ দিনৰ ডেকা বুলি গৌৰৱ কৰা



গোলাপে যেতিয়া সমাজৰ দোহাই দি তাইক গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰিলে, তেতিয়া লভিতাই খঙত জ্বলি উঠি গোলাপক কয় - "তুমি নক'বা আজিৰ দিনৰ ডেকা বুলি। তোমাক নিজকে সেই বুলি ভুৱা নিদিবা। যি ডেকাৰ অন্তৰত বিপ্লৱৰ জুই জ্বলা নাই, সি আজিৰ দিনৰ ডেকা হ'বই নোৱাৰে। ৰজাৰ অন্যায়, আইনৰ অন্যায় দেশৰ অন্যায়, দেশৰ চলি থকা অন্যায় নিয়ম - কাৰণ, মূৰ্খ সমাজৰ, সংকীৰ্ণ মনৰ মানুহৰ নিৰপৰাধী, নিমাখিতৰ ওপৰত অন্যায় অত্যাচাৰৰ বিৰুদ্ধে নিজ সুখ-সম্পদ, আনকি জীৱনকো দি যি ডেকাৰ থিয় হ'বলৈ মনত বল নাই, বুকুত শক্তি নাই, সি আজিৰ ডেকা হ'বই নোৱাৰে। "

গোলাপৰ লগত এৰাএৰি হোৱাৰ পাছত বিচ্ছেদৰ দুখ লৈ লভিতাই অনিশ্চিত যাত্ৰা আৰম্ভ কৰিলে। কিন্তু আকষ্মিকভাৱে তাই যুদ্ধৰ নাৰ্ছ ৰূপে বৃট্ৰিছ বাহিনীত ভৰ্তি হোৱাৰ সুযোগ পাই কহিমালৈ গুছি যায়। কিন্তু কহিমা জাপানী সৈন্যৰ হাতলৈ যোৱাত**(৬ পৃষ্ঠালৈ)**

## আত্মকেন্দ্ৰিকতা

**(৫ পৃষ্ঠাৰ পৰা)**শান্ত পৰিৱেশ সৃষ্টি কৰিব পাৰে, পৱিত্ৰ আৰু নিঃস্বাৰ্থ প্ৰেমেৰে সন্তানসকলক অনুপ্ৰাণিত কৰিব পাৰে, তেন্তে সমাজত নিশ্চয় সফলতা লাভ কৰিব। নাৰীয়ে সমাজত এনে কাম কৰিবলৈ যাওঁতে পুৰুষসকলৰ আন্তৰিক সহযোগ অপৰিহাৰ্য।

যুগৰ প্ৰভাৱ, পৰিৱেশ প্ৰদূষণ, ভোগবাদী সমাজ আৰু বিভিন্ন পৰিস্থিতিৰ বাবে বহুতো নাৰী ভোগ-বিলাস, কামনা-বাসনাত ডুব গৈ প্ৰকৃত সত্য-শান্তি আৰু উপলব্ধিৰ পৰা সম্পূৰ্ণ আঁতৰত আছে। সেইসকল নাৰীকো মহীয়সী মাতৃসকলে আধ্যাত্মিক জ্ঞানৰ যাদুকাঠীৰে জগাই তুলিলে মনৰ জগতৰ অজ্ঞান আন্ধাৰ আঁতৰি যাব আৰু সংস্কৃতিৰ পোহৰে তেওঁলোকৰ মন বিকশিত কৰাৰ লগে লগে সমাজতো তাৰ পূৰ্ণ প্ৰতিফলন হ'ব।

প্ৰতিগৰাকী নাৰীৰ হৃদয়ত দৈৱীগুণ সুপ্ত হৈ আছে। প্ৰকৃততে নাৰী অনন্যা, অসীম শক্তিৰ আধাৰ। ইচ্ছা কৰিলে নাৰীক কোনো শক্তিয়েই বাধা দিব নোৱাৰে। নাৰীয়ে পৱিত্ৰতা আৰু আধ্যাত্মিক শক্তিৰে মহিমামণ্ডিত হৈ নিজৰ স্বৰূপ প্ৰকাশ কৰিলে আজিৰ সমাজত দেখা দিয়া দুষ্কৃতি, অপসংস্কৃতি ৰোধ কৰি পৃথিৱীত সংস্কৃতিৰ অক্ষয় বন্তি জ্বলাই ৰাখিব পাৰিব।

## অসমীয়া নাট্যসাহিত্য

**(৫ পৃষ্ঠাৰ পৰা)**বৃট্ৰিছ সৈন্য, নাৰ্চ আদিসকলৰ লগতে লভিতাও বন্দী হয় আৰু তাইক নাৰ্চ হিচাপে হস্পিটালত নিযুক্তি দিয়ে। কিন্তু শেষত আজাদ হিন্দ ফৌজৰ সেনানী ৰূপে লভিতাই হাতত বন্দুক লৈ ৰণাংগিনী মূৰ্তিৰে দেখা দিছে। লভিতাই উদাত্তকণ্ঠেৰে সৈন্যসকলক স্বদেশপ্ৰেম জাগ্ৰত কৰিবলৈ অনুপ্ৰাণিত কৰি অৱশেষত শত্ৰুপক্ষৰ মেচিনগানৰ গুলিত ঢলি পৰে আৰু আই অসমীৰ মাটিৰে কপালত ফোঁট লৈ নিচানখনক সাৱতি চিৰকালৰ বাবে চকু মুদে। লভিতাৰ মৃত্যুৰ যোগেৰে নাটখনিৰ সামৰণি পৰে।

জ্যোতিপ্ৰসাদ আগৰৱালাৰ এই অনবদ্য নাট্যকৰ্ম 'লভিতা'ত ভালেসংখ্যক নাৰী আৰু পুৰুষ চৰিত্ৰৰ সমাৱেশ ঘটিলেও কোনো চৰিত্ৰকে নায়ক নায়িকা হিচাপে চিত্ৰিত কৰা হোৱা নাই। সেইসম্পৰ্কে নাট্যকাৰ জ্যোতিপ্ৰসাদে নাটখনিৰ পাতনিতে স্পষ্টভাৱে কৈ গৈছে যাতে পাঠৰ ক বা দৰ্শকে আখ্যান, প্লট, চৰিত্ৰাংকণ বিচাৰি হাবাথুৰি নাখায়। নাটখনি গতানুগতিক নাটকৰ শাৰীত নপৰে। কাহিনী বা আখ্যান আছে যদিও সেয়া নাটকীয় ঘটনাৱলী গাঁথিবলৈ সূত্ৰৰ দৰেহে লোৱা হৈছে। প্লটো ইয়াত দেখুৱাব খোজা নাই। লভিতা চৰিত্ৰটিক কেন্দ্ৰ কৰিয়ে নাটখনিৰ ঘটনা আগবাঢ়িছে যদিও চৰিত্ৰই নাটকীয় পৰিৱেশ সৃষ্টি কৰা নাই বৰং পৰিৱেশেহে চৰিত্ৰক গঢ় দিছে। নাটখনিত লভিতাৰ জীৱনৰ সকলোবোৰ ঘটনা একাদিক্ৰমে দৃশ্য পৰম্পৰাৰ মাজেৰে সজাই মৃত্যু পৰ্যন্ত দেখুওৱা হৈছে। লভিতাৰ এই গুৰুত্বপূৰ্ণ ভূমিকাৰ বাবে চৰিত্ৰটোক নাটখনিৰ নায়িকা বুলি ক'ব পাৰি। সেইফালৰ পৰা 'লভিতা' ক নায়িকাপ্ৰধাননাট বুলিও ক'ব পাৰি। নায়িকা হিচাপে থাকিবলগীয়া মানসিক দৃঢ়তা, ব্যক্তিত্ব, সাহস, পৰিস্থিতিক নিজৰ আয়ত্বলৈ অনা, স্বদেশপ্ৰেম আদি সকলোবোৰ সদ্‌গুণৰ অধিকাৰী আছিল।

## ১৭৩খন মেচত ১০০০ উইকেটেৰে অভিলেখ শ্ৰীলংকান ক্ৰিকেটাৰৰ

**(১ পৃষ্ঠাৰ পৰা)**একেখন খেলতে বদুৰেলিয়াৰ মালিন্দা পুষ্পাকুমাৰাই প্ৰথমে উইকেটৰক্ষক সোহন ডেলিভেৰাক আউট কৰে। তৃতীয় দিনা ৰাতিপুৱা প্ৰথম শ্ৰেণীৰ ক্ৰিকেটত ১০০০ উইকেট সম্পূৰ্ণ কৰি পচিন্দু সূৰিয়াবন্দৰাক বলিং কৰে। তেওঁ বিশ্ব ক্ৰিকেটত প্ৰথম শ্ৰেণীৰ ক্ৰিকেটত ১০০০ বা তাতকৈ অধিক উইকেট দখল কৰা ২১৮ নং বলাৰ হিচাপে পৰিগণিত হয়। মালিন্দা পুষ্পকুমাৰাৰ পূৰ্বে শ্ৰীলংকাৰ হৈ এই কৃতিত্ব অৰ্জন কৰিছে মুট্টিয়া মুৰালিথাৰণ , ৰঙান হেৰাথ , আৰু ডিনুকা হেট্টিয়াৰাচ্চি। পুষ্পকুমাৰাৰ তালিকা এ ক্ৰিকেটত ৰজ্জ্বটা আৰু টি-চজ্ব ক্ৰিকেটত ৰৰজ্বটা উইকেট। শ্ৰীলংকাৰ হৈ চাৰিখন টেষ্ট আৰু দুখন এদিনীয়া খেলি টেষ্টত ৰচ্ছ্ৰটা আৰু এদিনীয়াত এটা উইকেট দখল কৰে। চজ্বৰজ্জচনত শ্ৰীলংকাৰ হৈ টেষ্ট খেলত অভিষেক ঘটায়।

## অষ্ট্ৰেলিয়াই ডাঙৰ বিপৰ্যয়ৰ সন্মুখীন হৈছে

**(১ পৃষ্ঠাৰ পৰা)**উত্তৰ দিলে, "আমি নিশ্চিতভাৱে তেওঁক অহা কেইখনমান মেচত পুনৰ খেলা দেখিম। " সংবাদমেলত আয়াৰলেণ্ডৰ বিৰুদ্ধে খেলখনৰ বাবে মাৰ্ছে নিজৰ প্লেইং একাদশ ঘোষণা কৰা নাছিল। অৱশ্যে অনুমান কৰা হৈছে যে যদিহে ডেভিদক মেচখনৰ পৰা বাহিৰ কৰা হয় তেন্তে তেওঁৰ ঠাইত মেট ৰেনশ্ব'ক অন্তৰ্ভুক্ত কৰা হ'ব পাৰে। ৰেনশ্বৰে এতিয়ালৈকে মাত্ৰ তিনিখন টি-চজ্ব খেলিছে। এই মেচখনৰ পূৰ্বে অষ্ট্ৰেলিয়াই লাভ কৰিলে কিছু ভাল খবৰ। দলটোৰ তাৰকা বেগী বলাৰ নাথান এলিছ আঘাতৰ পৰা সুস্থ হৈ উঠিছে আৰু এই মেচখনৰ বাবে সম্পূৰ্ণ ফিট হৈ আছে। চজ্বৰৰ চনৰ পিছত প্ৰথমবাৰৰ বাবে বিশ্বকাপত মিচেল ষ্টাৰক, জোছ হেজলউড, পেট কামিন্সৰ অনুপস্থিতিত এলিছে দ্ৰুত বলিং আক্ৰমণৰ নেতৃত্ব দিব। হেজলউড (এচিলিছ) আৰু কামিন্স (বেক) আঘাতৰ বাবে প্ৰতিযোগিতাখনৰ পৰা বাহিৰ হোৱাৰ বিপৰীতে ষ্টাৰকে টি-চজ্ব আন্তঃৰাষ্ট্ৰীয় খেলৰ পৰা অৱসৰ গ্ৰহণ কৰিছে। এই বিশ্বকাপত নাথান এলিছৰ সৈতে থাকিব বেগী বলাৰ জেভিয়াৰ বাৰ্টলেট আৰু বেন ডঞ্জৰ্ৱাৰ্শুইছ।

## আছাম বিশ্ববিদ্যালয়ত এমাহজোৰা থ্ৰীডি প্ৰিণ্টিং প্ৰশিক্ষণ কাৰ্যসূচীৰ সামৰণি

**(২ পৃষ্ঠাৰ পৰা)**প্ৰদান কৰে। বিদায় আৰু প্ৰমাণ পত্ৰ বিতৰণ অনুষ্ঠানত মুখ্য অতিথি হিচাপে আছাম বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক ৰাজীৱ মোহন পন্থৰ লগতে হোজাইৰ ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক মানবেন্দ্ৰ দত্ত চৌধুৰীয়ে সন্মানীয় অতিথি হিচাপে উপস্থিত থাকে। লগতে উপস্থিত থাকে আছাম বিশ্ববিদ্যালয়ৰ থ্ৰীডি প্ৰিণ্টিং লেবৰ ন'ডেল অফিচাৰ ডঃ অজিতা তিৱাৰী। স্প'ক চেণ্টাৰৰ প্ৰযুক্তি বিশেষজ্ঞ দীপজ্যোতি আৰু অসীমাই প্ৰশিক্ষণ কাৰ্যসূচীৰ বিভিন্ন পৰ্যায়ত অংশগ্ৰহণক ৰীসকলক সক্ৰিয়ভাৱে পথ প্ৰদৰ্শন আৰু সহায় আগবঢ়ায়। সভাত ভাষণ দি বক্তাসকলে উচ্চ শিক্ষাত এডিটিভ মেনুফেকচাৰিং, ডিজিটেল ডিজাইন, আৰু উদ্ভাৱন-চালিত দক্ষতা বিকাশৰ ক্ৰমবৰ্ধমান গুৰুত্বৰ ওপৰত আলোকপাত কৰে। তেওঁলোকে ছাত্ৰ-ছাত্ৰীসকলক ইণ্টাৰশ্বিপৰ সময়ত লাভ কৰা জ্ঞান আৰু ব্যৱহাৰিক অভিজ্ঞতাক তেওঁলোকৰ শৈক্ষিক সাধনা আৰু ভৱিষ্যতৰ পেছাদাৰী কেৰিয়াৰত প্ৰয়োগ কৰিবলৈ উৎসাহিত কৰে।

## যুক্তৰাজ্য অসম সাহিত্য সভাৰ সাহিত্য দিৱসত অধ্যাপিকা নীলিমা ভাগৱত

**(৩ পৃষ্ঠাৰ পৰা)**উৎসাহ যোগোৱা বাবে তেওঁ অভিভাৱকসকলৰো শলাগ লয়। তেওঁ মাতৃভাষা তথা জাতিপ্ৰেম অক্ষুণ্ণ ৰাখিবলৈ আৰু গঠনমূলক চিন্তা-চৰ্চাৰে নিজৰ ভাষা-সংস্কৃতিক শিপাৰ সৈতে সংপৃক্ত হৈ থাকি আগবঢ়াই নিবলৈ প্ৰবাসী অসমীয়াসকলক আহ্বান জনায়। অসমক সকলো ক্ষেত্ৰতে উন্নয়নৰ দিশত আগবঢ়াই নিবলৈ বিদেশত থাকিয়েই কাম কৰি যাবলৈয়ো তেওঁ প্ৰবাসী অসমীয়াসকলক আহ্বান জনায়।

## ধমধমাত বানাক্ৰান্তক সাহায্যৰ বাবে অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদ তৎপৰ

**(১ পৃষ্ঠাৰ পৰা)**সকলে ৰাইজৰ পৰা স্বেচ্ছামূলক অনুদান সংগ্ৰহ কৰে। এই কাৰ্যসূচীত স্থানীয় ব্যৱসায়ী, দোকানদাৰ আৰু সচেতন নাগৰিকসকলেও আন্তৰিকভাৱে সঁহাৰি জনাই বানপীড়িত লোকসকলৰ সহায়ৰ বাবে দান আগবঢ়ায়। ইফালে আজি নলবাৰী চহৰত ছাত্ৰ সমাজ, শিল্পী সমাজ, নাগাৰা নাম সংঘসহ থিয়েটাৰ কলাগুৰুৰ কলা কুশলী হাতত দানপাত্ৰ লৈ চহৰৰ ব্যৱসায়ী প্ৰতিষ্ঠান তথা সচেতন লোকৰ পৰা স্বেচ্ছামূলক অনুদান সংগ্ৰহ কৰা পৰিলক্ষিত হয়।

## হাই ভল্টেজৰ সংঘৰ্ষত ভাৰতীয় দলৰ বিৰুদ্ধে ৭-৩ গ'লত পৰাস্ত পাকিস্তান

**(৮ পৃষ্ঠাৰ পৰা)**এদিনতে দুটা বৃহৎ জয় নিশ্চিত কৰি ভাৰতীয় পুৰুষ দলৰ আত্মবিশ্বাস আৰু অধিক বৃদ্ধি কৰিছে। দলটোৱে এতিয়া প্ৰতিযোগিতাখনৰ অন্তিম দিনটোত এই বিজয়ৰ ধাৰা অক্ষুণ্ণ ৰখাৰ লক্ষ্য ৰাখিব। ইয়াৰ পূৰ্বে ভাৰতীয় দলটোৱে পূৰ্বৰ চাৰিখন মেচত বাংলাদেশ (দুবাৰ), ওমান, আৰু পাকিস্তানৰ হাতত গুৰুতৰ পৰাজয়ৰ অৰ্পণ কৰিছিল। ইয়াৰ পিছত ভাৰতীয় পুৰুষৰ দলটোৱে ২৫ জুলাইত খেলপথাৰত অৱতীৰ্ণ হ'ব, যিটো প্ৰতিযোগিতাখনৰ অন্তিম দিন। ইফালে ভাৰতীয় মহিলা দলটোৱে চীনৰ বিৰুদ্ধে পৰাজয়ৰ সন্মুখীন হ'বলগীয়া হয় আৰু ৬-৩ গ'লত পৰাস্ত হয়। অৱশ্যে দিনটোৰ দ্বিতীয়খন মেচত উজবেকিস্তানক ১০-০ গ'লত পৰাস্ত কৰি উভতি আহিছিল। ইয়াৰ পূৰ্বে চ্ব জুলাইত মহিলা দলটোৱে কাজাখাস্তানৰ বিৰুদ্ধে ৰজ্ব-জ্ব গ'লত গুঞ্জড়িত জয়লাভ কৰিছিল। মন কৰিবলগীয়া যে এফ আই এইচ ইউথ হকীপ্ত এছ এছিয়ান চেম্পিয়নশ্বিপে উদ্বোধনী এফ আই এইচ ইউথ হকীপ্তছ বিশ্বকাপৰ এছিয়ান কোৱালিফায়াৰ হিচাপেও কাম কৰে।

## নামিবলৈ ধৰিছে দিখৌ, দিহিং আৰু দিচাং

**(১ পৃষ্ঠাৰ পৰা)** ৯৮.৪৪ মিটাৰ (বিপদসীমা ৯৮.৫০ মিটাৰ) আৰু দিহিংমুখত ৯৭.২০ মিটাৰলৈ (বিপদসীমা ৯৭.৬৩ মিটাৰ) হ্ৰাস পাই দুয়োটা স্থানতে বিপদসীমাৰ তললৈ নামিছে। একেদৰে, নাওলামৰাত দিচাং নদীৰ পানী ৯৫.১৮ মিটাৰ (বিপদসীমা ৯৪.৪৬ মটাৰ), এ. টি. ৰোড ক্ৰছিংত ৯২.৩৮ মিটাৰ (বিপদসীমা ৯২.০০ মিটাৰ) আৰু মিটং নদীৰ পানী ৯০.০০ মিটাৰলৈ (বিপদসীমা ৮৯.০০ মিটাৰ) হ্ৰাস পাইছে। দিচাংমুখত ব্ৰহ্মপুত্ৰ নদীৰ পানী ৯০.২৭ মিটাৰলৈ হ্ৰাস পাই বিপদসীমাৰ (৯১.০০ মিটাৰ) তলত সুৰক্ষিত অৱস্থাত প্ৰৱাহিত হৈছে। আনহাতে, ধাইআলিত দৰিকা নদীৰ পানী ৯২.০২ মিটাৰত (বিপদসীমা ৯০.৪৭ মিটাৰ) স্থিৰ হৈ বিপদসীমাৰ ওপৰেৰে বৈ আছে। অধিকাংশ নদীৰে জলস্তৰ হ্ৰাস পাবলৈ ধৰাত জিলাখনৰ বানাক্ৰান্ত ৰাইজে কিছু পৰিমাণে সকাহ পাইছে যদিও পানী সম্পূৰ্ণৰূপে নকমালৈকে প্ৰশাসনে ক্ষয়-ক্ষতি আৰু নদীপৰীয়া অঞ্চলসমূহত সতৰ্ক দৃষ্টি অব্যাহত ৰাখিছে।

## চলিত বানত এতিয়ালৈকে ৫০ জনৰ মৃত্যু

**(১ পৃষ্ঠাৰ পৰা)**জনায় যে বিগত বৰ্ষৰ তুলনাত এইবাৰ শিৱসাগৰ, চৰাইদেউ আৰু ধেমাজি জিলাত সৰ্বাধিক পৰিমাণে বৰষুণ হৈছে। বিশেষকৈ যোৱা ৭২ ঘণ্টাত উক্ত খন জিলাত ৰেকৰ্ড পৰিমাণে বৰষুণ হোৱাৰ ফলত নদ-নদীসমূহ বিপদসীমাৰ ওপৰেৰে বৈ আছে। লগতে নগালেণ্ড, অৰুণাচল আদি চুবুৰীয়া ৰাজ্যৰ পৰা অহা প্ৰবল বানপানীৰ ফলত অসমৰ বান পৰিস্থিতিয়ে ভয়ংকৰ ৰূপ লৈছে বুলি তেওঁ উল্লেখ কৰে। মুখ্যমন্ত্ৰীয়ে দুখেৰে প্ৰকাশ কৰে যে বৰ্তমানলৈকে ৫০জন লোক বানত মৃত্যু হৈছে আৰু ১৭ জনতকৈও অধিক লোক সন্ধানহীন হৈ আছে। ইতিমধ্যে চৰকাৰে উদ্ধাৰকাৰী দলক সন্ধানহীন লোকক বিচাৰি উলিয়াবলৈ নিৰ্দেশ দিছে। বৰ্তমান উদ্ধাৰ কাৰি দল অভিযান অব্যাহত ৰাখিছে। কিন্তু পানীৰ সোঁত আৰু পানীৰ পৰিমাণ বেছি থকাৰ বাবে সকলো কাম কৰিবলৈ সম্ভৱ কৰা ব্যাপক সমস্যাই গা কৰি উঠিছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। ইয়াৰ উপৰিও বানত গৰু, ম'হকে ধৰি বহু মূল্যবান সা-সম্পত্তিৰ ব্যাপক ক্ষয়-ক্ষতি হৈছে বুলি তেওঁ উল্লেখ কৰে। কৃষি বিভাগৰ প্ৰাথমিক ৰিপ'ৰ্ট অনুসৰি হাজাৰ হাজাৰ বিঘা কৃষি মাটি পানীত তল গৈছে। চাহ বাগিচা আৰু মীনপালন খণ্ডইও যথেষ্ট ক্ষতিৰ সন্মুখীন হৈছে। উজনি অসমৰ অৱস্থা আটাইতকৈ ভয়াৱহ বুলি কৈ মুখ্যমন্ত্ৰীয়ে জনায় যে শিৱসাগৰ জিলাৰ ২০ শতাংশ আৰু চৰাইদেউ জিলাৰ ৩০ শতাংশ গাঁৱলৈ এতিয়াও প্ৰশাসন যাব পৰা নাই। পানীৰ সোঁত আৰু ভাঙি যোৱা যোগাযোগ ব্যৱস্থাৰ বাবে এনডিআৰএফ আৰু এছডিআৰএফৰ দলকো যাবলৈ সম্ভাৰপৰ হৈ উঠা নাই। ইয়াৰ বাবে কিছু সময়ৰ প্ৰয়োজন হব বুলি জানিবলৈ দিয়ে। লগতে মুখ্যমন্ত্ৰীয়ে কয় যে হেলিকপ্তাৰেৰে সামগ্ৰী যোগান ধৰাৰ কথা চিন্তা কৰা হৈছিল যদিও মজবুত পেকিং নথকাৰ বাবে হেলিকপ্তাৰে সামগ্ৰী বিতৰণ কৰাটো সম্ভৱ হৈ উঠা নাই। "আমি এতিয়া হেলকপ্টাৰে খাদ্য সামগ্ৰী বিতৰণৰৰ বাবে বিশেষ পেকিং কৰাৰ ব্যৱস্থা কৰিছো। অতি সোনকালে বিচ্ছিন্ন অঞ্চলত খাদ্য আৰু ঔষধ পঠিওৱা হ'ব" - তেওঁ লগতে কয়। দুৰ্গত লোকক উদ্ধাৰ আৰু আশ্ৰয় শিবিৰলৈ অনাৰ ক্ষেত্ৰত চৰকাৰে যুদ্ধকালীন তৎপৰতাৰে কাম কৰি আছে বুলি কৈ মুখ্যমন্ত্ৰীয়ে কয় যে অসমৰ জলসম্পদ মন্ত্ৰী শশাংক বৰগোহাঁই, উদ্যোগ তথা সাংস্কৃতিক মন্ত্ৰী বিমল বড়াক ধৰি স্থানীয় সকলো বিধায়কে একত্ৰিত হৈ দিনে-নিশাই দুৰ্গত লোকক সহায়ৰ হাত আগবঢ়াইছে। তেওঁলোক নিজে বানপীড়িত অঞ্চলত উপস্থিত হৈ পৰিস্থিতি পৰ্যবেক্ষণ কৰি আছে। ৰাজ্যৰ বিভিন্ন প্ৰান্তত প্ৰায় ৫০ তকৈও অধিক ৰাজহুৱা আশ্ৰয় শিবিৰ খোলা হৈছে আৰু প্ৰায় ৩ লাখতকৈ অধিক লোকে আশ্ৰয় লৈছে। ক্ষতিগ্ৰস্ত লোকক খাদ্য, পানী আৰু ঔষধ যোগান ধৰা হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে সংবাদমেলত জানিবলৈ দিয়ে। শেহত মুখ্যমন্ত্ৰীয়ে ৰাইজক আতংকিত নহ'বলৈ আহ্বান জনাই কয় যে চৰকাৰে পৰিস্থিতিৰ ওপৰত চোকা নজৰ ৰাখিছে আৰু প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰা হ'ব। লগতে বানপাছত কৃষক বিশেষ সাহায্য পেকেজ দিয়াৰ কথা চিন্তা কৰা হৈছে বুলি তেওঁ জানিবলৈ দিয়ে।

## উজনিৰ বানৰ খবৰ ল'লে প্ৰধানমন্ত্ৰীয়ে

**(১ পৃষ্ঠাৰ পৰা)**মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ পৰা ল'লে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে। মুখ্যমন্ত্ৰীয়ে এই সন্দৰ্ভত সামাজিক মাধ্যমত লিখিছে- " অসমৰ প্ৰতিটো বিষয় লৈ মাননিয় প্ৰধানমন্ত্ৰী শ্ৰীনৰেন্দ্ৰ মোদী ডাঙৰীয়া সদায় সক্ৰিয় আৰু সচেতন। কিছু সময় পূৰ্বে মাননিয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াই টেলিফোনযোগে অসমৰ বান পৰিস্থিতিৰ বুজ লয়। বানৰ ফলত হোৱা ক্ষয়-ক্ষতি, চলি থকা উদ্ধাৰ আৰু সাহায্য অভিযানৰ লগতে দুৰ্যোগ সম্পৰ্কীয় প্ৰত্যাহ্বানসমূহৰ বিষয়ে তেখেতে বিস্তৃতভাৱে আমাৰ পৰা খতিয়ান লয়। মাননিয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াই এই দুৰ্যোগত প্ৰাণ হেৰুওৱা লোকসকলৰ লগতে আপোনজন আৰু সম্পত্তি হেৰুওৱাসকলৰ প্ৰতি গভীৰ শোক প্ৰকাশ কৰে। তেখেতে আশ্বস্ত কৰে যে এই সংকটক ভাৰত চৰকাৰে সৰ্বোচ্চ অগ্ৰাধিকাৰ প্ৰদানেৰে বিবেচনা কৰিছে। উদ্ধাৰ, সাহায্য, পুনৰ্বাসন কাৰ্যত কেন্দ্ৰীয় চৰকাৰে যথাসম্ভৱ সকলোধৰণৰ সহায় আগবঢ়াই যাব বুলিও তেখেতে অভয় প্ৰদান কৰে। ৰাজ্য চৰকাৰে গ্ৰহণ কৰা পদক্ষেপসমূহ, বন্যাৰ্তৰ উদ্ধাৰ, সাহায্য আৰু পুনৰ্বাসন কাৰ্যৰ অগ্ৰগতিৰ লগতে বানপীড়িত প্ৰতিটো পৰিয়ালৰ কাষত থাকিবলৈ ৰাজ্য চৰকাৰৰ অধীনত চলি থকা নিৰন্তৰ প্ৰচেষ্টাৰ বিষয়ে তেখেতক অৱগত কৰোঁ। এই কঠিন সময়ত অসমৰ জনসাধাৰণৰ প্ৰতি আগবঢ়োৱা সহমৰ্মিতা, আশ্বাস আৰু দৃঢ় সমৰ্থনৰ বাবে মাননিয় প্ৰধানমন্ত্ৰী শ্ৰীনৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ ওচৰত অসমৰ জনসাধাৰণৰ হৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। '

## বাণত ক্ষতিগ্ৰস্ত ছাত্ৰ-ছাত্ৰী, মন্ত্ৰী বিমল বড়াৰ পৰামৰ্শ

**(১ পৃষ্ঠাৰ পৰা)**মন্ত্ৰী বিমল বড়াই এই বিষয়টো লৈ আজি শিৱসাগৰত ভাৰতীয় জনতা যুৱ মৰ্চাৰ ৰাজ্যিক সভাপতি ৰাকেশ দাসকে ধৰি ৰাজ্যিক সমিতিৰ বিষয়ববীয়াসকলৰ সৈতে এক গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। বৈঠকত বানত ক্ষতিগ্ৰস্ত হোৱা ছাত্ৰ-ছাত্ৰী আৰু যুৱক- যুৱতীসকলৰ প্ৰয়োজনীয় নথিপত্ৰসমূহ সংশ্লিষ্ট বিভাগসমূহৰ সহযোগত পুনৰুদ্ধাৰ বা পুনৰ প্ৰস্তুত কৰাৰ বাবে দ্ৰুত আৰু ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ কৰিবলৈ যুৱ মৰ্চাৰ নেতৃবৃন্দক মন্ত্ৰী বড়াই পৰামৰ্শ আগবঢ়ায়। দুৰ্যোগৰ এই কঠিন সময়ত যাতে এজনো শিক্ষাৰ্থী বা যুৱক-যুৱতী কেৱল নথিপত্ৰ হেৰুওৱাৰ বাবে অসুবিধাৰ সন্মুখীন নহয়, সেই লক্ষ্যৰে সকলো স্তৰত সমন্বয় সাধন কৰি কামত অগ্ৰসৰ হোৱাৰ বাবেও যুৱ মৰ্চাৰ বিষয় ববীয়া সকলক মন্ত্ৰী বড়াই পৰামৰ্শ প্ৰদান কৰে।

## চৰকাৰে মানি ল'লে সকলো দাবী

**(১ পৃষ্ঠাৰ পৰা)**লগতে চিজেপিয়ে প্ৰতিবাদ বাতিল কৰা বুলি উল্লেখ কৰে। তদুপৰি কেন্দ্ৰীয় মন্ত্ৰী আৰু চিজেপিৰ মুখপাত্ৰই স্পষ্ট কৰি দিয়ে যে প্ৰতিবাদকাৰীৰ বিৰুদ্ধে কোনো ব্যৱস্থা গ্ৰহণ কৰা নহ'ব; দিল্লী বা অন্যান্য ৰাজ্যত বিক্ষোভ প্ৰদৰ্শন কৰাসকলৰ বাবে ভৱিষ্যতে কোনো প্ৰতিক্ৰিয়া নহ'ব। সৌৰভ দাসে কয়, "ককৰোচ জনতা পাৰ্টিয়ে ঘোষণা কৰিছে যে আমি সদিচ্ছাৰে আন্দোলন প্ৰত্যাহাৰ কৰিছো, এই বুজাবুজিৰে যে চুক্তিবদ্ধ চৰ্তসমূহ নিৰ্দিষ্ট সময়সীমাৰ ভিতৰত পূৰণ হ'ব। " প্ৰতিবাদকাৰীৰ এইকেইটা দাবী চৰকাৰে মানি লৈছিল ? শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ পদত্যাগ।, নীট প্ৰশ্নকাকত ফাদিল হোৱাৰ ফলত আত্মহত্যা কৰি মৃত্যু হোৱা ছাত্ৰ-ছাত্ৰীৰ পৰিয়াললৈ ১ কোটি টকাৰ ক্ষতিপূৰণ। প্ৰতিবাদকাৰীৰ বিৰুদ্ধে কোনো ব্যৱস্থা গ্ৰহণ নকৰিব; পঞ্জীয়নভুক্ত এফআইআৰসমূহো বাতিল কৰা হ'ব। কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডা আৰু জিতেন্দ্ৰ সিঙে দিল্লীৰ কনষ্টিটিউচন ক্লাবত প্ৰায় দুঘণ্টা ধৰি চিজেপিৰ মুখপাত্ৰ সৌৰভ দাস আৰু আশুতোষ ৰাংকাৰ সৈতে আলোচনাত মিলিত হয়। ইয়াৰ পিছতে যৌথ সংবাদমেলত এই প্ৰতিবাদৰ অন্ত পেলোৱাৰ সিদ্ধান্ত ঘোষণা কৰা হয়। চাৰি সপ্তাহৰ পাছত পুনৰ কেন্দ্ৰীয় মন্ত্ৰীসকলক চিজেপিৰ মুখপাত্ৰই সাক্ষাৎ কৰিব বুলিও উল্লেখ কৰা হৈছে। দেশৰ শিক্ষা ব্যৱস্থা আৰু ত্বড্ৰড্ৰথ্ব পৰীক্ষাকে ধৰি প্ৰতিযোগিতামূলক পৰীক্ষাৰ উন্নত পৰিচালনা সন্দৰ্ভত আলোচনা কৰা হয়। সুখ প্ৰকাশ কৰি কৰ্মী সোণম ৱাংচুকে কয় যে, "চৰকাৰ আৰু ধৰ্মেন্দ্ৰ প্ৰধানে গ্ৰহণ কৰা পদক্ষেপক মই আদৰণি জনাইছো আৰু সন্মান জনাইছো, আৰু মোৰ সকলো সহ নাগৰিকক অভিনন্দন জনাইছো। গণতন্ত্ৰৰ বাবে এয়া এক জয় যিটো আমি আজি প্ৰত্যক্ষ কৰিছো। " এই বিষয়টো প্ৰথমে উত্থাপন কৰা আমাৰ চিজেপি দলটোৰ লগতে তেওঁলোকক সমৰ্থন কৰা স্বেচ্ছাসেৱকসকলক, আৰু গণতন্ত্ৰৰ পক্ষত থিয় দিয়া সমগ্ৰ দেশৰ ছাত্ৰ-ছাত্ৰী, যুৱক-যুৱতী, আৰু বৃদ্ধসকলক অভিনন্দন আৰু ধন্যবাদ জনাইছো। মই তেওঁলোক সকলোকে সন্মান কৰো, আৰু আটাইতকৈ ডাঙৰ কথাটো হ'ল তেওঁলোকে শান্তি বজাই ৰখাৰ ধৰণটোক মই সন্মান কৰো। আশা কৰোঁ আমি এই শান্তি বজাই ৰাখিম আৰু ভৱিষ্যতেও যাতে কোনো অন্যায়ৰ সৃষ্টি নহয়। আমি সংস্কাৰৰ কাম কৰিব লাগিব। কেৱল হাৰ মানিলেই এটা জাতি গঢ়ি তোলা নহয়। শিক্ষাৰ উন্নতি হ'ব লাগিব, আৰু সেই দিশত কাম চলি থাকিব লাগিব। মোৰ সম্পূৰ্ণ বিশ্বাস যে চৰকাৰে যি উদাৰতাৰে এই পদক্ষেপ লৈছে, সেয়াও ইয়াৰ সংস্কাৰ প্ৰচেষ্টাত প্ৰতিফলিত হ'ব। কেৱল শিক্ষাতে নহয়, শাসন ব্যৱস্থাতো উন্নতি হ'ব। মই আশা কৰিছো যে এতিয়াৰ পৰা দেশখন চলোৱাৰ ধৰণ সলনি হ'ব; জাতিটোক ভয়তকৈ প্ৰেম আৰু মৰমৰ দ্বাৰা পৰিচালিত হ'ব, আৰু অন্যায়তকৈ সত্যৰ পথত পৰিচালিত হ'ব। কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে পদৰ পৰা পদত্যাগ কৰিছে। ছ'চিয়েল মিডিয়া প্লেটফৰ্ম এক্সত পদত্যাগ ঘোষণা কৰি প্ৰধানে লিখিছে যে এয়া তেওঁৰ বাবে প্ৰতিপত্তিৰ বিষয় নহয়। শিক্ষামন্ত্ৰীৰ পদত্যাগৰ পিছতে চিজেপিৰ প্ৰতিষ্ঠাপক অভিজিৎ দীপকে-যিজনে দিল্লীৰ যন্তৰ মন্তৰত প্ৰতিবাদ সাব্যস্ত কৰি আছিল-তেওঁ মন্তব্য কৰে যে, "ধৰমেন্দ্ৰ প্ৰধানে পদত্যাগ কৰিছে। ইয়াৰ দ্বাৰা প্ৰমাণিত হৈছে যে যদি আপুনি ভয় নকৰে আৰু এই চৰকাৰৰ ওচৰত প্ৰণাম নকৰে তেন্তে আপুনি যিকোনো ব্যক্তিক পদত্যাগ কৰিবলৈ বাধ্য কৰিব পাৰে।বহু নেতাই মোক কৈছিল যে এই চৰকাৰত পদত্যাগ নহয়। দীপকে আৰু কয়, "যোৱা এমাহত বহু বিশিষ্ট নেতাই মোক কৈছিল, 'আপুনি এই চৰকাৰখনক চিনি নাপায়; ইয়াত পদত্যাগ নহয়। ' মই ক'ব বিচাৰো: পৃথিৱীখনে প্ৰণাম কৰে-প্ৰণাম কৰিবলৈ মাত্ৰ ইচ্ছাশক্তিৰ প্ৰয়োজন। "প্ৰধানৰ পদত্যাগৰ পিছত দীপকে যন্তৰ মন্তৰত উপস্থিত থকা আৰক্ষী জোৱানকো ভাবুকি প্ৰদান কৰে। তেওঁ তেওঁলোকক প্ৰত্যাহ্বান জনাই কয় যে যদি কোনো মন্ত্ৰীয়ে পদত্যাগ কৰিবলৈ বাধ্য হৈছে, তেন্তে তুলনামূলকভাৱে আপুনি কি? ইফালে পদত্যাগৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি দিল্লীৰ প্ৰাক্তন উপ মুখ্যমন্ত্ৰী মনীষ চিছ'দিয়াই পোষ্ট কৰে যে, "জাতিৰ যুৱ শক্তিক চেলুট, জেন জেডক চেলুট, আৰু প্ৰতিজন প্ৰতিবাদকাৰীক চেলুট। এজন দুৰ্নীতিগ্ৰস্ত শিক্ষামন্ত্ৰীয়ে পদত্যাগ কৰিবলৈ বাধ্য হ'ল। মোদীয়ে জেন জেডৰ আগত প্ৰণাম কৰিবলগীয়া হ'ল। "ইয়াৰ উপৰিও আম আদমী পাৰ্টিৰ সাংসদ স্য সিঙে এক্সত পোষ্ট কৰি **(৭ পৃষ্ঠালৈ)**

## চৰকাৰে মানি ল'লে সকলো দাবী

(৬ পৃষ্ঠাৰ পৰা)কয়- "যুৱ শক্তি জীয়াই থাকক, ছাত্ৰ শক্তি জীয়াই থাকক। যুৱক-যুৱতীসকলে যি দিশত আগবাঢ়িছে, সেই দিশটো বিশ্বই অনুসৰণ কৰে। তেওঁলোকৰ আন্দোলনৰ জৰিয়তে কোটি কোটি ভাৰতীয় যুৱকে মোডী চৰকাৰক গভীৰ নিদ্ৰাৰ পৰা জগাই শিক্ষামন্ত্ৰীক পদত্যাগ কৰিবলৈ বাধ্য কৰাইছিল। কাগজ ফাদিলৰ বিষয়টোৰ পৰা আৰম্ভ হোৱা যুদ্ধখন কৰ্মসংস্থাপনৰ দাবীলৈকে বিস্তৃত হ'ব। এতিয়াৰ পৰা প্ৰতিটো ভুলৰ জবাবদিহি হ'ব। " be fixed in the country। আন্দোলনৰ জয়ৰ বাবে অভিনন্দন। কংগ্ৰেছ নেতা অধীৰ ৰ্ন চৌধুৰীয়েও মন্তব্য কৰে যে, "এয়া বহু আগতেই কৰিব পৰা গ'লহেঁতেন। " আগতে এই কাম কৰা হ'লে এনে দুৰ্ভাগ্যজনক ঘটনা ৰোধ কৰিব পৰা গ'লহেঁতেন। মই অনুভৱ কৰোঁ যে চৰকাৰে ধৰ্মেন্দ্ৰ প্ৰধানৰ পদত্যাগ মানি ল'বলৈ বাধ্য হৈছিল। দেশজুৰি যুৱক-যুৱতীসকলৰ প্ৰতিবাদৰ মাজতে কেন্দ্ৰীয় শিক্ষামন্ত্ৰী পদৰ পৰা পদত্যাগ কৰিছে ধৰ্মেন্দ্ৰ প্ৰধানে। এক্সৰ ওপৰত লিখি তেওঁ উল্লেখ কৰে যে যুৱক-যুৱতীসকলে পঢ়া-শুনাত সময় উছৰ্গা কৰি নিজৰ কেৰিয়াৰ গঢ়ি তোলাত মনোনিৱেশ কৰিব লাগে বুলি মতামত লৈ তেওঁ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীক পদত্যাগ পত্ৰ দাখিল কৰে। তেওঁ উল্লেখ কৰে যে তেওঁ চাৰি দশকৰো অধিক সময় ছাত্ৰ-ছাত্ৰী, শিক্ষক, আৰু শিক্ষা সংস্কাৰৰ কামত উৎসৰ্গা কৰিছে। ধৰ্মেন্দ্ৰ প্ৰধানেও নিজৰ এক্স প্ৰফাইলৰ পৰা "শিক্ষা মন্ত্ৰী" উপাধি আঁতৰাইছে। পদত্যাগ কৰাৰ সময়ত ধৰ্মেন্দ্ৰ প্ৰধানে জাতিৰ ছাত্ৰ-ছাত্ৰীৰ উজ্বল ভৱিষ্যত কামনা কৰিছিল। বিৰোধী দলসমূহৰ সন্দৰ্ভত তেওঁ দায়িত্বশীল পদবীত থকা ব্যক্তিসকলে বাধা সৃষ্টি কৰাৰ লগতে বহু ছাত্ৰ-ছাত্ৰীক বিপথে পৰিচালিত কৰাৰ চেষ্টা কৰাত গভীৰ দুখ প্ৰকাশ কৰে। ভাৰতৰ যুৱ শক্তিক দেশৰ প্ৰকৃত শক্তি বুলি অভিহিত কৰি শিক্ষামন্ত্ৰীগৰাকীয়ে লিখিছে যে তেওঁ সদায় যুৱ প্ৰজন্মৰ আকাংক্ষা, সপোন, আশাক গভীৰভাৱে সন্মান জনাই আহিছে। তেওঁলোক কেৱল ভাৰতৰ ভৱিষ্যত নহয়, নতুন আৰু উন্নত ভাৰতৰ মশালবাহক, সৃষ্টিকৰ্তা, স্থপতিও। তেওঁ আৰু প্ৰতিশ্ৰুতি দিয়ে যে জাতিটোৰ যুৱ শক্তিক বিভ্ৰান্তিৰ জালত আবদ্ধ হ'বলৈ নিদিয়ে। ধৰ্মেন্দ্ৰ প্ৰধানেও প্ৰধানমন্ত্ৰী মোডী আৰু তেওঁৰ সকলো সহযোগীক কৃতজ্ঞতা জ্ঞাপন কৰে। তেওঁ লিখিছে, "প্ৰধানমন্ত্ৰীৰ পথ প্ৰদৰ্শন, আস্থা আৰু অহৰহ সমৰ্থনৰ বাবে মই আন্তৰিক কৃতজ্ঞতা প্ৰকাশ কৰিছো। লগতে মন্ত্ৰী পৰিষদৰ মোৰ সকলো সন্মানীয় সহকৰ্মী, মন্ত্ৰালয়ৰ বিষয়া আৰু কৰ্মচাৰী, আৰু যিসকল ব্যক্তিৰ সৈতে কাম কৰাৰ সৌভাগ্য লাভ কৰিছিলো তেওঁলোকক ধন্যবাদ জনাইছো। জাতিটোৰ প্ৰতি সেৱা মোৰ জীৱনৰ সৰ্বোচ্চ অগ্ৰাধিকাৰ; মই ইয়াৰ প্ৰতি চিৰদিনৰ বাবে উৎসৰ্গিত হৈ থাকিম। "

৩৬ দিন পূৰ্বে দিল্লীৰ যন্তৰ মন্তৰত ককৰোচ জনতা পাৰ্টিয়ে প্ৰতিবাদ সাব্যস্ত কৰিছিল। প্ৰথম অৱস্থাত এই প্ৰতিবাদ ৰুটিন আছিল যদিও ২০ জুলাইত সংসদলৈ যাত্ৰাৰ সময়ত ছাত্ৰ-ছাত্ৰীৰ ওপৰত লাঠিচাৰ্জৰ পিছত পৰিস্থিতি তীব্ৰতৰ হৈ পৰে। যন্তৰ মন্তৰত প্ৰতিবাদকাৰীৰ ভিৰ ফুলি উঠে, আৰু দেশৰ অন্যান্য চহৰতো বিক্ষোভ আৰম্ভ হয়। ইয়াৰ পাছত ২৫ জুলাইত শিক্ষামন্ত্ৰীয়ে প্ৰধানমন্ত্ৰী মোডীক পদত্যাগ দাখিল কৰে। অৱশ্যে পদত্যাগ পত্ৰ গ্ৰহণ কৰা বুলি এতিয়াও নিশ্চিত হোৱা নাই। বৰ্তমান চিজেপিৰ প্ৰতিনিধি আৰু কেন্দ্ৰীয় মন্ত্ৰী (জে.পি. নাড্ডা আৰু জিতেন্দ্ৰ সিং)ৰ মাজত এখন বৈঠক চলি আছে। এই বৈঠকৰ পিছতে চিজেপিৰ প্ৰতিবাদৰ অন্ত পৰিব বুলি আশা কৰা হৈছে।

## ধমেন্দ্ৰ প্ৰধানৰ পদত্যাগৰ দেশৰ ৰাজনীতিত প্ৰভাৱ!

(১ পৃষ্ঠাৰ পৰা)শিক্ষা বিভাগ দেশ গঠনৰ মূল স্তমভ। এই বিভাগৰ মন্ত্ৰীৰ পদত্যাগে নীতি নিৰ্ধাৰণত অস্থিৰতা আনে। ধৰ্মেন্দ্ৰ প্ৰধান দীৰ্ঘদিন ধৰি NEP 2020 ৰূপায়ণৰ মুখ্য মুখ আছিল। তেওঁৰ পদত্যাগে NEP ৰ গতি মন্থৰ কৰিব পাৰে। বিৰোধীয়ে ইয়াক চৰকাৰৰ ব্যৰ্থতা বুলি প্ৰচাৰ কৰিব। শাসকীয় দলে ইয়াক সাংগঠনিক সিদ্ধান্ত বুলি কব। ৰাষ্ট্ৰীয় পৰ্যায়ত শিক্ষাৰ মানদণ্ডৰ প্ৰশ্ন উত্থাপন হব। NEET আৰু CUET ৰ পৰীক্ষা লৈ ইতিমধ্যে বিতৰ্ক আছে। নতুন মন্ত্ৰীয়ে এই বিষয়বোৰ কেনেদৰে চম্ভালে সেয়া গুৰুত্বপূৰ্ণ। ছাত্ৰ সংগঠনে ৰাজপথত প্ৰতিবাদ কৰিব পাৰে। শিক্ষক সংগঠনে নতুন নীতিৰ দাবী তুলিব পাৰে। ৰাজ্য চৰকাৰে কেন্দ্ৰৰ সৈতে সমন্বয়ৰ অভাৱ বোধ কৰিব পাৰে। অসমতো NEP ৰূপায়ণ চলি আছে। নতুন মন্ত্ৰীয়ে অসমৰ প্ৰেক্ষাপট বুজিব লাগিব। পদত্যাগৰ কাৰণ যদি দুৰ্নীতি হয় তেন্তে চৰকাৰ ভাৱমূৰ্তি নষ্ট হব। যদি স্বাস্থ্য কাৰণ হয় তেন্তে সহানুভূতি পাব। যদি ৰাজনৈতিক কাৰণ হয় তেন্তে কেবিনেট পুনৰ্গঠনৰ ইংগিত পোৱা যাব। লোকসভা নিৰ্বাচন ওচৰত। শিক্ষাৰ বিষয়ে ভোটাৰক প্ৰভাৱিত কৰে। মাতৃভাষাত শিক্ষা, ডিজিটেল শিক্ষা, দক্ষতা বিকাশ এইবোৰ এতিয়া আলোচনাৰ বিষয়। মন্ত্ৰী সলনি হলে নীতি সলনি হয় নে নহয় সেয়া প্ৰশ্ন। আমলা সকলে ফাইল আগবঢ়োৱাত পলম কৰিব পাৰে। নতুন মন্ত্ৰীয়ে পূৰ্বৰ সিদ্ধান্ত পৰ্যালোচনা কৰিব পাৰে। ইয়াৰ ফলত প্ৰকল্পত খৰচ বৃদ্ধি হব পাৰে। আন্তঃৰাষ্ট্ৰীয় পৰ্যায়তো বাৰ্তা যাব যে ভাৰতৰ শিক্ষা নীতিত অস্থিৰতা আছে। বিনিয়োগকাৰীয়ে শিক্ষা খণ্ডত সন্দেহ কৰিব পাৰে। সংসদত বিৰোধীয়ে প্ৰশ্নকালত চৰকাৰক কোঁচ কৰিব। শিক্ষা মন্ত্ৰালয়ৰ বাজেট ব্যয়ৰ হিচাপ বিচৰা হব। RTI ৰ জৰিয়তে তথ্য বিচৰা হব। মিডিয়াই ২৪ ঘণ্টা এই খবৰ দেখুৱাব। ছচিয়েল মিডিয়াত ট্ৰেণ্ড চলিব। পদত্যাগ পত্ৰ গ্ৰহণ হয় নে নহয় সেয়া প্ৰধানমন্ত্ৰীৰ সিদ্ধান্ত। যদি গ্ৰহণ নহয় তেন্তে ইয়াৰ অৰ্থ দলীয় সংহতি। যদি গ্ৰহণ হয় তেন্তে ইয়াৰ অৰ্থ দায়িত্ব নিৰ্ধাৰণ। নতুন মন্ত্ৰীৰ পটভূমি কি হব সেয়াও গুৰুত্বপূৰ্ণ। তেওঁ RSS পৃষ্ঠভূমিৰ হয় নে প্ৰশাসনিক অভিজ্ঞতাৰ হয়। মহিলা মন্ত্ৰী হয় নে যুৱ নেতা হয়। এই সকলোৱে বাৰ্তা দিয়ে। শিক্ষা খণ্ডৰ ত্ত্বগুখ সমূহে নতুন মন্ত্ৰীক স্মাৰক পত্ৰ দিব। বিশ্ববিদ্যালয়ৰ উপাচাৰ্যসকলে বৈঠক বিচাৰিব। ঢঢথ্ব আৰু ঢঢত্ত ৰ সঞ্চালকে নীতিৰ স্পষ্টতা বিচাৰিব। অভিভাৱকে সন্তানৰ ভৱিষ্যতক লৈ শংকিত হব। কিতাপ প্ৰকাশকে নতুন পাঠ্যক্ৰমৰ অপেক্ষা কৰিব। ৰাজনৈতিক বিশ্লেষকে ইয়াক **২০২৬** ৰ নিৰ্বাচনী কৌশল বুলি কব। অসমৰ ক্ষেত্ৰত ধৰ্মেন্দ্ৰ প্ৰধানৰ অসম সফৰ আৰু ভাষাৰ প্ৰতি সন্মানৰ কথা মনত ৰাখিব লাগিব। নতুন মন্ত্ৰীয়ে অসমীয়া ভাষাক কেনে গুৰুত্ব দিব সেয়া চাব লাগিব। শিক্ষাৰ ব্যক্তিগতকৰণৰ প্ৰশ্নও উঠিব পাৰে। পদত্যাগে চৰকাৰক জবাবদিহি কৰিবলৈ সুযোগ দিয়ে। কিন্তু লগতে নীতিৰ ধাৰাবাহিকতা ভংগ কৰে। গণতন্ত্ৰত মন্ত্ৰীৰ দায়িত্ব আৰু উত্তৰদায়িত্ব আছে। পদত্যাগে সেই নীতিৰ প্ৰমাণ দিয়ে। জনতাই এতিয়া কাৰণ জানিব বিচাৰে। কাৰণ নাজানিলে গুজব বিয়পিব। গতিকে চৰকাৰে স্পষ্ট বিবৃতি দিব লাগিব। শিক্ষা স্তমভ যদি দুৰ্বল হয় তেন্তে দেশ দুৰ্বল হয়। গতিকে এই পদত্যাগক লঘুভাৱে লব নোৱাৰি। ইয়াৰ প্ৰভাৱ দীৰ্ঘকালীন হব পাৰে।

## কৃষি আন্তঃগাঁথনি পুঁজিৰ কৰ্মশালাত অংশগ্ৰহণ মুখ্যমন্ত্ৰীৰ

(১ পৃষ্ঠাৰ পৰা)উৎপাদক সংস্থা, কৃষিভিত্তিক উদ্যোগী আৰু বেংক আদি বিত্তীয় প্ৰতিষ্ঠানৰ প্ৰতিনিধিসকলে এই কৰ্মশালা তথা সজাগতা অনুষ্ঠানত অংশ লয়।

উল্লেখযোগ্য যে আত্মনিৰ্ভৰ ভাৰত অভিযানৰ অধীনত ২০২০ চনৰ ৯ আগষ্টত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শুভাৰম্ভ কৰা কৃষি আন্তঃগাঁথনি পুঁজি আঁচনিখন ভাৰত চৰকাৰৰ এখন গুৰুত্বপূৰ্ণ ধ্বজাবাহী আঁচনি, যাৰ জৰিয়তে শস্য চপোৱাৰ পিছৰ ব্যৱস্থাপনা আৰু সামূহিক কৃষি আন্তঃগাঁথনিৰ বাবে ৰাজসাহায্যযুক্ত ঋণ প্ৰদান কৰা হয়। এই আঁচনিৰ অধীনত অৰ্হতাসম্পন্ন ব্যক্তি আৰু প্ৰতিষ্ঠানক একোটা প্ৰকল্পত ২ কোটি টকা পৰ্যন্ত ঋণৰ বাবে সৰ্বাধিক সাত বছৰৰ বাবে বছৰি ৩ শতাংশ সুদৰ ৰেহাই আৰু বন্ধকবিহীন ঋণৰ গেৰাণ্টি প্ৰদান কৰা হয়।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৃষকসকলৰ উৎপাদিত সামগ্ৰীৰ মূল্য সংযোজন আৰু আধুনিক কৃষি আন্তঃগাঁথনি নিৰ্মাণৰ লক্ষ্যৰে 'কৃষি আন্তঃগাঁথনি পুঁজি' আঁচনিৰ সূচনা কৰিছিল। কৃষকে কেৱল ধান বা ফল উৎপাদন কৰাতেই ক্ষান্ত নাথাকি তাক চাউল বা ফলৰ ৰসলৈ ৰূপান্তৰ কৰা, গুদাম ঘৰ বা শীতল ভঁৰালত সংৰক্ষণ কৰা আৰু ড্ৰোণ, কাষ্টম হায়াৰিং চেণ্টাৰ, ছেন্সৰ, পাম্প, হাইড্ৰ'ক্সপনিক্স, এৰোপনিক্স, পলি হাউচ, মিলিং আৰু ঘানী স্থাপনৰ দৰে আধুনিক প্ৰযুক্তিৰ ব্যৱহাৰ কৰাত উৎসাহিত কৰাটোৱেই এই পুঁজিৰ মূল উদ্দেশ্য। প্ৰধানমন্ত্ৰীয়ে সমগ্ৰ ভাৰতবৰ্ষৰ বাবে এই আঁচনিত ১ লাখ কোটি টকা আৱণ্টন কৰিছিল, যাৰ ভিতৰত ইতিমধ্যে ৯৫,০০০ কোটি টকা দেশৰ কৃষকসকলে ব্যৱহাৰ কৰি উপকৃত হৈছে।

মুখ্যমন্ত্ৰীয়ে কয় যে সাধাৰণতে বেংকে ঋণ প্ৰদানৰ বাবে বন্ধকী বিচাৰে, যিটো সৰ্বসাধাৰণ কৃষকৰ বাবে প্ৰদান কৰা সম্ভৱ নহয়। ইয়াৰ উপৰি পূৰ্বৰ কিষাণ ক্ৰেডিট কাৰ্ড আঁচনিৰ সময়ত ২০০০ কোটি টকাৰ ঋণ ঘূৰি নহাৰ ফলত বেংকসমূহৰ বাবে এক প্ৰত্যাহ্বানৰ সৃষ্টি হৈছিল আৰু অসমত আঁচনিখন একপ্ৰকাৰ বন্ধ হোৱাৰ উপক্ৰম হৈছিল। তেওঁ উল্লেখ কৰে যে জমাধনৰ বিপৰীতে বেংকৰ ঋণ প্ৰদানৰ অনুপাত অসমত পূৰ্বৰ ৩২ শতাংশৰ পৰা বৰ্তমান ৭০ শতাংশলৈ বৃদ্ধি পাইছে যদিও ইয়াক ৯০ শতাংশলৈ নিয়াৰ থল আছে, অৰ্থাৎ অসমে আৰু ২০ শতাংশ ঋণ ল'ব পাৰে। কৃষকৰ বন্ধকীৰ সমস্যা দূৰ কৰিবলৈকে প্ৰধানমন্ত্ৰীয়ে এটা 'ক্ৰেডিট গেৰাণ্টি ফাণ্ড' গঠন কৰিছে, যিয়ে কৃষকৰ ঋণৰ গেৰাণ্টি ল'ব আৰু বেংকসমূহক সুৰক্ষা প্ৰদান কৰিব।

এই আঁচনিৰ জৰিয়তে ২ কোটি টকালৈকে ঋণৰ ওপৰত চৰকাৰে ৩ শতাংশ সুতৰ ৰেহাই প্ৰদান কৰে আৰু সুতৰ হাৰ সৰ্বাধিক ৯ শতাংশৰ ভিতৰত সীমিত ৰখা হয়। সাধাৰণ ঋণত হিতাধিকাৰীৰ অংশ ২৫ শতাংশৰ বিপৰীতে এই আঁচনিত বেংকে ৯০ শতাংশ ঋণ দিয়ে আৰু হিতাধিকাৰীয়ে মাত্ৰ ১০ শতাংশ বহন কৰিব লাগে। ৰাজ্যৰ হিতাধিকাৰীসকলৰ বাবে ইয়াৰে ৫ শতাংশ ৰাজ্য চৰকাৰে বহন কৰিব বুলি ঘোষণা কৰি তেওঁ কয় যে কৃষক উৎপাদক সংস্থাৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে হিতাধিকাৰীৰ অংশৰ সম্পূৰ্ণ ১০ শতাংশই বহন কৰিব। এই আঁচনিৰ উপভোক্তাসকলে পিএম কুসুম, পিএম এফ এম ই, এম আই ডি এছ আৰু আৰ কে ভি ৱাই আদি অন্যান্য চৰকাৰী আঁচনিৰো সুবিধা একেলগে গ্ৰহণ কৰিব পাৰে বুলি মুখ্যমন্ত্ৰীয়ে অৱগত কৰে।

ভাৰত চৰকাৰে অসমৰ বাবে এই পুঁজিৰ পৰা ২,০৫০ কোটি টকা আৱণ্টন কৰাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে বৰ্তমানলৈকে ৰাজ্যখনৰ ৮৯৩ গৰাকী কৃষক, কৃষক উৎপাদক সংস্থা আৰু উদ্যোগীলৈ ১,১৮১ কোটি টকাৰ ঋণ অনুমোদন জনোৱা হৈছে আৰু ইয়াৰে ৭৩৬ কোটি টকা ইতিমধ্যে তেওঁলোকৰ একাউণ্টত সোমাইছে। এইক্ষেত্ৰত তেওঁ ৰাজ্যৰ কেইবাগৰাকীও সফল হিতাধিকাৰীৰ নাম উল্লেখ কৰে, যিসকলে এই আঁচনিৰ অধীনত সৰ্বাধিক ১৩ কোটি টকা পৰ্যন্ত ঋণ লাভ কৰিছে। ৰাজ্যৰ জিলাসমূহৰ ভিতৰত নগাঁও জিলাৰ সৰ্বাধিক ১৩১ গৰাকী হিতাধিকাৰীয়ে এই ঋণ লাভ কৰিছে বুলি তেওঁ অৱগত কৰে।

মুখ্যমন্ত্ৰীয়ে কয় যে এই আঁচনিৰ অধীনত ৰাজ্যলৈ অনুমোদিত পুঁজিৰ পৰা অসমে এতিয়াও অতিৰিক্ত ৯০০ কোটি টকাৰ ঋণ ল'ব পাৰে। তেওঁ লগতে সদৰী কৰে যে প্ৰধানমন্ত্ৰীয়ে এই আঁচনিৰ সফলতাৰ প্ৰতি লক্ষ্য ৰাখি নতুনকৈ আৰু ১ লাখ কোটি টকাৰ অনুমোদন জনাইছে। যোৱাবাৰ ২,০০০ কোটি টকাৰ আৱণ্টন পোৱা অসমৰ বাবে এইবাৰ ৪০০০ কোটি টকাৰ পুঁজি অনাৰ প্ৰয়াস কৰা হ'ব বুলি তেওঁ অৱগত কৰে।

অসম এখন বানপীড়িত ৰাজ্য হোৱাৰ বাবে মুখ্যমন্ত্ৰীয়ে কৃষিখণ্ডত পৰম্পৰাগত ধানখেতিৰ সমান্তৰালভাৱে উদ্যান শস্য আৰু উচ্চ মূল্যৰ কৃষি সামগ্ৰী উৎপাদনত গুৰুত্ব আৰোপ কৰে। তেওঁ উল্লেখ কৰে যে অসমত চাউলৰ বাবে প্ৰতিটো উন্নয়ন খণ্ডতে ভঁৰালঘৰৰ প্ৰয়োজন আৰু ব্যাপক চাহিদালৈ লক্ষ্য ৰাখি সৰিয়হৰ তেলৰ সংসাধন বৃদ্ধিৰো যথেষ্ট থল আছে। কাৰ্বি আংলং আৰু শিলচৰৰ ধলাই অঞ্চলৰ আদা আৰু আনাৰস, অসমৰ নেমু, ভোট জলকীয়া, ৰঙা চাউল, কোকৰাঝাৰৰ কাঠফুলা আদিৰ সংসাধনৰ মাধ্যমেৰে কৃষকে উচিত মূল্য লাভ কৰিব পাৰে বুলি তেওঁ কয়। চাহপাতৰ ক্ষেত্ৰত মেচিনৰ সলনি ঢেঁকীত খুন্দা অৰ্গেনিক চাহৰ সুকীয়া সোৱাদ আৰু ব্যাপক চাহিদাৰ কথা উদাহৰণস্বৰূপে উল্লেখ কৰি তেওঁ চাহ সংসাধনো এই আঁচনিৰ অনুমোদিত প্ৰকল্প বুলি স্পষ্ট কৰে। নিজৰ শেহতীয়া জাপান ভ্ৰমণৰ অভিজ্ঞতা বৰ্ণনা কৰি তেওঁ কয় যে তাৰ হোটেলত পৰিৱেশ-অনুকূল বাঁহৰ টুথব্ৰাছ ব্যৱহাৰ কৰা হয়। বাঁহৰ পৰা টুথপেষ্টকে ধৰি ১৮০ বিধ সামগ্ৰী প্ৰস্তুত কৰিব পাৰি আৰু বৰ্তমান নুমলীগড়ত বাঁহৰ পৰা তেল উৎপাদন কৰি থকা হৈছে বুলি তেওঁ উদাহৰণ দাঙি ধৰে। এইদৰে কৃষিজাত সামগ্ৰীৰ সঠিক ব্যৱহাৰ আৰু সংসাধনৰ জৰিয়তে এখন আত্মনিৰ্ভৰশীল অসম গঢ়াৰ লক্ষ্যত বৰ্তমান ৰাজ্যৰ ৮০০ ৰো অধিক উদ্যোগী স্বতঃস্ফূৰ্তভাৱে আগবাঢ়ি অহাটো অতিশয় আনন্দৰ খবৰ বুলি সন্তুষ্টি প্ৰকাশ কৰি ৰাজ্যৰ উদ্যমী যুৱক-যুৱতীসকলক এই আঁচনিৰ সুবিধা ল'বৰ বাবে আগবাঢ়ি আহিবলৈ তেওঁ আহ্বান জনায়। এই অভিলাষী আঁচনিৰ বিষয়ে সজাগতা সৃষ্টি কৰিবলৈ মুখ্যমন্ত্ৰীয়ে সকলো মন্ত্ৰী-বিধায়ক, কৃষি বিভাগ আৰু বেংকসমূহক আহ্বান জনায় যাতে ৰাজ্যৰ প্ৰতিটো অঞ্চলৰ যুৱক-যুৱতীসকল ইয়াৰ লগত জড়িত হ'ব পাৰে।

আজিৰ এই অনুষ্ঠানত ৰাজ্য চৰকাৰৰ কৃষি ইত্যাদি বিভাগৰ মন্ত্ৰী পীযুষ হাজৰিকা, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন আদি বিভাগৰ মন্ত্ৰী অতুল বৰা, পৰিৱেশ আৰু বন আদি বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, চাহ জনজাতি আৰু আদিবাসী কল্যাণ আদি বিভাগৰ মন্ত্ৰী ৰামেশ্বৰ তেলী, সামাজিক ন্যায় আৰু সবলীকৰণ আদি বিভাগৰ মন্ত্ৰী অশ্বিনী ৰায় সৰকাৰ, পশুপালন আৰু পশুচিকিৎসা আদি বিভাগৰ মন্ত্ৰী নীলিমা দেৱী, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা আদি বিভাগৰ মন্ত্ৰী কৌশিক ৰায়, সাংসদ বিজুলী কলিতা মেধি, বিধায়কসকল ক্ৰমে দিগন্ত কলিতা, ৰূপক শৰ্মা, চক্ৰধৰ গগৈ, বিজয় গুপ্তা, মিলন দাস, শশীকান্ত দাস, প্ৰকাশ দাস, বিকন চন্দ্ৰ ডেকা, কিশোৰ নাথ আৰু তপন দাস, ভাৰত চৰকাৰৰ কৃষি আৰু কৃষক কল্যাণ বিভাগৰ যুটীয়া সচিব আনবালাগান পি, ৰাজ্য চৰকাৰৰ কৃষি বিভাগৰ আয়ুক্ত-সচিব অৰুণা ৰাজ'ৰিয়া প্ৰমুখ্যে অন্যান্য শীৰ্ষ বিষয়াসকল আৰু অসমৰ বিভিন্ন স্থানৰ পৰা অহা কৃষি উদ্যোগীসকল উপস্থিত থাকে।

## কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানৰ পদত্যাগ

(১ পৃষ্ঠাৰ পৰা)দেশৰ ছাত্ৰ-ছাত্ৰীৰ উজ্বল ভৱিষ্যত কামনা কৰে ধৰ্মেন্দ্ৰ প্ৰধানে। বিৰোধী দলসমূহৰ সন্দৰ্ভত তেওঁ মন্তব্য কৰে যে দায়িত্বশীল পদবীত থকা ব্যক্তিসকলে বাধা সৃষ্টি কৰাৰ লগতে বহু ছাত্ৰ-ছাত্ৰীক বিপথে পৰিচালিত কৰাৰ চেষ্টা কৰিছিল-এই কাৰ্য্যই তেওঁক গভীৰ দুখৰ সৃষ্টি কৰিছিল। ভাৰতৰ যুৱ শক্তিক দেশৰ প্ৰকৃত শক্তি বুলি অভিহিত কৰি শিক্ষামন্ত্ৰীগৰাকীয়ে লিখিছে যে তেওঁ সদায় যুৱ প্ৰজন্মৰ আকাংক্ষা, সপোন, আশাক গভীৰভাৱে সন্মান জনাই আহিছে। তেওঁলোক কেৱল ভাৰতৰ ভৱিষ্যত নহয়, নতুন আৰু উন্নত ভাৰতৰ মশালবাহক, সৃষ্টিকৰ্তা, স্থপতিও। তেওঁ আৰু প্ৰতিশ্ৰুতি দিয়ে যে জাতিটোৰ যুৱ শক্তিক বিভ্ৰান্তিৰ জালত আবদ্ধ হ'বলৈ নিদিয়ে। ধৰ্মেন্দ্ৰ প্ৰধানেও প্ৰধানমন্ত্ৰী মোডী আৰু তেওঁৰ সকলো সহযোগীক কৃতজ্ঞতা জ্ঞাপন কৰে। তেওঁ লিখিছে, "প্ৰধানমন্ত্ৰীৰ পথ প্ৰদৰ্শন, আস্থা আৰু অহৰহ সমৰ্থনৰ বাবে মই আন্তৰিক কৃতজ্ঞতা প্ৰকাশ কৰিছো। লগতে মন্ত্ৰী পৰিষদৰ মোৰ সকলো সন্মানীয় সহকৰ্মী, মন্ত্ৰালয়ৰ বিষয়া আৰু কৰ্মচাৰী, আৰু যিসকল ব্যক্তিৰ সৈতে কাম কৰাৰ সৌভাগ্য লাভ কৰিছিলো তেওঁলোকক ধন্যবাদ জনাইছো। জাতিটোৰ প্ৰতি সেৱা মোৰ জীৱনৰ সৰ্বোচ্চ অগ্ৰাধিকাৰ; মই ইয়াৰ বাবে চিৰদিনৰ বাবে উৎসৰ্গিত হৈ থাকিম। " ৩৬ দিন পূৰ্বে দিল্লীৰ যন্তৰ মন্তৰত ককৰোচ জনতা পাৰ্টিয়ে প্ৰতিবাদ সাব্যস্ত কৰিছিল। প্ৰথম অৱস্থাত প্ৰতিবাদ ৰুটিন আছিল যদিও চজ্ঞ জুলাইত সংসদলৈ যাত্ৰাৰ সময়ত ছাত্ৰ-ছাত্ৰীৰ ওপৰত লাঠিচাৰ্জৰ পিছত পৰিস্থিতি তীব্ৰতৰ হৈ পৰে। ইয়াৰ পিছত পৰিস্থিতি অধিক বেয়া হৈ পৰে; যন্তৰ মন্তৰত প্ৰতিবাদকাৰীৰ ভিৰ ফুলি উঠিল, আৰু দেশৰ অন্যান্য চহৰতো বিক্ষোভ আৰম্ভ হ'ল। ইয়াৰ পাছত চপ্ত জুলাইত শিক্ষামন্ত্ৰীয়ে প্ৰধানমন্ত্ৰী মোডীক পদত্যাগ দাখিল কৰে। অৱশ্যে পদত্যাগ পত্ৰ গ্ৰহণ কৰা বুলি এতিয়াও নিশ্চিত হোৱা নাই। বৰ্তমান চিজেপিৰ প্ৰতিনিধি আৰু কেন্দ্ৰীয় মন্ত্ৰী (জে.পি. নাড্ডা আৰু জিতেন্দ্ৰ সিং)ৰ মাজত এখন বৈঠক চলি আছে। এই বৈঠকৰ পিছতে চিজেপিৰ প্ৰতিবাদৰ সামৰণি পৰিব বুলি আশা কৰা হৈছে। নীট পৰীক্ষাৰ প্ৰশ্নকাকত ফাদিল, শিক্ষা ব্যৱস্থা সংস্কাৰ আৰু কেন্দ্ৰীয় শিক্ষা মন্ত্ৰীৰ পদত্যাগৰ দাবীত দেশজুৰি তীব্ৰ প্ৰতিবাদ চলি থকাৰ মাজতে শনিবাৰে কেন্দ্ৰীয় শিক্ষামন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধানে নিজৰ পদৰ পৰা পদত্যাগ কৰাৰ কথা ঘোষণা কৰে। তেওঁৰ সামাজিক মাধ্যমত ৰাজহুৱা কৰা এই পত্ৰত তেওঁ কয় এনেদৰে- "মোৰ যুৱ বন্ধুসকল, বিগত চাৰিটা দশক ধৰি মই শিক্ষাৰ্থী, শিক্ষক আৰু শিক্ষা সংস্কাৰৰ কাৰণে নিজকে উৎসৰ্গা কৰি আহিছোঁ। মই সদায় বিশ্বাস কৰি আহিছোঁ যে এক শক্তিশালী, অন্তৰ্ভুক্তিমূলক আৰু দূৰদৰ্শী শিক্ষা ব্যৱস্থাই এখন শক্তিশালী জাতি গঠনৰ মূল আধাৰ। মই দেশৰ যুৱ প্ৰজন্মৰ আকাংক্ষা, অনুভৱ আৰু ন্যায়সংগত প্ৰত্যাশাটোক গভীৰ শ্ৰদ্ধা কৰোঁ। ভাৰতৰ যুৱ প্ৰজন্মৰ সপোন বাস্তৱায়িত কৰাটো আমাৰ ৰাজনৈতিক আৰু সামাজিক জীৱনৰ এক নৈতিক প্ৰতিশ্ৰুতি। মাননিয় প্ৰধানমন্ত্ৰী ডাঙৰীয়াৰ দূৰদৰ্শী নেতৃত্বৰ অধীনত দেশসেৱা কৰাৰ সুযোগ দিয়াৰ বাবে মই তেওঁৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। যি হওক, ২০২৬ চনৰ ৩ মে'ত অনুষ্ঠিত হোৱা NEET-UG পৰীক্ষাক লৈ কিছু অনিয়ম পোহৰলৈ আহিছিল। ইয়াৰ ওপৰত তৎকালীন ব্যৱস্থা গ্ৰহণ কৰি ভাৰত চৰকাৰে তদন্তৰ দায়িত্ব চি বি আইক হস্তান্তৰ কৰে, পৰীক্ষা বাতিল কৰে আৰু পুনৰ পৰীক্ষাৰ দিন ঘোষণা কৰে। ইয়াৰ উপৰিও, অহা বছৰৰ পৰা এই পৰীক্ষা চি বি টি মাধ্যমত অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লোৱা হয়। এই সমগ্ৰ সময়ছোৱাত, আমাৰ মূল অগ্ৰাধিকাৰ আছিল চজ্ঞ লাখৰো অধিক পৰীক্ষাৰ্থীৰ বাবে সুচাৰুৰূপে পৰীক্ষা অনুষ্ঠিত কৰাটো নিশ্চিত কৰা। ভাৰত চৰকাৰ, ৰাজ্য চৰকাৰসমূহ আৰু-বিশেষকৈ- জিলা প্ৰশাসনক সামৰি সমগ্ৰ-চৰকাৰী দৃষ্টিভংগীৰে এই সফলতা লাভ কৰা হৈছিল। ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকলৰ সহযোগত ২০২৬ চনৰ ২১ জুনত পৰীক্ষা সফলতাৰে সম্পন্ন হয়। প্ৰথম দিনাৰ পৰাই মই পূৰ্ণ দায়িত্ব গ্ৰহণ কৰিছিলোঁ আৰু পৰিস্থিতিৰ পৰা কেতিয়াও আঁতৰি অহা নাছিলোঁ। কোনো মেধাৱী ছাত্ৰ-ছাত্ৰীৰ সম্ভাৱনীয়তা যাতে পৰীক্ষা মাফিয়াৰ দ্বাৰা ধ্বংস নহয় বা কোনো ছাত্ৰ-ছাত্ৰী যাতে অন্যায়ৰ বলি নহয়, তাৰ বাবে মই দৃঢ়প্ৰতিজ্ঞ আছিলোঁ। ৰছ জুলাইত ঘোষিত নীটৰ ফলাফল সন্তোষজনক আছিল, য'ত আৰ্থিকভাৱে পিছপৰা শ্ৰেণীৰ বহু মেধাৱী ছাত্ৰ-ছাত্ৰীয়ে সফলতা অৰ্জন কৰিছিল। তথাপিও, এই সময়ছোৱাত দায়িত্বশীল পদত থকা কিছুমান ব্যক্তি বিশেষে ছাত্ৰ-ছাত্ৰীসকলক বিপথে পৰিচালিত কৰিবলৈ আৰু বাধাৰ সৃষ্টি কৰিবলৈ চেষ্টা কৰিছিল-যি কথাই মোক গভীৰভাৱে ব্যথিত কৰিলে। আমাৰ গণতন্ত্ৰৰ শক্তিৰ ওপৰত মোৰ সদায় অবিচল বিশ্বাস আছে আৰু যুৱ প্ৰজন্মৰ আকাংক্ষা, সপোন আৰু প্ৰত্যাশাক মই গভীৰভাৱে শ্ৰদ্ধা কৰোঁ। তেওঁলোক কেৱল ভাৰতৰ ভৱিষ্যতেই নহয়; তেওঁলোক এক নতুন আৰু উন্নত ভাৰতৰ দিশদৰ্শক। যোৱা দহ দিনৰ ঘটনাক্ৰমে মোক অত্যন্ত দুঃখিত কৰিছে। এইয়া মোৰ বাবে কোনো ব্যক্তিগত প্ৰতিষ্ঠাৰ বিষয় নহয়। ভাৰতৰ যুৱশক্তিই এই জাতিৰ প্ৰকৃত শক্তি। দেশৰ যুৱসমাজ যাতে বিভ্ৰান্তিৰ জালত বন্দী হৈ নপৰে, সেয়া মোৰ সংকল্প। যন্তৰ-মন্তৰ আৰু সমগ্ৰ দেশৰ পৰিস্থিতিলৈ লক্ষ্য ৰাখি দেশবিৰোধী শক্তিয়ে যাতে ইয়াৰ সুযোগ ল'ব নোৱাৰে, ৰাষ্ট্ৰীয় ঐক্য ৰক্ষা হয়, এজনো ভাৰতীয় ছাত্ৰৰ ভৱিষ্যত যাতে আইনী জটিলতাত আবদ্ধ হৈ নপৰে আৰু আমাৰ সন্তানসকলে অধ্যয়নত সময় দিব পাৰে তথা নিজৰ কেৰিয়াৰ গঢ়াত গুৰুত্ব দিব পাৰে, সেই উদ্দেশ্যে মই মাননিয় প্ৰধানমন্ত্ৰী ডাঙৰীয়ালৈ মোৰ পদত্যাগ পত্ৰ প্ৰেৰণ কৰিছোঁ। মোক মাৰ্গদৰ্শন, বিশ্বাস আৰু নিৰন্তৰ সমৰ্থন আগবঢ়োৱাৰ বাবে মই শ্ৰদ্ধাৰ প্ৰধানমন্ত্ৰী ডাঙৰীয়ালৈ হিয়াভৰা কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। মই মোৰ মন্ত্ৰীপৰিষদৰ সকলো শ্ৰদ্ধাৰ সতীৰ্থ, মন্ত্ৰালয়ৰ বিষয়া আৰু কৰ্মচাৰী, আৰু যিসকল ব্যক্তিসকলৰ সৈতে কাম কৰাৰ সৌভাগ্য হৈছিল তেওঁলোক সকলোকে ধন্যবাদ জনাইছোঁ। দেশসেৱা মোৰ জীৱনৰ সৰ্বোচ্চ অগ্ৰাধিকাৰ; মই সদায় এই কাৰ্যত উৎসৰ্গিত হৈ থাকিম। প্ৰভু জগন্নাথৰ আশীৰ্বাদত, মই ভৱিষ্যতেও ভাৰত মাতৃ, উড়িষ্যাৰ ৰাইজ আৰু দেশৰ যুৱ প্ৰজন্মৰ আকাংক্ষা পূৰণৰ বাবে সকলো ধৰণেৰে নিজকে নিয়োজিত কৰি ৰাখিম।

# হাই ভল্টেজৰ সংঘৰ্ষত ভাৰতীয় দলৰ বিৰুদ্ধে ৭-৩ গ'লত পৰাস্ত পাকিস্তান

## একেৰাহে ষষ্ঠবাৰৰ বাবে ভাৰতীয় হকী দলৰ জয় নিশ্চিত



**স্পৰ্ট ডেস্ক, ২৫ জুলাইঃ**মাস্কাটত অনুষ্ঠিত হৈ থকা এফ আই এইচ ইউথ হকীপ্তছ এছিয়ান চেম্পিয়নশ্বিপ ২০২৬ত ভাৰতীয় পুৰুষ দলটোৱে নিজৰ তাৰকাময় ফৰ্ম অব্যাহত ৰাখিছে। কমাণ্ডিং প্ৰদৰ্শনৰ জৰিয়তে দলটোৱে নিজৰ জয়ৰ ধাৰা অক্ষুণ্ণ ৰাখিছে। আয়োজক দল ওমান আৰু প্ৰধান প্ৰতিদ্বন্দ্বী পাকিস্তানৰ বিৰুদ্ধে একপক্ষীয় জয় নিশ্চিত কৰি ভাৰতীয় দলটোৱে খিতাপৰ শীৰ্ষ প্ৰতিদ্বন্দ্বী হিচাপে নিজকে প্ৰমাণ কৰিছে। ভাৰতীয় পুৰুষ দলটোৱে প্ৰথমে আয়োজক দল ওমানক আধিপত্য বিস্তাৰ কৰি ১০-১ গ'লত বৃহৎ ব্যৱধানত পৰাস্ত কৰে। এই জয়েৰে ভাৰতে একেৰাহে পঞ্চমবাৰৰ বাবে জয়লাভ কৰি প্ৰতিযোগিতাখনত অপৰাজিত দৌৰ বৃদ্ধি কৰে। গোটেই খেলখনত ভাৰতীয় খেলুৱৈসকলে আগ্ৰাসী খেলৰ শৈলী প্ৰদৰ্শন কৰি ওমানক আৰম্ভণিৰে পৰাই হেঁচাত ৰাখিছিল। দ্ৰুত পাছ, উৎকৃষ্ট গতিবিধি, আৰু নিখুঁত ফিনিচিঙৰ দ্বাৰা চালিত দলটোৱে ওমানৰ ৰক্ষণভাগ সম্পূৰ্ণৰূপে নিষ্ক্ৰিয় কৰি পেলালে। ওমানৰ বিৰুদ্ধে বৃহৎ জয়ৰ পিছত ভাৰতীয় দলটোৱে পৰৱৰ্তী মেচত পাকিস্তানৰ বিৰুদ্ধে আন এক উজ্বল প্ৰদৰ্শন আগবঢ়াই ক্ৰমাগত ষষ্ঠবাৰৰ বাবে জয়লাভ কৰে। এই হাই ভল্টেজ এনকাউণ্টাৰত ভাৰতে পাকিস্তানক ৭-৩ গ'লত পৰাস্ত কৰি নিজৰ শ্ৰেষ্ঠত্বৰ কথা প্ৰকাশ কৰে। ভাৰতীয় খেলুৱৈসকলে গোটেই মেচখনতে উৎকৃষ্ট বল নিয়ন্ত্ৰণ বজাই ৰাখি অদম্য আক্ৰমণ চলাই পাকিস্তানক পুনৰ উভতি অহাৰ কোনো সম্ভাৱনা অস্বীকাৰ কৰে। প্ৰথমাৰ্ধত ৰোমিত পাল (৮ মিনিট), কৰণ গৌতম (১০ মিনিট), আৰু অধিনায়ক কেতন কুশৱাহা (১০ মিনিট)ৰ গ'লেৰে ভাৰতে ৩-০ গ'লত অগ্ৰগতি লাভ কৰে। ৰচ মিনিটত চতুৰ্থটো গ'ল দি প্ৰাদ ৰাজভৰে অগ্ৰগতি আৰু অধিক শক্তিশালী কৰে। মহম্মদ উছমান (১২ আৰু ১৫ মিনিট) আৰু অধিনায়ক আদিলৰ গ'লেৰে পাকিস্তানে উভতি অহাৰ চেষ্টা চলাইছিল যদিও ভাৰতে তেওঁলোকক কোনো অ'পেনিং নিদিলে। শ্বাহৰুখ আলী, ৰাহুল যাদৱ, আৰু অধিনায়ক কেতন কুশৱাহাই গ'ল দি ৭-৩ গ'লত ভয়ংকৰ জয় লাভ কৰে। ভাৰতৰ তাৰকা খেলুৱৈ তথা অধিনায়ক কুশৱাহা কেতনে তেওঁৰ অসাধাৰণ প্ৰদৰ্শনৰ বাবে খেলখনৰ শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান লাভ কৰে। (৬ পৃষ্ঠালৈ)

# কমনৱেলথ গেমছ-২০২৬ত ব্ৰঞ্জৰ পদক লাভ ঝাণ্টু কুমাৰৰ



**স্পৰ্ট ডেস্ক, ২৫ জুলাইঃ**স্কটলেণ্ডৰ গ্লাছগোত অনুষ্ঠিত হোৱা কমনৱেলথ গেমছৰ দ্বিতীয় দিনা ভাৰতৰ পদক একাউণ্ট খুলিলে বিহাৰৰ পেৰা পাৱাৰলিফটিং এথলীট ঝাণ্টু কুমাৰে। পুৰুষৰ হেভিৱেট পেৰা পাৱাৰলিফটিং ইভেণ্টত (১৩০.৯ কেজি শাখা) সফলতাৰে ব্ৰঞ্জৰ পদক লাভ কৰে। এই সাফল্যৰ বাবে তেওঁ দেশৰ বিভিন্ন প্ৰান্তৰ পৰা অভিনন্দন লাভ কৰি থকাৰ সময়তে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও তেওঁক অভিনন্দন জনাই এক্স (পূৰ্বৰ টুইটাৰ)ত এটা পোষ্টত উল্লেখ কৰে যে ঝাণ্টু কুমাৰে সমগ্ৰ জাতিলৈ সন্মান কঢ়িয়াই আনিছে। কমনৱেলথ গেমছ চজ্বচ্ছত পেৰা-পাৱাৰলিফটিং ইভেণ্টত ব্ৰঞ্জৰ পদক লাভ কৰাৰ বাবে ঝাণ্টু কুমাৰক এক্স অন এক্সত অভিনন্দন জনাই প্ৰধানমন্ত্ৰীয়ে তেওঁৰ এই ভয়ংকৰ প্ৰদৰ্শনৰ প্ৰশংসা কৰে, তেওঁ এই খেলসমূহত ভাৰতৰ পদকৰ সংখ্যা মুকলি কৰা বুলি উল্লেখ কৰে। তেওঁ মন্তব্য কৰে যে এই কৃতিত্ব ঝাণ্টু কুমাৰৰ অপৰিসীম শক্তি, অদম্য দৃঢ়তা, বছৰ বছৰ ধৰি অনুশাসনশীল কঠোৰ পৰিশ্ৰমৰ এক উজ্বল নিদৰ্শন। প্ৰতিটো প্ৰত্যাহ্বান অতিক্ৰম কৰি আন্তঃৰাষ্ট্ৰীয় মঞ্চত উজ্বল প্ৰদৰ্শন কৰি তেওঁ দেশলৈ সন্মান কঢ়িয়াই আনিছে আৰু অগণন ভাৰতীয়ক অনুপ্ৰাণিত কৰিছে। ব্ৰঞ্জৰ পদক লাভ কৰাৰ পিছত এএনআইৰ সৈতে হোৱা কথা-বতৰাত ঝাণ্টু কুমাৰে কয়, "এয়া মোৰ প্ৰথম পদক, আৰু মোৰ মনত একমাত্ৰ কথাটো আছিল যে মই জয়ী হ'ব লাগিব-কেৱল জয়ী হ'ব লাগিব। এনে লাগে যেন মই এয়াৰত খোজ কাঢ়িছো। মোক প্ৰশিক্ষণ দিয়াৰ সুযোগ দিয়া আৰু মোক ইমান মৰমৰ বৰষুণ দিয়া সকলো প্ৰশিক্ষকৰ প্ৰতি মই গভীৰ কৃতজ্ঞ। ভৱিষ্যতে আৰু ভাল প্ৰদৰ্শন কৰিবলৈ চেষ্টা কৰিম।" মন কৰিবলগীয়া যে ঝাণ্টু কুমাৰে ১৩০.৯ পইণ্ট লাভ কৰি ১৯০ কিলোগ্ৰাম সফলতাৰে উত্তোলন কৰি ব্ৰঞ্জৰ পদক লাভ কৰে। তেওঁৰ অন্তিম প্ৰয়াসত ৰজ্মছ কেজি ওজন তুলিব নোৱাৰিলে, যাৰ বাবে তেওঁ ব্ৰঞ্জৰ পদকত সন্তুষ্ট হ'বলৈ বাধ্য হয়।

# ভংগ হোৱাৰ পথত ৰোহিত শৰ্মাৰ বিশ্ব অভিলেখ

**স্পৰ্ট ডেস্ক, ২৫ জুলাইঃ**ৰোহিত শৰ্মাৰ অসংখ্য অভিলেখ থকাৰ বিপৰীতে এটা অভিলেখ অতি সোনকালে ভংগ হোৱাৰ নিয়তি যেন লাগে। ভাৰতীয় প্ৰাক্তন অধিনায়ক তথা টি-২০ বিশ্বকাপ ২০২৪ চেম্পিয়ন ৰোহিত শৰ্মাই টি-২০ আন্তঃৰাষ্ট্ৰীয় মেচত সৰ্বাধিক ছয়ৰ অভিলেখ গঢ়িছে যদিও এতিয়া ইউ এ ইৰ এজন বেটছমেনে তেওঁক অতিক্ৰম কৰাৰ ওচৰ চাপিছে। এইবাৰৰ বিশ্বকাপত যদি এই বিশ্ব অভিলেখ ভংগ হয় তেন্তে আচৰিত নহ'ব। টি-২০ আন্তঃৰাষ্ট্ৰীয় মেচত ২০০ৰো অধিক ছয় কৰা বিশ্বৰ একমাত্ৰ বেটছমেন ৰোহিত শৰ্মা টি-২০ আন্তঃৰাষ্ট্ৰীয় মেচত সৰ্বাধিক ছয়ৰ অভিলেখ গঢ়িছে ৰোহিত শৰ্মাই। কেৰিয়াৰত ৰপ্তজ্মখন মেচ খেলি চজ্মপ্তটা ছয় কৰিছে। টি-২০ ইণ্টাৰনেশ্যনেলত ২০০ৰো অধিক ছয় কৰা বিশ্বৰ একমাত্ৰ বেটছমেন। উল্লেখযোগ্য যে ৰোহিত শৰ্মা অবিহনে এইবাৰ টি-চজ্ম বিশ্বকাপ খেলিছে টিম ইণ্ডিয়াই। চজ্মজ্মজ্জচনত টি-চজ্ম বিশ্বকাপৰ অধিনায়ক আছিল ৰোহিত শৰ্মা, আৰু চজ্মচচ্ছ্ৰ চনৰ বিশ্বকাপত ভাৰতীয় দলটোৱে জয়লাভ কৰাৰ সময়ত তেওঁ আছিল অধিনায়ক। সেই ফাইনেলত জয়লাভ কৰাৰ পিছত ৰোহিতে টি-চজ্ম ইণ্টাৰনেশ্যনেলৰ পৰা অৱসৰ লোৱাৰ কথা ঘোষণা কৰে। ইয়াৰ মাজতে এজন বেটছমেনৰ কথা কওঁ, যিজনে নিজৰ বিস্ফোৰক বেটিংৰে ৰোহিত শৰ্মাৰ অভিলেখৰ ওচৰ চাপিছে। তেওঁ হৈছে ইউ এ ইৰ মহম্মদ ৱাছিম। এই পৰ্যন্ত জ্মচ্ছ্ৰখন টি-চজ্ম ইণ্টাৰনেশ্যনেল মেচত জ্মটা ছয় কৰিছে। অৰ্থাৎ তেওঁ ৰোহিতৰ বহুত ঘনিষ্ঠ। মঙলবাৰৰ পৰা নিউজিলেণ্ড বনাম ইউ এ ইৰ মেচ আৰম্ভ হোৱাৰ সময়লৈকে মহম্মদ ৱাছিমে ৰজ্মজ্ম ৰান সংগ্ৰহ কৰিছিল। ইয়াৰ পিছতে এই মেচখনত ৱাছিমে তিনিটা ছয় কৰি তেওঁৰ সংখ্যা ৰজ্ম লৈ বৃদ্ধি কৰে। ৱাছিমে চ্ছ্ৰপ্তটা বলত ছছ ৰান সংগ্ৰহ কৰে, য'ত চাৰিটা চাৰিটা আৰু তিনিটা ছয়ো ৰান কৰে। শেষলৈকে অপৰাজিত হৈ থাকে। ইনিংছ মুকলি কৰাৰ সময়ত যেতিয়া এজন বেটছমেনে চজ্ম অভাৰ অপৰাজিত হৈ থাকে, তেতিয়া তেওঁ কিমান উজ্জ্বল বেটিং কৰিছে সেয়া স্পষ্ট হৈ পৰে। টি-২০ বিশ্বকাপত দুটা অৰ্ধশতক অৰ্জন কৰা ইউ এ ইৰ প্ৰথমজন বেটছমেন হিচাপে পৰিগণিত হৈছে মহম্মদ ৱাছিম। ইয়াৰ পূৰ্বে চজ্মচচ চনত প্তজ্ম ৰানৰ ন'ক কৰিছিল। ২০২৪ চনৰ বিশ্বকাপত অংশ ল'ব নোৱাৰিলেও এইবাৰ ঘূৰি আহি প্ৰথমখন মেচত উজ্জ্বল প্ৰদৰ্শন আগবঢ়াইছিল। ইয়াৰ উপৰিও তেওঁ ইউ এ ইৰ সৰ্বাধিক স্ক'ৰ কৰা বেটছমেন হিচাপে পৰিগণিত হৈছে। মহম্মদ ৱাছিমৰ কৃপাত ইউ এ ইয়ে নিউজিলেণ্ডৰ বিৰুদ্ধে চজ্ম অভাৰত ছটা উইকেট হেৰুৱাই ৰজ্জৰান সংগ্ৰহ কৰে, যিটো সন্মানজনক মুঠ।

# ১৭৩খন মেচত ১০০০ উইকেটেৰে অভিলেখ শ্ৰীলংকান ক্ৰিকেটাৰৰ

**স্পৰ্ট ডেস্ক, ২৫ জুলাইঃ** শ্ৰীলংকাৰ প্ৰাক্তন ক্ৰিকেটাৰ মালিন্দা পুষ্পাকুমাৰাই তালিকা এ ক্ৰিকেটত এক উল্লেখযোগ্য কৃতিত্ব অৰ্জন কৰিছে। প্ৰথম শ্ৰেণীৰ ক্ৰিকেটত তেওঁ ১০০০ উইকেট দখল কৰিছে। তেওঁ প্ৰথম শ্ৰেণীৰ ক্ৰিকেটত ১০০০ বা তাতকৈ অধিক উইকেট দখল কৰা চতুৰ্থজন শ্ৰীলংকাৰ ক্ৰিকেটাৰ হিচাপে পৰিগণিত হৈছে। ইয়াৰ উপৰিও তেওঁ মাত্ৰ দুজন শ্ৰীলংকাৰ ক্ৰিকেটাৰৰ ভিতৰত এজন যিয়ে এককভাৱে এটা সম্পূৰ্ণ দলক আউট কৰিছিল। ঘৰুৱা ক্ৰিকেটত তেওঁ এই কৃতিত্ব অৰ্জন কৰিছিল। কল্টছ ক্ৰিকেট ক্লাব খেলপথাৰত বাদুৰেলীয়া স্প'ৰ্টছ ক্লাব আৰু মূৰছ স্প'ৰ্টছ ক্লাবৰ মাজত অনুষ্ঠিত হোৱা এখন খেলৰ সময়ত মালিন্দা পুষ্পাকুমাৰাই এই কৃতিত্ব অৰ্জন কৰে। এই মেচখনৰ পূৰ্বে তেওঁ প্ৰথম শ্ৰেণীৰ ক্ৰিকেটত ৯৯৮টা উইকেট দখল কৰিছিল। বদুৰেলীয়া স্প'ৰ্টছ ক্লাবৰ অধিনায়ক গীতা কুমাৰাই টছত জয়লাভ কৰি প্ৰথমে বেটিং কৰিবলৈ বাছনি কৰে। অধিনায়কগৰাকীয়ে ৰজ্জ্বপ্ত ৰানৰ এক উজ্জল ইনিংছ খেলিছিল আৰু অৱশেষত তেওঁৰ দলটোৱে চ্ছ্ৰজ্জ্বছ ৰান সংগ্ৰহ কৰিবলৈ সক্ষম হৈছিল। মূৰ স্পৰ্টছৰ হৈ চানুকা দিলশানে জ্জ্বৰ ৰানত প্ত উইকেট দখল কৰে। দ্বিতীয় দিনটো চ্ছ্ৰ !ৰপ্তজ্মত শেষ হয় মূৰ স্প'ৰ্টছ ক্লাৱে। (৬ পৃষ্ঠালৈ)

# খেলৰ সময়ত পৰিয়ালৰ লগত থাকিব নোৱাৰিব ভাৰতীয় দলৰ খেলুৱৈসকলে



**স্পৰ্ট ডেস্ক, ২৫ জুলাইঃ**২০২৬ চনৰ টি-২০ বিশ্বকাপৰ সময়ত ভাৰতীয় ক্ৰিকেটাৰৰ পৰিয়ালৰ থকাৰ ব্যৱস্থা সন্দৰ্ভত বিচিচিআইয়ে কঠোৰ স্থিতি গ্ৰহণ কৰিছে। প্ৰতিযোগিতাখন আৰম্ভ হোৱাৰ পূৰ্বে টিম ইণ্ডিয়াৰ খেলুৱৈসকলে বিচিচিআইক এক নিৰ্দিষ্ট অনুৰোধ জনাইছিল যদিও ব'ৰ্ডে তেওঁলোকৰ অনুৰোধ নাকচ কৰিছে। দল পৰিচালনা সমিতিয়ে বিচিচিআইক প্ৰশ্ন কৰিছিল যে বিশ্বকাপৰ সময়ত ভাৰতীয় খেলুৱৈয়ে পৰিয়ালৰ সৈতে যাত্ৰা কৰিব পাৰিবনে? এই অনুৰোধ নাকচ কৰিলে বিচিচিআইয়ে। ইতিমধ্যে বিচিচিআইয়ে নিজৰ নীতিত খেলুৱৈৰ পৰিয়ালৰ সৈতে থকাৰ সংখ্যা আৰু সময়সীমা নিৰ্দিষ্ট কৰি দিছিল। এই নীতি অনুসৰি টি-চজ্ম বিশ্বকাপৰ সময়ত পৰিয়ালক টিম ইণ্ডিয়াৰ খেলুৱৈৰ সৈতে থাকিবলৈ অনুমতি দিয়া নহ'ব। বিচিচিআইয়ে খেলুৱৈৰ বাবে এক বিশেষ নীতি ৰচনা কৰিছে। সংবাদ মাধ্যমৰ খবৰ অনুসৰি দল পৰিচালনা সমিতিয়ে ক্ৰিকেটাৰৰ পৰিয়ালক তেওঁলোকৰ লগত থাকিবলৈ অনুমতি বিচাৰিছিল। এই ক্ষেত্ৰত বিচিচিআইয়ে কোনো ধৰণৰ বাধা আৰোপ কৰা নাই যদিও সময়সীমা নিৰ্ধাৰণ কৰিছে। ব'ৰ্ডৰ নিয়ম অনুসৰি খেলুৱৈৰ পৰিয়ালে তেওঁলোকৰ সৈতে সৰ্বাধিক ৰচ্ছ্ৰ দিন থাকিব পাৰিব। এই নিয়ম কেৱল বহিঃৰাজ্য ভ্ৰমণৰ ক্ষেত্ৰতহে প্ৰযোজ্য, কিন্তু চৰ্ত হ'ল যিকোনো বহিঃৰাজ্য ভ্ৰমণ চ্ছ্ৰপ্ত দিনতকৈ অধিক হ'ব লাগিব। ভাৰতত অনুষ্ঠিত হ'বলগীয়া টি-চজ্ম বিশ্বকাপ চজ্মচ্ছ এমাহ চলি থকাৰ কথা, সেয়েহে দল পৰিচালনাৰ পৰামৰ্শ ব'ৰ্ডে নাকচ কৰে। ইণ্ডিয়ান এক্সপ্ৰেছৰ উদ্ধৃতিৰে বিচিচিআইৰ এক সূত্ৰই জনোৱা মতে, ভাৰতীয় দল পৰিচালনা সমিতিয়ে বিচিচিআইক প্ৰশ্ন কৰিছিল যে খেলুৱৈৰ পত্নী আৰু হবু ছোৱালীয়ে দলৰ সৈতে যাত্ৰা কৰি তেওঁলোকৰ লগত থাকিব পাৰিবনে? ব'ৰ্ডে স্পষ্ট কৰি দিছে যে পৰিয়ালসমূহ খেলুৱৈসকলৰ সৈতে নাথাকিব। অৱশ্যে খেলুৱৈসকলে ইচ্ছা কৰিলে পৰিয়ালৰ বাবে সুকীয়া ব্যৱস্থা কৰিব পাৰে। অৱশ্যে একেখন হোটেলতে থাকিব নোৱাৰে। এই টি-চজ্ম বিশ্বকাপত টিম ইণ্ডিয়াই জয়েৰে অভিযান আৰম্ভ কৰিছিল। প্ৰথমখন মেচত আমেৰিকাক চজ্ম ৰাণত পৰাস্ত কৰে। ইয়াৰ পাছত টিম ইণ্ডিয়াই গ্ৰুপ পৰ্যায়ত আৰু তিনিখন খেল খেলিব। লীগ পৰ্যায়ত ১৫ ফেব্ৰুৱাৰীত কলম্বোত পাকিস্তানৰ বিৰুদ্ধে এখন খেল খেলিব টিম ইণ্ডিয়াই। ইয়াৰ পিছত বাকী মেচসমূহ ভাৰতত অনুষ্ঠিত হ'ব। ইয়াৰ পিছত আৰম্ভ হ'ব ছুপাৰ জ্জ্বৰ মেচ। ইয়াৰ উপৰিও টিম ইণ্ডিয়াই ভাৰতত ছুপাৰ জ্জ্ব মেচ খেলিব।

# অষ্ট্ৰেলিয়াই ডাঙৰ বিপৰ্যয়ৰ সন্মুখীন হৈছে

**স্পৰ্ট ডেস্ক, ২৫ জুলাইঃ**২০২৬ চনৰ টি-২০ বিশ্বকাপত এতিয়ালৈকে দহখন মেচ খেলা হৈছে যদিও অষ্ট্ৰেলিয়াই এতিয়াও এখনো মেচ খেলিব পৰা নাই। এই বিশ্বকাপত কেংগাৰুৱে ৰৰ ফেব্ৰুৱাৰীত আয়াৰলেণ্ডৰ বিৰুদ্ধে এখন খেলৰ জৰিয়তে নিজৰ অভিযান আৰম্ভ কৰিব। অভিযান আৰম্ভ হোৱাৰ পূৰ্বেই অষ্ট্ৰেলিয়াই এক বৃহৎ বিপৰ্যয়ৰ সন্মুখীন হৈছে। ষ্টাৰ অল ৰাউণ্ডাৰ টিম ডেভিদ আঘাতৰ বাবে এই মেচত অংশগ্ৰহণ কৰিব নোৱাৰিব। অষ্ট্ৰেলিয়াৰ অধিনায়ক মিচেল মাৰ্ছেও নিশ্চিত কৰিছে যে টিম ডেভিদে আয়াৰলেণ্ডৰ খেলখনত খেলিব নোৱাৰিব। হামষ্ট্ৰিঙৰ আঘাতৰ পৰা তেওঁ এতিয়াও সুস্থ হোৱা নাই। সেয়েহে অষ্ট্ৰেলিয়াৰ দল পৰিচালনা সমিতিয়ে ডেভিদ সন্দৰ্ভত কোনো সিদ্ধান্ত ল'বলৈ খৰখেদা কৰিব নিবিচাৰে আৰু তেওঁক সুস্থ হ'বলৈ পৰ্যাপ্ত সময় দিব বিচাৰে। যোৱা বছৰ বক্সিং ডে'ৰ পিছত ডেভিদে খেলা নাই। বিগ বেছ লীগত হোবাৰ্ট হাৰিকেনছৰ হৈ বেটিং কৰি থকাৰ সময়তে তেওঁ এই আঘাতৰ সন্মুখীন হয়। যোৱা সপ্তাহত শ্ৰীলংকাত অষ্ট্ৰেলিয়াৰ দলত যোগদান কৰিছিল ডেভিদে। তাৰ পিছৰ পৰাই তেওঁ তীব্ৰভাৱে প্ৰশিক্ষণ লৈছে যদিও ফিটনেছৰ সৈতে মিল থকাকৈ এতিয়াও সম্পূৰ্ণৰূপে সুস্থ হৈ উঠা নাই। মেচৰ পূৰ্বে অনুষ্ঠিত সংবাদমেলত মিচেল মাৰ্ছক টিম ডেভিদৰ বিষয়ে সোধা হৈছিল। তেওঁ (৬ পৃষ্ঠালৈ)

Printed & Published by Hemanta Sarmah on behalf of Jagravi Enterprise from 47, Ganesh Mandir Path, Bylane - 2, Jaya Nagar, Khanapara, Guwahati - 22, Printed at A.M.S. Printers, Dalbari, Satgaon, Guwahati - 71, জাগ্ৰভী প্ৰকাশনৰ হৈ হেমন্ত শৰ্মাৰ দ্বাৰা জয়ানগৰ, খানাপাৰা, গুৱাহাটী - ২২ ৰ পৰা প্ৰকাশিত, Mail ID - ganasangbad0077@gmail.com। যোগাযোগ - ৮৩৫৬৮১৯৬১৬, ৯১০১৭৪৮৯৬৭ , ৯৩৯৪৫১৫০৬৪ (বাতৰি/বিজ্ঞাপন/হেল্পলাইন)

❑ মুখ্য সম্পাদক - লীলাধৰ হাজৰিকা WEB VISIT - www.ganasangbad.in ❑ সম্পাদক - শংকৰী বৰুৱা শৰ্মা